# চতুৰ্থ অধ্যায়

# শিক্ষা আৰু অৰ্থনৈতিক বিকাশ

# (Education and Economic Development)

- অৰ্থনৈতিক বিকাশ আৰু জাতীয় বিকাশৰ অৰ্থ (Meaning of Economic Development and National Development)
- শিক্ষা আৰু অৰ্থনীতিৰ মাজৰ সম্বন্ধ (Relation between Education and Economics)
- শিক্ষাৰ ওপৰত অৰ্থনীতিৰ প্ৰভাৱ (Impact of Economics on Education)
- অৰ্থনৈতিক বিকাশত শিক্ষাৰ ভূমিকা (Role of Education in Economic Development)
- এক বিনিয়োগ স্বৰূপে শিক্ষা (Education as an Investment)

## প্ৰস্তাৱনা (Introduction) :

বৰ্তমান এখন নতুন শিক্ষাৰ জগতত আমি বসবাস কৰোঁ। এই শিক্ষাৰ জগতত বহুতো নতুন অধ্যয়নৰ বিষয় যেনে — শিক্ষাৰ অৰ্থনীতি, শিক্ষা আৰু অৰ্থনৈতিক বৃদ্ধি, বিনিয়োগ স্বৰূপে শিক্ষা, শৈক্ষিক পৰিকল্পনা, মানৱ শক্তি পৰিকল্পনা, শিক্ষা আৰু মানৱ সম্পদ বিকাশ তথা আন বহুতো নতুন ধাৰণাই বিকাশ লাভ কৰিছে। সাম্প্ৰতিক সময়ত অৰ্থনীতিবিদ যেনে আমেৰিকাৰ ষ্ট্ৰীমেলিন (Streemelin), ইংলেণ্ডৰ জন ভেইযী (John Vaizy) আৰু ফ্ৰান্সৰ মাইকেল (Mihael)এ 'শিক্ষাৰ অৰ্থনীতি' ধাৰণা বিকশাই তুলিছিল। তেওঁলোকে শিক্ষা আৰু অৰ্থনীতিৰ মাজত এক ওচৰ সম্বন্ধ স্থাপন কৰিছিল। সাম্প্ৰতিক সময়ৰ অৰ্থনীতিবিদ কেইজনৰ উপৰিও প্ৰাচীন কালৰ অৰ্থনীতিবিদ এডাম স্মিথ (Adam Smith), টি. আৰ. মালথাচ (T. R. Malthus), এফ. এ. ৱাকাৰ (F. A. Walker), জে. বি. চে. (J. B. Say), আলফ্ৰেড মাৰ্শ্বেল (Alfred Marshall) আদিয়েও শিক্ষাৰ অৰ্থনীতিৰ ভেঁটি গঢ়ি তোলাত বৰঙণি আগবঢ়াইছিল। অৰ্থনৈতিক সমৃদ্ধি আৰু অৰ্থনৈতিক নিৰাপত্তা সমন্বিতে জাতীয় জীৱনৰ সকলো ক্ষেত্ৰৰ জাতীয় বিকাশ লক্ষ্য প্ৰাপ্তিৰ বাবে শিক্ষাক অৰ্থনীতিৰ সহায়ৰ আৱশ্যক হয়। দৰাচলতে কোনো এখন দেশৰ বিকাশ আৰু পুনৰ গঠন দেশখনৰ নাগৰিকসকলৰ গুণগত মানদণ্ডৰ

ওপৰত নিৰ্ভৰ কৰে। নাগৰিকৰ গুণমান বিভিন্ন উৎসৰ পৰা লাভ কৰা শিক্ষাৰ গুণমানৰ ওপৰত নিৰ্ভৰ কৰে।

সাধাৰণ দৃষ্টিকোণেৰে বিবেচনা কৰিলে অৰ্থনীতি মানে হ'ল সম্পদৰ অধ্যয়ন। অৰ্থনীতিয়ে কোনো এখন দেশৰ অৰ্থনৈতিক অৱস্থা, বিকাশ আৰু আৰ্থ-সামাজিক অৱস্থাৰ বিষয়ে সুচাৰুৰূপে অধ্যয়ন কৰে। আকৌ শিক্ষাৰ এক গুৰুত্বপূৰ্ণ উদ্দেশ্য হৈছে ব্যক্তিক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলা। দেশ এখনৰ অৰ্থনৈতিক বিকাশ আৰু শিক্ষা ব্যৱস্থাৰ বিকাশৰ মাজত এক পাৰস্পৰিক সম্বন্ধ আছে। অৰ্থনৈতিকভাৱে উন্নত দেশ এখনতহে শিক্ষাৰ উন্নতি পৰিলক্ষিত হয়। ইয়াৰ বিপৰীতে আৰ্থিকভাৱে পিছপৰা দেশ এখনে শিক্ষাৰ বাবে প্ৰয়োজনীয় নিম্নতম সা-সুবিধাবোৰ প্ৰদান কৰিব নোৱাৰে আৰু ইয়াৰ ফলত শিক্ষা ব্যৱস্থাও নিম্নগামী হয়। অৰ্থনীতিয়ে ব্যক্তিক উৎপাদনশীল ব্যক্তি হিচাপে গঢ়ি সমাজ আৰু ৰাষ্ট্ৰৰ উপকাৰ সাধন কৰিব পাৰে। শিক্ষাৰ মূল কাৰ্য হ'ল মানৱীয় প্ৰতিভাৰ বিকাশ সাধন কৰি মানুহক উৎপাদনৰ চালিকা শক্তি হিচাপে গঢ়ি তোলা। শিক্ষাৰ পৰিকল্পনা, সম্পদৰ বিতৰণ, সংগঠন, বিনিয়োগ আদি দিশবোৰ অৰ্থনীতিৰ গণ্ডীৰ ভিতৰত নিৰ্ধাৰণ কৰা হয়। বৰ্তমান শিক্ষাক মানৱ সম্পদৰ বিকাশৰ আহিলা হিচাপে গণ্য কৰাৰ লগে লগে শিক্ষা আৰু অৰ্থনীতিৰ মাজৰ যোগসূত্ৰ ঘনিষ্ঠ হৈ পৰিছে।

## অৰ্থনৈতিক বিকাশৰ অৰ্থ (Meaning of Economic Development)

সমাজৰ বস্তুগত কল্যাণৰ বহনক্ষম উন্নয়ন হিচাপে অৰ্থনৈতিক বিকাশক সংজ্ঞায়িত কৰিব পাৰি। অৰ্থনৈতিক বৃদ্ধিৰ তুলনাত অৰ্থনৈতিক বিকাশ এক ব্যাপক ধাৰণা। অৰ্থনৈতিক বৃদ্ধি কোনো উৎপাদনৰ সংখ্যাগত দিশৰ লগত সম্বন্ধিত আৰু অৰ্থনৈতিক বিকাশে কোনো উৎপাদনৰ সংখ্যাগত দিশৰ লগত সামাজিক মনোভাৱ আৰু প্ৰথা আদিৰ দৰে গুণগত ধাৰণাবোৰৰ লগত সম্বন্ধিত। জাতীয় আয় বৃদ্ধিৰ উপৰি অৰ্থনৈতিক বিকাশে সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশকো সামৰি লয় যিবোৰ দিশে বস্তুগত প্ৰগতিত অৰিহণা যোগায়। সম্পদৰ যোগান, মূলধন গঠনৰ হাৰ, জনসংখ্যাৰ আকাৰ আৰু গাঁথনি, প্ৰযুক্তিবিদ্যা, দক্ষতা আৰু সামৰ্থ, আনুষ্ঠানিক গাঁথনি আদিৰ ক্ষেত্ৰত অৰ্থনৈতিক বিকাশে পৰিবৰ্তন আনে। এই পৰিবৰ্তনবোৰে অধিক উন্নত ন্যায়সংগত আয়ৰ বিতৰণ, অধিক নিযুক্তি আৰু দৰিদ্ৰতা নিৰ্মূলকৰণ আদি ব্যাপক পৰিসৰৰ লক্ষ্যবোৰ পুৰণ কৰে। সংক্ষেপতে ক'ব পাৰি যে অৰ্থনৈতিক বিকাশ হ'ল এক প্ৰক্ৰিয়া যি যোগানৰ মৌলিক কাৰকবোৰৰ আন্তঃসম্বন্ধীয় পৰিবৰ্তনৰ বাবে দীঘলীয়া শৃংখলাৰে গঠিত আৰু চাহিদাৰ গাঁথনিত এখন দেশৰ জাতীয় উৎপাদন বৃদ্ধিৰ লগত দীৰ্ঘম্যাদীভাৱে পৰিচালিত।

কোনো এখন দেশৰ নাগৰিকৰ জীৱন-যাপনৰ মানদণ্ডত ঘটা অবিৰত পৰিৱৰ্তনেই হ'ল অৰ্থনৈতিক বিকাশ। ই হ'ল এনে এক প্ৰক্ৰিয়া যাৰ দ্বাৰা এখন দেশৰ নাগৰিকসকলৰ অৰ্থনৈতিক, ৰাজনৈতিক

আৰু সামাজিক কল্যাণ সাধন কৰিব পাৰে। অৰ্থনৈতিক বিকাশে সাধাৰণতে কৰ্মসংস্থাপন আৰু উপাৰ্জনৰ ক্ষেত্ৰত হোৱা উন্নতিৰ জোখ আগবঢ়ায় যদিও ই মানুহৰ উন্নয়ন, শিক্ষা, স্বাস্থ্য, মানুহৰ পচন্দ আৰু পাৰিপাৰ্শ্বিকতাৰ বহল ক্ষমতাৰ দিশত হোৱা উন্নতি আদিৰ দৰে বিষয়ক সামৰি লয়।

অৰ্থনৈতিক বিকাশৰ সংজ্ঞা প্ৰদান কৰি অধ্যাপক চি. এল. আনন্দে (Prof. C. L. Anand)মত প্ৰকাশ কৰিছিল যে, 'অৰ্থনৈতিক বিকাশ মানে বস্তুগত বিনিয়োগৰ বাবে সমৰ্পিত জাতীয় আয়ৰ অনুপাত'। (Economic development means the proportion of national income that is devoted to physical investment)।

আকৌ অৰ্থনীতিবিদ জন বাইযি (John Vaizy) ৰ মতে 'অৰ্থনৈতিক বিকাশ হ'ল সামগ্ৰিকভাৱে শ্ৰম শক্তি, বস্তুগত মূলধনৰ সংগ্ৰহ আৰু সম্প্ৰদায়ত উপলব্ধ জ্ঞান আৰু দক্ষতাৰ ভাণ্ডাৰ।' (Economic development means comprehensively is the total effect of development of the labour force, the accumulation of physical capital and addition to the stock of knowledge and skill available in the community)

চালভেটৰ (Salvatore) ৰ মতে, 'অৰ্থনৈতিক বিকাশ হ'ল এনে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে দীৰ্ঘকালৰ বাবে জনমূৰি উৎপাদনশীলতাৰ অবিৰত উন্নতিৰ সহায়ত এখন দেশৰ বাস্তৱ জনমূৰি সৰ্বমুঠ ৰাষ্ট্ৰীয় উৎপাদন নাইবা আয় বৃদ্ধি কৰা হয়।' (Economic development has been defined as the process whereby as country's real per capita gross national product (GNP) or income increases over a sustained period of time through continuing increase in per capita productivity)।

মায়েৰ আৰু বাল্ডউইন (Mayer and Baldwin)ৰ মতে, 'অৰ্থনৈতিক বিকাশ হ'ল এক প্ৰক্ৰিয়া যাৰ মাধ্যমেৰে অৰ্থনীতিৰ প্ৰকৃত জাতীয় আয় দীৰ্ঘ সময়লৈ বৃদ্ধি পায়।' (Economic development is a process whereby economy's national income increases over a long period of time)।

কেমব্ৰিজ অভিধান (Cambridge Dictionary) অনুসৰি, অৰ্থনৈতিক বিকাশ হ'ল 'এক প্ৰক্ৰিয়া য'ত অৰ্থনীতি বৃদ্ধি পায় বা পৰিবৰ্তিত হয় আৰু অধিক উন্নত হয়, বিশেষকৈ য'ত অৰ্থনৈতিক আৰু সামাজিক উভয় অৱস্থাৰ উন্নতি হয়।' (The process in which an economy grows or changes and becomes more advanced, especially when both economic and social conditions are improved)।

অধ্যাপক উইলিয়ামচন (Williamson)ৰ মতে, 'অৰ্থনৈতিক বিকাশ হ'ল এক প্ৰক্ৰিয়া যাৰ মাধ্যমেৰে কোনো এখন দেশৰ জনসাধাৰণে উপলব্ধ সম্পদৰ ব্যৱহাৰ এনেদৰে কৰিব লাগে যাতে দেশৰ জনমূৰি আয় বৃদ্ধি পায়' (Economic Development is a process whereby the people of a country utilize the available resources in such a way that the per capita income of the country increases)।

অৰ্থনৈতিক বিকাশৰ ওপৰত আলোচনা কৰা অৰ্থ আৰু সংজ্ঞাবোৰ বিশ্লেষণ কৰিলে তলত দিয়া বৈশিষ্ট্যবোৰ দেখিবলৈ পোৱা যায়।

১। কোনো এখন দেশৰ আয়, জমা ধন আৰু বিনিয়োগৰ পৰিবৰ্তনৰ লগতে আৰ্থ-সামাজিক গাঁথনিৰ প্ৰগতিশীল পৰিৱৰ্তনৰ লগত অৰ্থনৈতিক বিকাশ সম্বন্ধিত।

২। অৰ্থনীতিৰ গুণগত আৰু সংখ্যাগত পৰিবৰ্তনৰ লগত অৰ্থনৈতিক বিকাশ সম্বন্ধিত।

৩। অৰ্থনৈতিক বিকাশ এখন দেশৰ জীৱনৰ গুণমানৰ প্ৰগতিক প্ৰতিনিধিত্ব কৰায়।

৪। মানৱ বিকাশৰ সূচক, লিংগৰ সম্বন্ধিত সূচক, মানৱ দৰিদ্ৰতাৰ সূচক, শিশুৰ মৃত্যু, সাক্ষৰতাৰ হাৰ আদিৰ পৰিমাপৰ দ্বাৰা অৰ্থনৈতিক বিকাশৰ পৰিমাপণ কৰা হয়।

৫। অৰ্থনৈতিক বিকাশৰ পৰিসৰ অৰ্থনৈতিক বৃদ্ধিতকৈ ব্যাপক।

৬। অৰ্থনৈতিক বিকাশ হ'ল এক গতিশীল প্ৰক্ৰিয়া। গতিশীল সমাজৰ লগত সংগতি ৰাখি এই প্ৰক্ৰিয়া আগুৱাই গৈ থাকে।

৭। ই হ'ল দীৰ্ঘম্যাদী পৰিঘটনা। অৰ্থনৈতিক বিকাশৰ ফল দীৰ্ঘ সময়লৈ উপভোগ কৰিব পাৰি।

৮। অৰ্থনৈতিক বিকাশৰ এক অপৰিহাৰ্য চৰ্ত হ'ল বিতৰণশীল ন্যায় অৰ্থাৎ সম্পদৰ নায্য তথা সমান বিতৰণ।

## জাতীয় বিকাশৰ অৰ্থ (Meaning of National Development)

জাতীয় বিকাশ এক ব্যাপক পৰিসৰৰ ধাৰণা য'ত অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, ধৰ্মীয় আৰু ৰাজনৈতিক আদি সকলো দিশৰ উমৈহতীয়া আৰু ভাৰসাম্যপূৰ্ণ বিকাশ জড়িত হৈ থাকে। যদি এই দিশবোৰৰ এটা দিশক অৱহেলা কৰিলেও বিকাশ অসম্পূৰ্ণ হৈ ৰ'ব। অৰ্থনৈতিক বিকাশ জাতীয় বিকাশৰ এক গুৰুত্বপূৰ্ণ অংশ।

জাতীয় বিকাশ সকলো চলকৰ সংখ্যাগত আৰু গুণগত উন্নয়নৰ লগত জড়িত। অৰ্থাৎ জাতীয় বিকাশ দেশ এখনৰ সকলো দিশৰ সৰ্বাংগীন বিকাশ।

জাতীয় বিকাশ হ'ল সৰ্বাত্মক অভিগমন। দেশ আৰু ব্যক্তি বিকাশৰ বিভিন্ন উপাদানবোৰৰ ই হ'ল পুনৰ গঠন আৰু বিকাশৰ প্ৰক্ৰিয়া। জাতীয় বিকাশে আমাৰ উদ্যোগ, কৃষি, শিক্ষা, সামাজিক, ধৰ্মীয় তথা সাংস্কৃতিক প্ৰতিষ্ঠানবোৰৰ সম্পূৰ্ণ বিকাশ আৰু সম্প্ৰসাৰণক অন্তৰ্ভুক্ত কৰে। অৰ্থাৎ জাতীয় বিকাশে দেশ এখনৰ সামগ্ৰিক বিকাশক বুজায়। এখন দেশৰ বিভিন্ন দিশ যেনে ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, বৈজ্ঞানিক আৰু বস্তুগত সৰ্বাত্মক আৰু ভাৰসাম্যপূৰ্ণ বিকাশ স্বৰূপে জাতীয় বিকাশক সংজ্ঞায়িত কৰিব পাৰি।

ব্যাপক অৰ্থত জাতীয় বিকাশে অন্তৰ্ভুক্ত কৰা দিশবোৰ হ'ল —

- পৰিকল্পিত জাতীয় অৰ্থনীতিৰ যোগে বিকাশ,
- আধুনিক প্ৰাযুক্তিক জ্ঞানৰ প্ৰয়োগৰ দ্বাৰা কৃষিৰ উৎপাদন বৃদ্ধি কৰা,
- শিল্প উৎপাদন বৃদ্ধি কৰা,
- মানৱ সম্পদৰ বিকাশ সাধন কৰা,
- ঔদ্যোগিক ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ কৰা,
- জন শিক্ষাৰ ব্যৱস্থা কৰা, আৰু
- সমাজৰ পিছপৰা, বঞ্চিত আৰু দৰিদ্ৰ শ্ৰেণীৰ লোকসকলৰ প্ৰয়োজন আৰু আকাংক্ষাবোৰ পূৰণৰ বাবে বিভিন্ন সুবিধাৰ ব্যৱস্থা কৰা।


জাতীয় বিকাশৰ অৰ্থ উপলব্ধিৰ বাবে তলত উল্লেখ কৰা সংজ্ঞাকেইটা বিশেষভাৱে বিবেচনা যোগ্য।

১৯৬৪-৬৬ চনৰ শিক্ষা আয়োগ বা কোঠাৰী আয়োগৰ মতে, জাতীয় বিকাশ হ'ল, "খাদ্য শস্যৰ ক্ষেত্ৰত স্বয়ংসম্পূৰ্ণতা, অৰ্থনৈতিক বিকাশ, জাতীয় সংহতি, সামাজিক পুনৰ্গঠন, ৰাজনৈতিক মূল্যবাধৰ বিকাশ আৰু ধৰ্মীয় তথা সাংস্কৃতিক মূল্যবোধৰ প্ৰতিষ্ঠা ইত্যাদি" (Self sufficiency in food grains, economic development, national integration, social reconstruction, development of political values and establishment of religious and cultural values etc.)।

জন বাইযি (John Vaizy) ৰ মতে, "জাতীয় বিকাশ হ'ল সমগ্ৰ নাগৰিক শক্তিৰ সামগ্ৰিক প্ৰভাৱ আৰু ভৌতিক, মানৱ সম্পদ, জ্ঞান তথা দক্ষতাৰ এক সংযোজন।" (National development is the total effect of all citizen's forces and additions to the stock of physical human resources, knowledge and skill)।

ৰাষ্ট্ৰসংঘৰ বিশেষজ্ঞ কমিটি (United Nation Expert Committee)ৰ মতে, "জাতীয় বিকাশ কেৱল অৰ্থনৈতিক বৃদ্ধিয়ে নহয়, বৰঞ্চ বৃদ্ধি তথা সামাজিক, সাংস্কৃতিক আৰু প্ৰতিষ্ঠানিক আৰু অৰ্থনৈতিক ক্ষেত্ৰৰ পৰিৱৰ্তন" (National development is not only economic growth but growth plus change in turn in social, cultural and institutional as well as economic)।

জাতীয় বিকাশৰ ধাৰণাক তলত দিয়া চিত্ৰৰ দ্বাৰা স্পষ্টভাৱে বুজিব পাৰি —




জাতীয় বিকাশৰ অৰ্থ আৰু সংজ্ঞা বিশ্লেষণ কৰিলে ইয়াৰ কেতবোৰ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। জাতীয় বিকাশৰ বৈশিষ্ট্যবোৰ হ'ল —

১। জাতীয় বিকাশে দেশ এখনৰ বিকাশৰ সকলোবোৰ চলক যেনে অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আদিক সামৰি লয়।

২। জাতীয় বিকাশে দেশ এখনৰ জনসাধাৰণৰ প্ৰতিভা আৰু অন্তৰ্নিহিত গুণৰ বিকাশকো সামৰি লয়। জাগ্ৰত মন, সঠিক জ্ঞান, দক্ষতা আৰু আকাংক্ষিত মনোভাব হ'ল জাতীয় বিকাশৰ কেতবোৰ সূচক।

৩। জাতীয় বিকাশত সহায় আগবঢ়োৱা আন এক কাৰক হ'ল জাতীয় সংহতি। সামাজিক ঐক্যতা হ'ল জাতীয় সংহতি অৰ্জনৰ এক উপায়।

৪। আধুনিকীকৰণক জাতীয় বিকাশৰ এক উত্তম পথ স্বৰূপে বিবেচনা কৰিব পাৰি। ইয়াৰ বাবে জাতীয় শিক্ষা ব্যৱস্থাই কেতবোৰ অভিনৱ পদক্ষেপ গ্ৰহণ কৰিব লাগে।

৫। জাতীয় বিকাশৰ বাবে সহযোগিতা, উমৈহতীয়া বুজাপৰা, স্বাধীনতা, সমতা, উমৈহতীয়া সহায়, অভিজ্ঞতাৰ বিতৰণ, নেতৃত্বদান আদিৰ দৰে গণতান্ত্ৰিক মূল্যবোধবোৰ অতি প্ৰয়োজনীয়।

৬। ধৰ্ম নিৰপেক্ষ দৃষ্টিভংগীৰ বিকাশ জাতীয় বিকাশৰ বাবে অপৰিহাৰ্য। এই দৃষ্টিভংগীৰ বিকাশৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক নৈতিক, আধ্যাত্মিক আৰু সামাজিক মূল্যবোধৰ শিক্ষা তথা সামাজিক সেৱা আৰু সামাজিক ন্যায়ৰ উচ্চ আদৰ্শৰ জ্ঞান প্ৰদান কৰিব লাগে।

৭। জাতীয় বিকাশৰ লগত মানুহৰ দৈনন্দিন প্ৰয়োজনীয় কিছুমান সম্পদৰ উৎপাদন জড়িত হৈ থাকে। দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা এই সম্পদবোৰৰ উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত জ্ঞান, দক্ষতা আৰু প্ৰশিক্ষণে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

৮। জাতীয় বিকাশৰ বাবে সাংস্কৃতিক আৰু বৈজ্ঞানিক মূল্যবোধৰ সংশ্লেষণ অপৰিহাৰ্য। বৈজ্ঞানিক মূল্যবোধৰ লগত সাংস্কৃতিক মূল্যবোধৰ সংশ্লেষণে জাতীয় বিকাশৰ পথ সুগম কৰে।

## অৰ্থনৈতিক বিকাশৰ কাৰকবোৰ (Factors of Economic Development)

অৰ্থনৈতিক বিকাশৰ প্ৰক্ৰিয়া এক জটিল পৰিঘটনা আৰু ই বহুতো কাৰকৰ দ্বাৰা প্ৰভাৱিত। অৰ্থনৈতিক বিকাশৰ কাৰকবোৰক অৰ্থনৈতিক কাৰক আৰু অনা-অৰ্থনৈতিক কাৰক স্বৰূপে দুটা ভাগত ভাগ কৰিব পাৰি। এই কাৰকবোৰৰ বৰ্ণনা তলত আগবঢ়োৱা হ'ল —

**(ক) অৰ্থনৈতিক কাৰকবোৰ (Economic Factors) :**

**১। প্ৰাকৃতিক সম্পদসমূহ (Natural Resources) :** এখন দেশৰ অৰ্থনৈতিক বিকাশক প্ৰভাৱিত কৰা এক প্ৰধান কাৰক হ'ল প্ৰাকৃতিক সম্পদসমূহ। প্ৰাকৃতিক সম্পদে ভূমিক্ষেত্ৰ আৰু মাটিৰ গুণাগুণ, বন সম্পদ, জলজ সম্পদ, খনিজ আৰু তৈল সম্পদ, ভাল জলবায়ু আদিক সামৰি লয়। অৰ্থনৈতিক বিকাশৰ বাবে উপলব্ধ প্ৰাকৃতিক সম্পদবোৰৰ পৰ্যাপ্ততা অপৰিহাৰ্য। প্ৰাকৃতিক সম্পদত অপৰ্যাপ্ততা থকা দেশ এখনে কেতিয়াও দ্ৰুত গতিৰ বিকাশ সম্ভৱ কৰি তুলিব নোৱাৰে। যদিও পৰ্যাপ্ত পৰিমাণৰ প্ৰাকৃতিক সম্পদ অৰ্থনৈতিক বিকাশৰ বাবে অপৰিহাৰ্য চৰ্ত কিন্তু ইয়ে চৰম কথা নহয়। কম উন্নত দেশবোৰত প্ৰাকৃতিক সম্পদবোৰৰ অব্যৱহাৰ, নিম্ন ব্যৱহাৰ বা অপব্যৱহাৰ কৰা হয়। ইয়াৰ বিপৰীতে প্ৰাকৃতিক সম্পদত চহকী নহ'লেও জাপান, চিংগাপুৰ আদিৰ দৰে দেশবোৰ বিশ্বৰ উন্নত দেশৰ স্থানত আছে। এই দেশবোৰে উপলব্ধ সম্পদবোৰৰ সংৰক্ষণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ, সম্পদ পৰিচালনাৰ বাবে যথাসাধ্য চেষ্টা কৰে আৰু সম্পদৰ অপচয় হ্ৰাস কৰে।

**২। মূলধন গঠন (Capital Formation) :** কোনো এখন দেশৰ অৰ্থনীতিৰ বিকাশৰ আন এক গুৰুত্বপূৰ্ণ কাৰক হ'ল মূলধন গঠন। মূলধন গঠন হ'ল এক প্ৰক্ৰিয়া যাৰ মাধ্যমত এটা সম্প্ৰদায়ৰ সঞ্চয়বোৰ উদ্ভিদ, সৰঞ্জাম আৰু যন্ত্ৰপাতিৰ দৰে মূলধন সামগ্ৰীত বিনিয়োগ কৰা হয় আৰু দেশৰ উৎপাদন ক্ষমতা তথা শ্ৰমিকৰ দক্ষতা বৃদ্ধি কৰা হয় যাতে দেশ এখনৰ পণ্য আৰু সেৱাৰ বৃহৎ প্ৰবাহ নিশ্চিত হয়। মূলধন গঠন প্ৰক্ৰিয়া অনুসৰি এটা সম্প্ৰদায়ে উপাৰ্জন কৰা সকলো আয় বৰ্তমানৰ ভোগৰ বাবে ব্যয় নকৰে। আয়ৰ এটা অংশ সঞ্চয় কৰা হয় আৰু দেশৰ উৎপাদনশীল সক্ষমতাক প্ৰভাৱিত কৰিব পৰাকৈ মূলধন সম্পদ উৎপাদন কৰা হয় বা মূলধন অৰ্জনৰ বাবে ব্যৱহাৰ কৰা হয়।

**৩। প্ৰযুক্তিগত প্ৰগতি (Technological Progress) :** প্ৰযুক্তিগত প্ৰগতি অৰ্থনৈতিক বিকাশৰ হাৰ নিৰ্ধাৰণৰ আন এক গুৰুত্বপূৰ্ণ কাৰক। প্ৰযুক্তিগত প্ৰগতিয়ে মূলত উৎপাদনৰ নতুন আৰু উন্নত পদ্ধতিৰ ব্যৱহাৰ বা পুৰণি পদ্ধতিৰ সংশোধনৰ ক্ষেত্ৰত কৰা গৱেষণাক বুজায়। কেতিয়াবা প্ৰযুক্তিগত প্ৰগতিয়ে প্ৰাকৃতিক সম্পদৰ উপলব্ধতাকো বুজায়। সাধাৰণতে প্ৰযুক্তিগত প্ৰগতিৰ ফল হ'ল

উৎপাদনৰ বৃদ্ধি। অৰ্থাৎ উৎপাদন বৃদ্ধিৰ বাবে প্ৰাকৃতিক আৰু অন্যান্য সম্পদবোৰৰ কাৰ্যকৰী আৰু ফলপ্ৰসূ ব্যৱহাৰৰ দক্ষতা প্ৰযুক্তিগত প্ৰগতিয়ে বৃদ্ধি কৰে। উন্নত প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ ফলত উপলব্ধ সম্পদৰ পৰা অধিক ফল লাভ কৰিব পৰা যায়।

৪। **উদ্যমিতা (Enterpreneurship) :** উদ্যমিতাই নতুন বিনিয়োগৰ সুযোগ, বিপদ গ্ৰহণ ইচ্ছা আৰু নতুন ব্যৱসায়ত বিনিয়োগ কৰাৰ দক্ষতাক বুজায়। বিশ্বৰ বেছিভাগ অনুন্নত দেশ মূলধনৰ নাটনি, দুৰ্বল আন্তঃগাঁথনি, অদক্ষ বনুৱা বা প্ৰাকৃতিক সম্পদৰ অপৰ্যাপ্ততা আদিৰ বাবে দুখীয়া নহয় বৰঞ্চ উদ্যোগিতা মনোভাৱৰ বাবেহে দুখীয়া। সেয়েহে অনুন্নয়নশীল দেশবোৰে শিক্ষা, গৱেষণা, বৈজ্ঞানিক আৰু প্ৰযুক্তিৰ বিকাশৰ ওপৰত গুৰুত্ব দি উদ্যোগিতা বৃদ্ধিৰ বাবে পৰিৱেশ সৃষ্টি কৰিব লাগে।

৫। **মানৱ সম্পদৰ বিকাশ (Human Resources Development) :** অৰ্থনৈতিক বিকাশৰ স্তৰ নিৰ্ধাৰণৰ বাবে ভাল গুণমানৰ জনসাধাৰণ অতি গুৰুত্বপূৰ্ণ। সেয়েহে শিক্ষা, চিকিৎসা আৰু অন্যান্য সামাজিক আঁচনিবোৰৰ আকাৰত মানৱ মূলধনৰ বিনিয়োগ কৰা প্ৰয়োজন। মানৱ সম্পদৰ বিকাশে জনসাধাৰণৰ জ্ঞান, দক্ষতা আৰু সক্ষমতা বৃদ্ধিৰ যোগেদি উৎপাদনশীলতা বৃদ্ধি কৰিব পাৰে।

৬। **জনসংখ্যা বৃদ্ধি (Population Growth) :** জনসংখ্যা বৃদ্ধিৰ পৰা শ্ৰমিকৰ সৰবৰাহ বৃদ্ধি পায় আৰু ই পণ্য আৰু সেৱাৰ বাবে বিস্তৃত বজাৰ প্ৰদান কৰে। গতিকে, অধিক শ্ৰমিকে অধিক উৎপাদন কৰে আৰু ই বিস্তৃত বজাৰ দখল কৰে। এই প্ৰক্ৰিয়াৰে উৎপাদন, আয় আৰু কৰ্মসংস্থাপন বৃদ্ধি পায় আৰু অৰ্থনৈতিক বিকাশো শক্তিশালী হয়। কিন্তু জনসংখ্যা বৃদ্ধি স্বাভাৱিক হোৱা উচিত। জনসংখ্যাৰ অত্যাধিক বৃদ্ধিয়ে অৰ্থনৈতিক অগ্ৰগতি নিম্নগামী কৰি তোলে। কম জনসংখ্যা থকা দেশতহে জনসংখ্যা বৃদ্ধি এটা আকাংক্ষিত বিষয়।

৭। **সামাজিক শিতান (Social Overheads) :** সামাজিক শিতান হ'ল অৰ্থনৈতিক বিকাশৰ আন এক কাৰক। সামাজিক শিতানৰ কেতবোৰ নিৰ্ধাৰক হ'ল বিদ্যালয়, প্ৰাযুক্তিক প্ৰতিষ্ঠান, চিকিৎসা মহাবিদ্যালয়, হস্পিতাল, জনস্বাস্থ্যৰ সুবিধা আদি। এই সুবিধাবোৰে কৰ্মক্ষম জনসাধাৰণক স্বাস্থ্যকৰ, দক্ষ আৰু দায়বদ্ধ কৰি তোলে। এই ব্যক্তিসকলে দেশৰ অৰ্থনীতিক উৰ্ধমুখী কৰি তুলিব পাৰে।

**(খ) অনা-অৰ্থনৈতিক কাৰকবোৰ (Non-Economic Factors) :**

১। **ৰাজনৈতিক কাৰক (Political Factors) :** ৰাজনৈতিক স্থিতিশীলতা আৰু শক্তিশালী প্ৰশাসন হ'ল আধুনিক অৰ্থনৈতিক বিকাশৰ বাবে প্ৰয়োজনীয় আৰু সহায়কাৰী। স্থিতিশীল, শক্তিশালী তথা দক্ষ চৰকাৰ, সৎ প্ৰশাসন, স্বচ্ছ নীতি আৰু তাৰ কাৰ্যকৰী প্ৰয়োগে বিনিয়োগকাৰীৰ আস্থা অৰ্জন কৰে আৰু দেশীয় তথা বিদেশী মূলধনক প্ৰভাৱিত কৰে যিয়ে দ্ৰুত অৰ্থনৈতিক বিকাশ সম্ভৱ কৰি তোলে।

২। **সামাজিক আৰু মনোবৈজ্ঞানিক কাৰক (Social and Psychological Factors) :** সামাজিক কাৰকে সামাজিক মনোভাব, সামাজিক মূল্যবোধ আৰু সামাজিক প্ৰতিষ্ঠানক সামৰি লয় যিবোৰ এখন সমাজৰ পৰা আন এখন সমাজলৈ শিক্ষা আৰু যাতায়াতৰ সম্প্ৰসাৰণৰ দ্বাৰা পৰিবৰ্তিত হয়। আধুনিক আদৰ্শ, মূল্যবোধ আৰু মনোভাবে নতুন আৱিষ্কাৰ আৰু উদ্ভাৱন আনে আৰু যাৰ ফলত নতুন উদ্যোগৰ বিকাশ হয়। পৰম্পৰাগত সামাজিক ৰীতি-নীতিয়ে বৃত্তীয় আৰু ভৌগোলিক গতিশীলতাত বাধা আনে আৰু অৰ্থনৈতিক বিকাশত সমস্যাৰ সৃষ্টি কৰে।

৩। **শিক্ষা (Education) :** এইটো সৰ্বগ্ৰহণযোগ্য কথা যে বিকাশৰ প্ৰধান বাহক হ'ল শিক্ষা। শিক্ষাৰ প্ৰসাৰ বৃদ্ধি হোৱা দেশবোৰত অধিক উন্নতি সম্ভৱপৰ হৈছে। মানৱ সম্পদৰ বিকাশ, শ্ৰমিক দক্ষতা বৃদ্ধি, নতুন ধাৰণা আৰু জ্ঞানৰ ক্ষেত্ৰত থকা মানসিক বাধা নিৰাময়ত শিক্ষাই এক প্ৰধান ভূমিকা পালন কৰে আৰু এইদৰে ই অৰ্থনৈতিক বিকাশত বৰঙণি আগবঢ়ায়।

৪। **বস্তুগত উন্নয়নৰ আকাংক্ষা (Desire for Meterial Betterment) :** বস্তুগত উন্নয়নৰ আকাংক্ষা হ'ল অৰ্থনৈতিক বিকাশৰ এক পূৰ্ব চৰ্ত। আত্মসন্তুষ্টি, ভাগ্যৰ প্ৰতি বিশ্বাস কৰা সমাজত বিপদ গ্ৰহণ কৰাৰ সামৰ্থতা মানুহৰ মাজত কম আৰু ই অৰ্থনৈতিক প্ৰগতিত বাধাৰ সৃষ্টি কৰে। সেয়েহে অৰ্থনৈতিক বিকাশৰ বাবে মানুহে বস্তুগত উন্নয়নৰ আকাংক্ষা কৰা উচিত।

গতিকে ক'ব পাৰি যে কোনো এখন দেশে দ্ৰুতগতিত অৰ্থনৈতিক বিকাশ লাভ কৰিবৰ বাবে ওপৰত উল্লেখ কৰা কাৰকবোৰ পূৰ্ব চৰ্ত স্বৰূপ।

## শিক্ষা আৰু অৰ্থনীতিৰ মাজৰ সম্বন্ধ (Relation between Education and Economics)

শিক্ষা আৰু অৰ্থনীতিৰ সম্বন্ধ আলোচনা কৰাৰ আগেয়ে শিক্ষা আৰু অৰ্থনীতিৰ অৰ্থ সম্বন্ধে জ্ঞাত হোৱা প্ৰয়োজন।

### শিক্ষাৰ অৰ্থ (Meaning of Education) :

শিক্ষা হ'ল জীৱনজোৰা প্ৰক্ৰিয়া। শিশু এটা মাতৃগৰ্ভত স্থিতি লাভ কৰাৰ পৰা মৃত্যুৰ আগমুহূৰ্তলৈকে ই চলি থাকে। শিক্ষা এটা বিন্দুত আৰম্ভ হৈ এক নিৰ্দিষ্ট বিন্দুত শেষ হয়। শিক্ষা এক গতিশীল প্ৰক্ৰিয়া। শিক্ষাৰ দুটা অৰ্থ পোৱা যায়। এটা হ'ল সংকীৰ্ণ অৰ্থ আৰু আনটো হ'ল বহল অৰ্থ। সংকীৰ্ণ অৰ্থত শিক্ষা হ'ল এক পৰিকল্পিত, সংগঠিত আৰু আনুষ্ঠানিক প্ৰক্ৰিয়া। অৰ্থাৎ শিক্ষানুষ্ঠানৰ চাৰিবেৰৰ মাজত থাকি লাভ কৰা শিক্ষা। আকৌ বহল অৰ্থত শিক্ষা হ'ল এক জীৱনজোৰা প্ৰক্ৰিয়া যাক জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ পৰা আহৰণ কৰিব পাৰি। শিক্ষাই সমগ্ৰ জীৱন জুৰি প্ৰক্ৰিয়া

আৰু উৎপাদন সামগ্ৰী হিচাপে কাম কৰি থাকে। শিক্ষাই মানৱ মনৰ জ্ঞান, বুদ্ধিৰ বিকাশ আৰু যথা স্থানত তাৰ প্ৰয়োগত সহায় কৰে। 'শিক্ষা' শব্দৰ ইংৰাজী প্ৰতিশব্দ 'Education' শব্দটো লেটিন ভাষাৰ বহুকেইটা শব্দ যেনে — Educare, 'E' আৰু 'Duco', 'Educere' আৰু 'Educatum'ৰ পৰা উৎপত্তি হৈছে। প্ৰতিটো শব্দই একে বৈশিষ্ট্যপূৰ্ণ অৰ্থ প্ৰকাশ কৰে। মুঠতে শিক্ষাই ব্যক্তিৰ অন্তৰ্নিহিত শক্তি বা গুণসমূহক বাহিৰ কৰি আইন বা সেইসমূহক লালন-পালন কৰি বিকশিত কৰে।

শিক্ষাৰ অৰ্থ অধিক স্পষ্ট হ'বৰ বাবে কেইটামান সংজ্ঞা তলত উল্লেখ কৰা হ'ল —

স্বামী বিবেকানন্দ (Swami Vivekananda)ৰ মতে, 'মানুহৰ অন্তৰ্নিহিত পূৰ্ণতাৰ প্ৰস্ফুটিকৰণেই হ'ল শিক্ষা' (Education is the manifestation of perfection already on man)

চাৰ পাৰ্চী নান (Percy Nunn)ৰ মতে, 'শিশুৰ নিজৰ সম্ভৱপৰ উৎকৃষ্ট সামৰ্থ্যৰে মানৱ জীৱনলৈ এক অভিনৱ অৱদান আগ বঢ়াবৰ বাবে তেওঁৰ স্বকীয়তাৰ সম্পূৰ্ণ বিকাশ সাধনেই হ'ল শিক্ষা।' (Education is the complete development of individuality of the child so that he can make an original contribution to human life according to the best of his capacity)

আলফ্ৰেড নবেল হোৱাটহেড (A. N. Whitehead)ৰ মতে, 'শিক্ষা হ'ল জ্ঞানৰ প্ৰয়োগ কৌশল আয়ত্তকৰণৰ কলা।' (Education is the acquisition of the art of utilization of knowledge)

বব্ টেফ্‌ট (Bob Taft)ৰ মতে, 'এক গতিশীল অৰ্থনীতি শিক্ষাৰ দ্বাৰাহে সম্ভৱ হয়।' (A dynamic economy begins with a good education)

অমৰ্ত্য সেন (Amarty Sen)ৰ ভাষাত, 'মুদ্ৰা বা টকা-পইচাৰ অভাৱৰ বাবে দৰিদ্ৰতা নাহে। ই আহে মানৱৰ সম্পূৰ্ণ সম্ভাৱনীয়তাক বুজিবৰ অসমৰ্থতাৰ বাবেহে।' (Poverty is not just a lack of money, it is not having the capability to realise one's full potential as a human being)

ওপৰত উল্লিখিত সংজ্ঞাসমূহৰ পৰা এটা সত্যত উপনীত হ'ব পৰা যায় যে শিক্ষাই মানৱৰ সৰ্বতো প্ৰকাৰৰ বিকাশ সাধনেৰে দেশৰ উন্নতিৰ বাবে দক্ষ, কৌশলী মানৱ সম্পদ হিচাপে গঢ়ি তোলে।

**অৰ্থনীতিৰ অৰ্থ (Meaning of Economics) :**

ব্যুৎপত্তিগত দিশেৰে আলোচনা কৰিলে পোৱা যায় 'অৰ্থনীতি' শব্দৰ ইংৰাজী প্ৰতিশব্দ 'Economics' গ্ৰীক ভাষাৰ দুটা শব্দ 'Oikos' আৰু 'nemein'ৰ পৰা উৎপত্তি হৈছে। ইয়াৰে 'Oikos' শব্দৰ অৰ্থ হ'ল গৃহ সম্বন্ধীয় (Household) আৰু nemein শব্দৰ অৰ্থ হ'ল ব্যৱস্থাপনা (Management)। অৰ্থাৎ Oikonemia মানে হ'ল গহ সম্বন্ধীয় ব্যৱস্থাপনা (Household Management)। গতিকে ক'ব পাৰি যে অৰ্থনীতি মানে হ'ল গৃহ সম্বন্ধীয় ব্যৱস্থাপনা। শব্দগত অৰ্থৰ উপৰি ভিন্ন সময়ত বিভিন্নজন অৰ্থনীতিবিদে অৰ্থনীতিক বিভিন্ন ধৰণে ব্যাখ্যা কৰিছে। তলত কেইটামান সংজ্ঞা উল্লেখ কৰা হ'ল।

অৰ্থনীতি বিজ্ঞানৰ পিতৃস্বৰূপ আদাম স্মিথ (Adam Smith)ৰ মতে, 'অৰ্থনীতি হ'ল সম্পদৰ বিজ্ঞান' (Economics is the science of wealth)

লাইঅ'নেল ৰবিনচ্ (Lionel Robbins)ৰ মতে, 'অৰ্থনীতি হ'ল এক বিজ্ঞান যি হৈছে মানৱ আচৰণক প্ৰাপ্তি আৰু দুষ্প্ৰাপ্য উপায়ৰ মাজৰ সম্বন্ধ যাৰ বিকল্প উপায় থাকে' (Economics is the science which studies human behaviour as a relationship between ends and scarce means which have altemative uses)।

প'ল চেমুৱেলচন (Paul Semuelson)ৰ মতে, 'অৰ্থনীতি এনে এটা বিষয় য'ত মুদ্ৰাৰ সহায়ত বা মুদ্ৰা নোলোৱাকৈও মানুহ আৰু সমাজে বিকল্প ব্যৱহাৰযুক্ত দুষ্প্ৰাপ্য উৎপাদনশীল সম্পদসমূহ বিভিন্ন মানুহ বা সামাজিক গোটৰ বৰ্তমান আৰু ভৱিষ্যতৰ উপভোগৰ প্ৰয়োজনৰ খাতিৰত বিভিন্ন সেৱা আৰু সামগ্ৰীৰ উৎপাদনশীল সম্পদসমূহ বিভিন্ন মানুহ বা সামাজিক গোটৰ বৰ্তমান আৰু ভৱিষ্যতৰ উপভোগৰ প্ৰয়োজনৰ খাতিৰত বিভিন্ন সেৱা আৰু সামগ্ৰীৰ উৎপাদনৰ মাজত কেনেদৰে বিতৰণৰ বাবে বাছনি কৰে তাৰ অধ্যয়ন। (Economics is the study of how men and society choose, with or without the use of money, to employ scarce productive resources which could have alternative uses, to produce various commodities overtime and distribute item for consumption now and in the future among various people and groups of society)।

আলফ্ৰেড মাৰ্শ্বাল (Alfres Marshall)ৰ মতে, 'অৰ্থনীতিয়ে ব্যক্তিগত আৰু সামাজিক কাৰ্যাৱলীৰ সেই অংশটো পৰীক্ষা কৰে, যিটো অংশ বস্তুগত কল্যাণ সাধন আৰু ইয়াৰ ব্যৱহাৰৰ লগত ঘনিষ্ঠভাৱে জড়িত। সেয়ে এহাতে ই সম্পদৰ অধ্যয়ন আৰু অন্যহাতেদি ই মানুহৰ কাৰ্যাৱলীৰ অংশ বিশেষৰ অধ্যয়ন (Economic examines that part of social and individual action which is most closely connected with the attainment and with the use of material requisties of well-being. Thus it is one side, a study of wealth and on the other and more important side, a part of the study of man)।

অৰ্থাৎ আমি ক'ব পাৰো যে, অৰ্থনীতি হ'ল এক বিজ্ঞান যিয়ে মানৱ কল্যাণৰ লগত সকলো দিশৰ অধ্যয়ন কৰে। অৰ্থনীতি হ'ল অভাৱৰ বিজ্ঞান যাক কোৱা হয় আমাৰ অভাৱ অসীম কিন্তু অভাৱ মোচনৰ বাবে প্ৰয়োজনীয় সম্পদ সসীম।

আমি জানো যে দৰ্শন, সমাজশাস্ত্ৰ আৰু মনোবিজ্ঞানক শিক্ষাৰ ভেটি বুলি কোৱা হয়। ঠিক একেদৰেই অৰ্থনীতিয়েও শিক্ষাৰ ভেটি গঢ়াত সহায় কৰে। অৰ্থাৎ শিক্ষা আৰু অৰ্থনীতিৰ মাজতো নিবিড় সম্বন্ধ আছে। তলত সেই সম্বন্ধৰ বিষয়ে উল্লেখ কৰা হ'ল—

১। শিক্ষাৰ কেতবোৰ প্ৰধান লক্ষ্য অৰ্থনীতিয়ে নিৰ্ধাৰণ কৰে।

২। এখন দেশৰ শিক্ষাৰ বিকাশৰ ওপৰত দেশৰ অৰ্থনৈতিক বৃদ্ধি নিৰ্ভৰ কৰে। অৰ্থাৎ অৰ্থনীতিত শিক্ষাৰ গুৰুত্ব তাৎপৰ্যপূৰ্ণ।

৩। শিক্ষা নিজেই অৰ্থনৈতিক দিশত এক বিনিয়োগ।

৪। শিক্ষাই কৌশলী শ্ৰমিক প্ৰস্তুত কৰে আৰু কৰ্ম তথা বিকাশৰ প্ৰতি সঠিক মনোভাৱ গঢ়ি তুলি দৰিদ্ৰতা বিমোচন কৰাত সহায় কৰে। ই উন্নত জীৱন-যাপনৰ বাবে সচেতনতা সৃষ্টি কৰে।

৫। শিক্ষাই মজুৰিৰ কাঠামো, বৃত্তিগত মূল্যৰ ধাৰণা নিৰ্ধাৰণ কৰে আৰু মানুহৰ অৰ্থনৈতিক সুৰক্ষা নিশ্চিত কৰে।

৬। কেৱল সামাজিক, নৈতিক, সাংস্কৃতিক আৰু আধ্যাত্মিক লক্ষ্য পূৰণৰে মানুহৰ সম্পূৰ্ণ বিকাশ নহয়। সেয়ে শিক্ষাৰ এটা গুৰুত্বপূৰ্ণ লক্ষ্য হ'ল এক উপাৰ্জনক্ষম জীৱন আৰু এক উত্তম অৰ্থনৈতিক জীৱন যাত্ৰাৰ বাবে সক্ষম কৰি তোলা।

মুঠতে শিক্ষা আৰু অৰ্থনীতিৰ সম্বন্ধ একেটা মুদ্ৰাৰ দুটা পিঠি সদৃশ। দুয়োটাৰ মাজৰ সম্বন্ধই শিক্ষাৰ অৰ্থনীতিৰ ধাৰণা স্পষ্ট কৰে। অৰ্থনীতি শিক্ষাৰ লক্ষ্যৰ এটা গুৰুত্বপূৰ্ণ নিৰ্ধাৰক।

শিক্ষা আৰু অৰ্থনীতিৰ মাজৰ সম্বন্ধৰ ফলস্বৰূপে শিক্ষাৰ অৰ্থনীতি (Economics of Education) নামৰ বিষয় এটাৰ বিকাশ হৈছে। শিক্ষাৰ অৰ্থনীতিৰ বিভিন্ন দিশৰ অধ্যয়নেও শিক্ষা আৰু অৰ্থনীতিৰ মাজৰ সম্বন্ধক অধিক স্পষ্ট ৰূপত প্ৰতিফলিত কৰিব।

শিক্ষাৰ অৰ্থনীতি তুলনামূলক বিদ্যায়তনিক বা শৈক্ষিক শাখাৰ এক নতুন ক্ষেত্ৰত। বিংশ শতিকাৰ মাজভাগত শিক্ষাৰ অৰ্থনীতিৰ পদ্ধতিগত অধ্যয়নৰ গুৰুত্ব উপলব্ধি কৰা হৈছিল। শিক্ষাৰ অৰ্থনীতিৰ বিষয়বস্তু অৰ্থনীতিবিদ আৰু শিক্ষাবিদ উভয়ৰ লগতেই সম্পৰ্কিত। দেশীয় অৰ্থনৈতিক ব্যৱস্থা, অৰ্থনৈতিক বৃদ্ধি আৰু বিকাশৰ ওপৰত ভিত্তি কৰি দেশভেদে শিক্ষাৰ অৰ্থনৈতিক দিশবোৰো পৃথক হয়। উদাহৰণস্বৰূপে, উন্নত দেশবোৰে উন্নয়নশীল দেশতকৈ শিক্ষাত বেছিকৈ বিনিয়োগ কৰে। অৰ্থনৈতিক বৃদ্ধি আৰু শৈক্ষিক বিকাশৰ সম্বন্ধ সকলো দেশতে ইতিবাচক হয়। গতিকে 'শিক্ষাৰ অৰ্থনীতি' অধ্যয়নৰ এক গতিশীল আৰু বিশেষ ক্ষেত্ৰ হিচাপে পৰিগণিত হৈ পৰিছে।

## শিক্ষাৰ অৰ্থনীতিৰ অৰ্থ (Meaning of Economics of Education) :

শিক্ষাৰ অৰ্থনীতি অধ্যয়নৰ এক নতুন আৰু পৃথক শাখা য'ত শিক্ষা আৰু অৰ্থনীতিৰ দিশবোৰৰ কাৰণ আৰু প্ৰভাৱৰ সম্বন্ধ প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰা হয়। অৰ্থাৎ শিক্ষা আৰু অৰ্থনীতি বিষয় দুটাৰ বিভিন্ন উমৈহতীয়া ধাৰণাৰ সংমিশ্ৰণত 'শিক্ষাৰ অৰ্থনীতি' বিষয়টো গঢ় লৈ উঠিছে। ই হ'ল অধ্যয়নৰ এক বিশেষ শাখা যিয়ে অৰ্থনীতিৰ নীতি, তত্ত্ব আৰু যুক্তিবোৰ শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োগ কৰে। শিক্ষাৰ বিচাৰ্য বিষয়বোৰ বৰ্ণনা কৰাৰ ক্ষেত্ৰত শিক্ষাৰ অৰ্থনীতিয়ে যৌক্তিক সিদ্ধান্ত গ্ৰহণৰ প্ৰয়োজনীয়তা আৰু শৈক্ষিক বিনিয়োগৰ উপায় হিচাপে কাৰ্য সম্পন্ন কৰে।

শিক্ষা হৈছে এক অবস্তুগত সম্পদ যিয়ে ব্যক্তি আৰু সম্প্ৰদায়ৰ শৈক্ষিক প্ৰয়োজনবোৰ পূৰণৰ লক্ষ্য ৰাখে। এই লক্ষ্য পুৰণৰ বাবে শৈক্ষিক সম্পদসমূহৰ সৰ্বোৎকৃষ্ট ৰূপত প্ৰয়োগৰ প্ৰয়োজন। এই প্ৰয়োগৰ ক্ষেত্ৰত ব্যৱহৃত যুক্তি, আহিলা আৰু কৌশলসমূহ শিক্ষাৰ অৰ্থনীতিৰ বিবেচ্য বিষয়। অৰ্থাৎ শিক্ষাৰ অৰ্থনীতি হ'ল এক বিজ্ঞান যিয়ে শৈক্ষিক লক্ষ্য প্ৰাপ্তিৰ বাবে শৈক্ষিক সম্পদসমূহৰ বিতৰণ কৰে। শিক্ষাৰ সৰ্বোত্তম লক্ষ্য প্ৰাপ্তিৰ বাবে দুৰ্লভ শৈক্ষিক সম্পদবোৰৰ যৌক্তিকতাৰ ক্ষেত্ৰত শিক্ষাৰ অৰ্থনীতিয়ে কৰ্ম সম্পাদন কৰে। শৈক্ষিক দৃষ্টিভংগীৰে শিক্ষাৰ অৰ্থনীতিয়ে তলত উল্লেখ কৰা প্ৰশ্নবোৰৰ উত্তৰ প্ৰদানৰ প্ৰয়াস কৰে।

(ক) শিক্ষাত অৰ্থ কিয় লাগে?
(খ) ব্যক্তিৰ কৰ্তৃত্ব থকা শিক্ষাৰ কোনবোৰ উপাদান অৰ্থনৈতিক বিকাশৰ দৃষ্টিভংগীৰে গ্ৰহণযোগ্য?
(গ) শিক্ষাৰ ব্যয় কোনে বহন কৰিব?
(ঘ) বিভিন্ন আৰ্থ-সামাজিক কাৰকবোৰৰ প্ৰসংগ অবিহনে মূল উপভোক্তাৰ নীতিশিক্ষাৰ ব্যয় নিৰ্ধাৰণত ব্যৱহাৰ কৰা উচিতনে?
(ঙ) এখন উন্নয়নশীল দেশত শিক্ষাৰ আৱণ্টনত কিহে প্ৰভাৱ বিস্তাৰ কৰে?
(চ) শৈক্ষিক বিনিয়োগ আৰু অৰ্থনৈতিক বৃদ্ধিৰ মাপৰ প্ৰতীকী সম্পৰ্ক কি?
(ছ) শৈক্ষিক বিনিয়োগত অৰ্থনৈতিক দক্ষতা কিহে নিৰ্ধাৰণ কৰে?

শিক্ষাৰ অৰ্থনীতিয়ে উপৰোক্ত প্ৰশ্নবোৰৰ যুক্তিসংগত আৰু প্ৰত্যয়জনক উত্তৰ প্ৰদান কৰে যিয়ে সিদ্ধান্ত গ্ৰহণকাৰীক শিক্ষাত যৌক্তিক বিনিয়োগকাৰী হিচাপে সিদ্ধান্ত গ্ৰহণত সহায় কৰে।

শিক্ষাৰ অৰ্থনীতিয়ে বিভিন্ন ক্ষেত্ৰ সামৰি লয়। যেনে — শিক্ষাৰ অৰ্থব্যৱস্থা, শৈক্ষিক ব্যয়, মানৱ শক্তি পৰিকল্পনা, মানৱ মূলধন আৰু বিকাশ, শৈক্ষিক বিনিয়োগ, ব্যয় লাভালাভৰ বিশ্লেষণ, প্ৰতিদানৰ হাৰ, শিক্ষাত ফলপ্ৰসূতা ইত্যাদি। ইয়াৰ উপৰি শিক্ষাৰ অৰ্থনীতিয়ে বহল পৰিসৰৰ তিনিটা ক্ষেত্ৰক সামৰি লয়। সেইকেইটা হ'ল — (ক) শিক্ষা-উন্নয়নৰ সম্বন্ধ (Education-Development Relationship), (খ) শিক্ষা-উৎপাদন কাৰ্য (Education-Production function) আৰু (গ) শিক্ষাৰ বিত্ত ব্যৱস্থাপনা (Financing of Education)।

শিক্ষা-উন্নয়ন সম্বন্ধৰ অধ্যয়নে উন্নয়ন বা বিকাশত শিক্ষাৰ বৰঙণি আৰু শিক্ষাৰ ওপৰত উন্নয়নৰ প্ৰভাৱ — এই দুয়োটা দিশৰ বিশ্লেষণ আগবঢ়ায়। শিক্ষা-উৎপাদন কাৰ্যই শিক্ষাত আভ্যন্তৰীণ ফলপ্ৰসূতাৰ বিভিন্ন দিশবোৰ বিশ্লেষণ কৰে। শিক্ষাৰ-বিত্তীয় যোগান দিশটোৱে সম্পদ আৱণ্টনৰ নীতি, সম্পদৰ কাৰ্যকৰীকৰণ, ৰাজহুৱা বনাম ব্যক্তিগত বিত্ত, শিক্ষাত ঘৰুৱা বিনিয়োগ, শিক্ষাৰ ব্যয় আদিক সামৰি লয়। গতিকে ক'ব পাৰি যে, শিক্ষাৰ অৰ্থনীতি হ'ল অৰ্থনীতিৰ এক বিশেষীকৃত শাখা আৰু শৈক্ষিক অধ্যয়নৰ এক পৃথক ক্ষেত্ৰ।

শিক্ষাৰ অৰ্থনীতিৰ সংজ্ঞা প্ৰদান কৰি বাবালোলা (Babalola)ই মত প্ৰকাশ কৰিছিল যে, 'শিক্ষাৰ অৰ্থনীতিয়ে বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা সময়ছোৱাত ল'ব লগা সিদ্ধান্ত, কাৰ্যকলাপ তথা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ দিশত শিক্ষাৰ্থীৰ আচৰণ সম্বন্ধে অধ্যয়ন কৰে' (Economics of Education studies human behaviour in terms of decisions, actions and reactions about schooling)। এক বিশেষ, স্তৰৰ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বিনিয়োগ (Investment) আৰু ব্যয় (Cost) সন্দৰ্ভত এগৰাকী শিক্ষাৰ্থীয়ে কেনে সিদ্ধান্ত গ্ৰহণ কৰে সেই বিষয়ে শিক্ষা অৰ্থনীতিয়ে বিশ্লেষণ আগবঢ়ায়। শিক্ষাৰ অৰ্থনীতিয়ে শ্ৰম অৰ্থনীতি, কল্যাণমূলক অৰ্থনীতি, ৰাজহুৱা খণ্ডৰ অৰ্থনীতি বৃদ্ধি তত্ত্ব আৰু উন্নয়নমূলক অৰ্থনীতিৰ সাধাৰণ বা প্ৰাথমিক ধাৰণাক অধ্যয়ন কৰে। শিক্ষাত ব্যাপক ৰাজহুৱা বিনিয়োগৰ সপক্ষে মত পোষণ কৰি অৰ্থনীতিবিদ মাৰ্শ্বাল, জন ষ্টুৱাৰ্ট মিল, আদাম স্মিথ আদিয়ে শিক্ষা আৰু উন্নয়নৰ সম্পৰ্কে আলোচনা কৰিছিল। গতিকে ১৯৫০ দশকৰ পৰা অৰ্থনীতিবিদসকলে শিক্ষা আৰু অৰ্থনৈতিক বৃদ্ধি, শিক্ষা আৰু আয় বিতৰণ আৰু শিক্ষাৰ বিত্তীয় ব্যৱস্থাপনাৰ মাজৰ সম্বন্ধৰ বিষয়ে গভীৰ মনোযোগ দিছিল। শিক্ষাৰ অৰ্থনীতিক বুজিবলৈ এইখিনিতে এটা উদাহৰণ ল'ব পৰা যায়। ধৰা হওক মিঃ শিক্ষা (Mr. Education) আৰু মিছ অৰ্থনীতি (Miss Economic) য়ে বিবাহ পাশত আবদ্ধ হ'ল। মিছ অৰ্থনীতিয়ে তেখেতৰ নিজা পৰিচয় থকাৰ লগতে মিঃ শিক্ষাৰ পৰিচয়ো বহন কৰিব। দুয়ো তেনেদৰেই এক হৈ পৰিব আৰু ফলস্বৰূপে পৰিচিত হ'ব শিক্ষাৰ অৰ্থনীতি (Economics of Education) স্বৰূপে। 'শিক্ষাৰ অৰ্থনীতি' শব্দটো প্ৰথম ব্যৱহাৰ কৰিছিল Schultzয়ে ১৯৬০ চনত আমেৰিকাৰ অৰ্থনৈতিক সংস্থাত দিয়া এক ভাষণত। তাৰ পাছত ১৯৬৫ চনত 'The World Year Book on Education'ত শিক্ষাৰ অৰ্থনীতিৰ ওপৰত এটা প্ৰবন্ধ প্ৰকাশিত হৈছিল।

শিক্ষাৰ অৰ্থনীতিৰ অৰ্থ, ধাৰণা আদি ফঁহিয়াই চালে কেতবোৰ প্ৰকৃতি (nature) দেখিবলৈ পোৱা যায়। সেই প্ৰকৃতিসমূহ তলত আলোচনা কৰা হ'ল —

**১) বিজ্ঞানসম্মত বিভাগ (Scientific Discipline) :** শিক্ষাৰ অৰ্থনীতিৰ এক অন্যতম লক্ষ্য হ'ল শৈক্ষিক উদ্দেশ্যত উপনীত হ'বৰ বাবে শৈক্ষিক সম্পদত, আহিলা আৰু কৌশলসমূহৰ সৰ্বোৎকৃষ্ট প্ৰয়োগ সম্ভৱ কৰি তোলা। সেয়ে এক বিজ্ঞানস্বৰূপে শিক্ষাৰ অৰ্থনীতিয়ে শৈক্ষিক সম্পদবোৰ বিতৰণ কৰে। শিক্ষাৰ লক্ষ্যপ্ৰাপ্তিৰ বাবে শিক্ষাৰ অৰ্থনীতিয়ে বিজ্ঞানসম্মত বিভাগ হিচাপে দায়িত্ব পালন কৰে।

**২) প্ৰায়োগিক বিষয় (Applied Subject) :** শিক্ষাৰ অৰ্থনীতিয়ে শিক্ষাৰ ক্ষেত্ৰত অৰ্থনীতিৰ তত্ত্ব আৰু নীতিসমূহ প্ৰয়োগ কৰে। শিক্ষাৰ অৰ্থনীতিৰ মূল কাৰ্য হ'ল, শৈক্ষিক উদ্দেশ্যত উপনীত হ'বৰ বাবে সম্পদ আৱণ্টন আৰু বিতৰণৰ বিচাৰ্য বিষয়বোৰ বিশ্লেষণ কৰা।

**৩) শিক্ষাৰ নব্য আৰু সমসাময়িক শাখা (New and Emerging Branch of Education):** শিক্ষাৰ অৰ্থনীতি হ'ল শিক্ষাৰ নব্য আৰু সমসাময়িক শাখা। বিংশ শতিকাৰ মাজভাগৰ পৰা এক অধ্যয়নৰ বিষয়স্বৰূপে শিক্ষাৰ অৰ্থনীতিয়ে বিকাশ লাভ কৰিছে। সাম্প্ৰতিক সময়ত এই শাখাৰ প্ৰয়োজনীয়তা অধিক হৈ পৰিছে।

**৪) গতিশীল বিষয়বস্তু (Dynamic Subject matter) :** শিক্ষাৰ অৰ্থনীতিৰ বিষয়বস্তু অতি গতিশীল। এই শাখাত অধ্যয়নৰ বিষয়বস্তু হিচাপে নতুন নতুন ধাৰণাৰ সন্নিবিষ্ট কৰা হৈছে। ইয়ে এই বিষয়ৰ গৱেষণাৰ সম্প্ৰসাৰণত উৎসাহ যোগাইছে।

**৫) জ্ঞানৰ পদ্ধতিগত ৰূপ (Systematic body of Knowledge) :** শিক্ষাৰ অৰ্থনীতি হ'ল জ্ঞানৰ এক পদ্ধতিগত ৰূপ। শিক্ষাৰ অৰ্থনৈতিক দিশৰ স্বতস্ফূৰ্ত স্বীকাৰ্যৰ বিপৰীতে ই হৈছে অৰ্থনীতিৰ ব্যাপক গৱেষণাৰ ফলশ্ৰুতিত উদ্ভৱ এক উপজাত দ্ৰব্য।

**৬) পদ্ধতিগতভাৱে ই আন্তঃবিভাগযুক্ত (Interdisciplinary in nature) :** শিক্ষাৰ অৰ্থনীতিৰ প্ৰকৃতি আন্তঃবিভাগযুক্ত। শিক্ষাৰ অৰ্থনীতিৰ অধ্যয়নৰ বিষয়বস্তুসমূহ হ'ল শিক্ষা, অৰ্থনীতি, গণিত, চৰকাৰী ব্যৱস্থা, ব্যৱস্থাপনা ইত্যাদি। গতিকে ক'ব পাৰি যে, শিক্ষাৰ অৰ্থনীতিৰ বিষয়সমূহ আন্তঃসম্পৰ্কযুক্ত।

মুঠতে শিক্ষাৰ অৰ্থনীতি বৰ্তমান এক পৃথক আৰু স্বয়ং বিভাগ হিচাপে নিজস্ব পৰিচয়েৰে জনাজাত হৈ পৰিছে।

## শিক্ষাৰ অৰ্থনীতিৰ উদ্দেশ্যসমূহ (Objectives of Economics of Education)

শিক্ষাৰ বহুতো উদ্দেশ্য আছে। যেনে — দৈহিক বিকাশ, সামাজিক বিকাশ, মনোবৈজ্ঞানিক বিকাশ, বৌদ্ধিক বিকাশ, অৰ্থনৈতিক বিকাশ ইত্যাদি। শিক্ষাই জ্ঞান, কৌশল আৰু মূল্যবোধ প্ৰদান কৰে। শিক্ষাৰ ফলত গুণগত আৰু পৰিমাণগত দুই ধৰণৰ ফল পোৱা যায়। শিক্ষাৰ অৰ্থনীতিয়ে শিক্ষাৰ পৰিমাণগত ফল লাভত সহায় কৰে। সেয়েহে ইয়াৰ উদ্দেশ্যসমূহ শিক্ষাৰ প্ৰধান উদ্দেশ্যসমূহতকৈ কিছু পৃথক। তলত শিক্ষাৰ অৰ্থনীতিৰ উদ্দেশ্যসমূহ উল্লেখ কৰা হ'ল।

১। শিক্ষাৰ সকলো স্তৰৰ বিত্তীয় সাহায্যৰ অধ্যয়ন, জাতীয় লক্ষ্যত উপনীত হোৱাত নিশ্চিতকৰণ আৰু জাতীয় অৰ্থনীতিৰ বিকাশ সাধন।

২। শিক্ষাৰ বিভিন্ন স্তৰ বা পৰ্যায়ত অনুদান বা অৰ্থৰ বিতৰণৰ ক্ষেত্ৰত নীতি-নিৰ্দেশনা প্ৰস্তুত কৰা যাতে এই ক্ষেত্ৰত নিৰ্ভৰযোগ্যতা আৰু বিশ্বাস অটুট থাকে।

৩। শিক্ষাৰ মানদণ্ড উন্নতকৰণ আৰু শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে সম্পূৰ্ণ সম্পদৰ বিকাশ সাধন।

৪। শিক্ষাৰ সকলো স্তৰৰ বাবে ধাৰ্য কৰা অনুদান বা অৰ্থৰ পৰ্যাপ্ত পৰিমাণৰ ব্যৱহাৰৰ যোগ্যতা নিৰ্ধাৰণ।

৫। শিক্ষাত বিত্তীয় সাহায্য প্ৰদানৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, স্থানীয় সংস্থা আৰু স্থানীয় সম্প্ৰদায় বা গোটৰ ভূমিকা সম্পৰ্কে নিশ্চিত কৰা।

৬। অৰ্থনৈতিক বৃদ্ধি আৰু উন্নয়নৰ প্ৰসংগত শিক্ষাৰ ব্যৱস্থাপনা আৰু পৰিকল্পনা গঠন কৰা।

৭। শিক্ষাৰ সামাজিক আৰু জাতীয় চাহিদা অন্বেষণ কৰা আৰু শিক্ষাৰ যোগানৰ ক্ষেত্ৰত উপযুক্ত প্ৰকল্প গঠনৰ পৰামৰ্শ প্ৰদান কৰা।

৮। শিক্ষা ব্যৱস্থা, শিক্ষানুষ্ঠান আৰু শৈক্ষিক কাৰ্যসূচীৰ লগতে শিক্ষাত অভিনৱত্বৰ আয়-ব্যয় বিশ্লেষণ নিশ্চিত কৰা।

৯। ভাৰতীয় অৰ্থনৈতিক সংস্থাই শিক্ষাৰ উদ্দেশ্যৰ ক্ষেত্ৰত অনুমোদন জনোৱা 'তমসো মা জ্যোতিৰ্গময়'ৰ গ্ৰহণ কৰা।

১০। শিক্ষাৰ অৰ্থনীতিৰ এটা প্ৰধান উদ্দেশ্য হ'ল, ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ সহজাত সামৰ্থ্যৰ সৰ্বোৎকৃষ্ট ব্যৱহাৰক উৎপাদনশীল কৰি তোলাটো।

## শিক্ষাৰ অৰ্থনীতিৰ পৰিসৰ (Scope of Economics of Education) :

কোনো বিষয়ৰ পৰিসৰ মানে হ'ল সেই বিষয়টোৰ দীঘ আৰু প্ৰস্থ অৰ্থাৎ বিষয়টোৱে কিমানখিনি সাঙুৰি থাকে। শিক্ষাৰ অৰ্থনীতিৰ পৰিসৰ মানে হ'ল শিক্ষাৰ অৰ্থনীতিৰ ভিতৰত কিমানখিনি বিষয়বস্তু সন্নিবিষ্ট হৈ আছে। শিক্ষাৰ অৰ্থনীতিৰ পৰিসৰ ব্যাপক আৰু গতিশীল। ইয়াৰ বিষয়বস্তুসমূহ শিক্ষা আৰু অৰ্থনীতি বিভাগৰ পৰা অনা হৈছে। প্ৰাথমিকভাৱে শিক্ষাৰ অৰ্থনীতিৰ অন্তৰ্গত অধ্যয়নৰ বিষয়বোৰ হ'ল — শিক্ষালৈ ৰাজহুৱা আৰু সামাজিক প্ৰতিদানৰ হাৰ, মানৱ মূলধনৰ গঠন, শিক্ষা আৰু অৰ্থনৈতিক উন্নয়নৰ মাজৰ সম্বন্ধ, শৈক্ষিক ব্যয় আৰু লাভালাভ, শৈক্ষিক পৰিকল্পনা, শিক্ষাৰ কাৰ্যদক্ষতা, শিক্ষাৰ ব্যয়ৰ প্ৰভাৱশীলতা, শিক্ষা আৰু সমতা ইত্যাদি। শিক্ষাৰ অৰ্থনীতিত অন্তৰ্ভুক্ত হোৱা এই সমূহ অতিকে প্ৰয়োজনীয় ক্ষেত্ৰ।

হানচন (Hanson)ৰ মতে, শিক্ষাৰ অৰ্থনীতিৰ বিষয়বস্তুসমূহক মুঠতে সাতটা শ্ৰেণীত ভাগ কৰিব পাৰি। সেইকেইটা হ'ল —

(i) মানৱ মূলধন গঠন (Human capital formation)

(ii) অৰ্থনৈতিক বৃদ্ধিত শিক্ষাৰ অৱদান (Education's contribution to economic growth)

(iii) উপাৰ্জনত শিক্ষাৰ প্ৰভাৱ (Impact of education on earning)

(iv) শিক্ষাৰ অৰ্থনীতিৰ ঐতিহাসিক বিশ্লেষণ (Historical analysis of economics of education)

(v) শিক্ষা আৰু উপাৰ্জনৰ মাজৰ সম্বন্ধ (Relationship between education and earning)

(vi) শিক্ষাৰ বিত্তীয় ব্যৱস্থাপনা আৰু বাজেটৰ কাৰ্য (Programme budgetting and financing of education)

(vii) সুযোগ হিচাপে শিক্ষাৰ দক্ষতা আৰু সাম্যতা (Efficiency and equality of education as opportunity)

উপৰোক্ত ক্ষেত্ৰসমূহক বিবেচনা কৰি শিক্ষাৰ অৰ্থনীতিৰ পৰিসৰত নিম্নলিখিত ধৰণে বিস্তৃতভাৱে আলোচনা কৰিব পাৰি।

**(১) শৈক্ষিক ব্যয় (Educational Cost) :** শিক্ষাৰ অৰ্থনীতিৰ অধ্যয়নৰ এক প্ৰধান ক্ষেত্ৰ হৈছে শৈক্ষিক ব্যয়। শিক্ষাৰ গুণগত মান প্ৰচুৰভাৱে প্ৰভাৱিত শিক্ষাৰ এক বিশেষ স্তৰত কৰা ব্যয়ৰ দ্বাৰা। বাবাল'লা (Babalola) ই তেখেতৰ সংজ্ঞাত কৈছে যে 'শৈক্ষিক ব্যয় হ'ল এজন শিক্ষাৰ্থী, এখন প্ৰতিষ্ঠান বা চৰকাৰে এজন ব্যক্তি বা এটা ব্যক্তিদলৰ শিক্ষাৰ বাবে কিমান খৰচ কৰিব তাৰ পৰিমাপকৰণ।' (Educational cost as a measure of what a student, an institution or the government has to give up in order to educating an individual or a group of peoples)।

শৈক্ষিক ব্যয় হ'ল মুদ্ৰাগত আৰু অমুদ্ৰাগত মূল্য যাক কোনো এজন ব্যক্তি বা এটা দলৰ শিক্ষাৰ প্ৰক্ৰিয়াত ব্যৱহাৰ কৰা হয়। শৈক্ষিক ব্যয় আৰু ইয়াৰ বৰ্গীকৰণৰ আলোচনা অবিহনে শিক্ষাৰ অৰ্থনীতিৰ বিষয়বস্তু অসম্পূৰ্ণ হৈ ৰ'ব।

**(২) শিক্ষাৰ তহবিল বা বিত্তীয় স্বৰূপ বা আৰ্হি (Funding Pattern of Education):** শিক্ষাৰ বিভিন্ন স্তৰৰ বিত্তীয় আৰ্হি হ'ল শিক্ষা অৰ্থনীতিৰ আন এক প্ৰধান অধ্যয়নৰ ক্ষেত্ৰ। শিক্ষাৰ ভাৰসাম্য বৃদ্ধি স্বাস্থ্যকৰ শৈক্ষিক বিত্তৰ ওপৰত অতিকৈ নিৰ্ভৰশীল। শিক্ষাৰ অৰ্থনীতিয়ে শিক্ষাত বিত্তীয় ব্যৱস্থাৰ কাৰ্যকৰী উপায়সমূহৰ পৰামৰ্শ আগবঢ়ায়।

**(৩) শৈক্ষিক পৰিকল্পনা (Educational Planning) :** সমাজৰ আৰু শিক্ষাৰ্থীসকলৰ প্ৰয়োজনীয়তা আৰু উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাক উপযোগী আৰু কাৰ্যকৰী কৰি তুলিবৰ বাবে শৈক্ষিক পৰিকল্পনাই যৌক্তিক, পদ্ধতিগত বিশ্লেষণৰ প্ৰয়োগ কৰে। শৈক্ষিক পৰিকল্পনাৰ প্ৰধান লক্ষ্য হ'ল শৈক্ষিক উন্নয়ন বা বিকাশ। এক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত সমাজৰ দ্বাৰা নিৰ্ধাৰিত কিছুমান শৈক্ষিক লক্ষ্যপ্ৰাপ্তিৰ বাবে শৈক্ষিক পৰিকল্পনাই এক পদ্ধতিগত অনুশীলনৰ নিৰ্দেশ কৰে। শৈক্ষিক পৰিকল্পনা শিক্ষাৰ অৰ্থনীতিৰ এটা অতি গুৰুত্বপূৰ্ণ বিষয়বস্তু। শৈক্ষিক পৰিকল্পনাৰ বিৱৰণ শিক্ষাৰ অৰ্থনীতিত ব্যাপকভাৱে অধ্যয়ন কৰা হয়।

**(৪) মানৱ মূলধন গঠন (Human capital formation) :** শিক্ষাৰ অৰ্থনীতিৰ আন এটা গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হ'ল মানৱ মূলধন গঠন আৰু ইয়াৰ তাত্ত্বিক ভিত্তি বা পদ্ধতি। শিক্ষা আৰু প্ৰশিক্ষণৰ জৰিয়তে মানুহে লাভ কৰা উৎপাদনশীল দক্ষতা আৰু প্ৰযুক্তিগত জ্ঞানৰ মজুতাৱস্থাকে মানৱ মূলধন

বুলি কোৱা হয়। ই এজন ব্যক্তিয়ে শিক্ষামূলক প্ৰশিক্ষণৰ মাধ্যমত অৰ্জন কৰা জ্ঞান, দক্ষতা আৰু উৎপাদনশীল সক্ষমতাক বুজায় যিয়ে সমাজত কাৰ্যকৰীভাৱে আৰু দক্ষতাৰে তেওঁক কামবোৰ সম্পন্ন কৰিবলৈ সক্ষম কৰি তোলে। মানৱ মূলধন বুলিলে ব্যক্তিৰ মাজত থকা জ্ঞান, কৌশল, দক্ষতা আৰু গুণক বুজায় যাৰ দ্বাৰা সামাজিক কল্যাণ সৃষ্টি কৰাত সুবিধা হয়।

**(৫) শিক্ষাত বিনিয়োগ (Investment in Education) :** শিক্ষাত বিনিয়োগ হ'ল শিক্ষাৰ অৰ্থনীতিৰ অধ্যয়ন বা এক গুৰুত্বপূৰ্ণ বিষয়বস্তু। লুচী (Lucy)ৰ ভাষাত ভৱিষ্যতে অধিকতৰ গ্ৰাহকৰ প্ৰত্যাশাৰ তাৎক্ষণিক ব্যয় স্থগিত কৰাৰ প্ৰক্ৰিয়াই হৈছে বিনিয়োগ (Investment is the process of postponding immediate consumption in the expectation of greater consumption in the future)। শিক্ষাৰ বিনিয়োগৰ তত্ত্বই বুজায় যে, চৰকাৰ বা ব্যক্তিয়ে শৈক্ষিক প্ৰকল্পত অধিকভাৱে বিনিয়োগ কৰিব লাগে যাতে সৰ্বোচ্চ প্ৰতিদানৰ হাৰ আৰু উচিত উপযোগিতা লাভ কৰিব পাৰে। শিক্ষাত বিনিয়োগৰ তাত্ত্বিক কাঠামোৱে শিক্ষাৰ অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে।

**(৬) শিক্ষাৰ ব্যয়-লাভালাভৰ বিশ্লেষণ (Cost-benefit analysis of Education) :** ই হ'ল শিক্ষাৰ অৰ্থনীতিৰ লগত সম্পৰ্কিত আন এক ক্ষেত্ৰ। ব্যয়-লাভালাভৰ বিশ্লেষণে শৈক্ষিক বিনিয়োগৰ ব্যয় আৰু লাভালাভৰ মাজৰ তুলনাৰ ওপৰত জোৰ দিয়ে যাতে বিনিয়োগৰ অৰ্থনৈতিক আয়ৰ নিৰ্ধাৰণ কৰিব পৰা যায়। শিক্ষাত বিনিয়োগৰ এক যৌক্তিক আৰ্হি হিচাপে ব্যয়-লাভালাভৰ বিশ্লেষণে বিনিয়োগৰ প্ৰসংগত সিদ্ধান্ত গ্ৰহণত সহায় কৰে। বৃত্তিমূলক, পেশাগত, কাৰিকৰী বা সাধাৰণ শিক্ষাত বিনিয়োগৰ বেলিকা শিক্ষাৰ ব্যয়-লাভালাভৰ বিশ্লেষণে উচিত সিদ্ধান্ত গ্ৰহণৰ নিৰ্দেশ কৰে। বিনিয়োগৰ সিদ্ধান্ত সঠিক পথত পৰিচালিত কৰাত এই ব্যয়-লাভালাভৰ বিশ্লেষণে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বাবে শিক্ষাৰ অৰ্থনীতিত ই হ'ল এক গুৰুত্বপূৰ্ণ আলোচ্য বিষয়।

**(৭) শিক্ষাত প্ৰতিদানৰ হাৰ (Rate of return in Education) :** শিক্ষাত প্ৰতিদানৰ হাৰ হ'ল শৈক্ষিক উপভোক্তাই শিক্ষাত কৰা বিনিয়োগৰ ফলস্বৰূপে লাভ কৰা লাভালাভ। শিক্ষাৰ প্ৰতিদান দুই প্ৰকাৰৰ যেনে — সামাজিক প্ৰতিদানৰ হাৰ আৰু ব্যক্তিগত প্ৰতিদানৰ হাৰ। শিক্ষাত বিনিয়োগৰ ফলস্বৰূপে স্কুলীয়া শিক্ষাৰ শেষত কোনো ব্যক্তিয়ে নিজাকৈ লাভ কৰা সুবিধা বা লাভালাভ হ'ল ব্যক্তিগত প্ৰতিদানৰ হাৰ। কোনো শৈক্ষিক প্ৰকল্পৰ বাবে চৰকাৰ বা সমাজৰ পৰা যি লাভালাভ পোৱা যায় সেয়া হ'ল সামাজিক প্ৰতিদানৰ হাৰ। শিক্ষাৰ বিভিন্ন স্তৰৰ প্ৰতিদানৰ হাৰৰ ওপৰত প্ৰচুৰ পৰিমাণে গৱেষণা কৰা হৈছে যিয়ে শিক্ষাৰ অৰ্থনীতিৰ পৰিসৰ বৃদ্ধি কৰিছে।

**(৮) শিক্ষা আৰু অৰ্থনৈতিক বিকাশ বা উন্নয়নৰ সম্বন্ধ (Relationship of Education and economic development) :** শিক্ষাৰ অৰ্থনীতিয়ে শৈক্ষিক কৃতিত্ব আৰু অৰ্থনৈতিক বিকাশৰ মাজৰ সম্বন্ধক আলোচনা কৰে। এই দুয়োটা উপাদানৰ মাজত প্ৰত্যক্ষ সম্বন্ধ আছে।

অৰ্থনৈতিক বিকাশ উচ্চতম শৈক্ষিক কৃতিত্বৰেহে পাব পাৰি। ঠিক সেইদৰে শৈক্ষিক বিকাশ অৰ্থনৈতিক উন্নয়নৰ অবিহনে অসম্ভৱ। গতিকে ক'ব পাৰি যে অৰ্থনৈতিক বিকাশ বা উন্নয়ন আৰু শিক্ষা ইটো সিটোৰ পৰিপূৰক।

**(৯) শিক্ষাৰ চাহিদা আৰু যোগান (Demand and Supply of Education) :** শিক্ষাৰ চাহিদা আৰু যোগান উপাদানৰ দ্বাৰা শিক্ষাৰ বৃদ্ধি প্ৰচুৰভাৱে প্ৰভাৱিত হয়। শিক্ষাৰ বাবে চাহিদা মানে হ'ল মূল্য, উপযোগিতা আৰু সামৰ্থ্য অনুসৰি চৰকাৰ আৰু জনসাধাৰণে ধন খৰচ কৰা। অন্যহাতে শিক্ষাৰ যোগানে চৰকাৰী আৰু বেচৰকাৰী শিক্ষাগত বিনিয়োগকাৰীৰ আৰ্থিক শক্তি আৰু সমাজলৈ শিক্ষাৰ উপযোগিতাৰ কথাকে বুজায়। গতিকে শিক্ষাৰ সুষম বিকাশৰ বাবে চাহিদা আৰু যোগানৰ মাজৰ ভাৰসমতাৰ অতিকৈ প্ৰয়োজন।

**(১০) শৈক্ষিক বিত্তৰ ব্যৱস্থাপনা (Management of Educational Finance) :** চৰকাৰী আৰু আনুষ্ঠানিক পৰ্যায়ত শৈক্ষিক বিত্ত ব্যৱস্থাপনাৰ ওপৰত শিক্ষাৰ অৰ্থনীতিয়ে মনোনিৱেশ কৰে। শৈক্ষিক প্ৰতিষ্ঠান বা শিক্ষানুষ্ঠানৰ বিত্তীয় ব্যবস্থাপনাৰ দক্ষতা আৰু কাৰ্যকৰী পদ্ধতি ই বিকশিত কৰে।

ইয়াৰ উপৰি শিক্ষাখণ্ড আৰু উদ্যোগৰ মাজত সংযোগ স্থাপনো শিক্ষাৰ অৰ্থনীতিৰ লগত জড়িত এক প্ৰধান ক্ষেত্ৰ। শিক্ষাৰ অৰ্থনীতিয়ে কেনেকৈ দক্ষ, কৌশলী মানৱ সম্পদ সৃষ্টি কৰিব পাৰি তাৰ আলোচনা কৰে। এনে মানৱ সম্পদে উৎপাদনৰ বাবে শ্ৰমিক শক্তি বৃদ্ধি কৰে। শিক্ষাৰ অৰ্থনীতিৰ পৰিসৰ অতি ব্যাপক।

## শিক্ষাৰ অৰ্থনীতিৰ অধ্যয়নৰ গুৰুত্ব (Importance of Study of Economic of Education):

দেশৰ ভৱিষ্যৎ অৰ্থনীতিৰ বাবে শিক্ষাৰ অৰ্থনীতি অতীব গুৰুত্বপূৰ্ণ। শিক্ষাৰ্থীসকলক ভৱিষ্যতে আৰ্থিকভাৱে সফল কৰি তোলাৰ ক্ষেত্ৰত শিক্ষাৰ অৰ্থনীতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উপভোক্তাক জ্ঞান আৰু আহিলা প্ৰদানেৰে তেওঁলোকৰ অৰ্থনৈতিক জীৱনৰ বাবে শিক্ষাৰ অৰ্থনীতিয়ে সজাগ কৰি তোলে। শিক্ষাৰ অৰ্থনীতিৰ কেন্দ্ৰবিন্দু হ'ল শিক্ষামূলক সম্পদ, আহিলাৰ কৌশলপূৰ্ণ সৰ্বোত্তম ব্যৱহাৰেৰে শৈক্ষিক উদ্দেশ্যত উপনীত হোৱা। গতিকে শিক্ষাৰ অৰ্থনীতি হ'ল এক বিজ্ঞান যিয়ে শিক্ষাৰ প্ৰতিযোগিতামূলক বিকল্পসমূহৰ মাজত দুৰ্লভ শিক্ষামূলক সম্পদৰ সুবিধা প্ৰদানেৰে লক্ষ্যপ্ৰাপ্তিত সহায় কৰে। শিক্ষাৰ অৰ্থনীতিয়ে ব্যক্তি, সমাজ আৰু ৰাজ্যৰ জীৱন পৰিচালনা কৰে বুলি ক'লে ভুল নহ'ব। আধুনিক সময়ত শিক্ষাৰ অৰ্থনীতিৰ বিষয়টোৱে সমগ্ৰ বিশ্বজুৰি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ইয়াৰ জ্ঞানে সমস্যা সমাধানৰ লগতে ব্যৱহাৰিক সুবিধাও প্ৰদান কৰে। তলত শিক্ষাৰ অৰ্থনীতিৰ অধ্যয়নৰ গুৰুত্বসমূহ আলোচনা কৰা হ'ল —

**(১) শৈক্ষিক ব্যৱস্থাপনা আৰু পৰিকল্পনা (Educational Management and planning) :** শিক্ষাদান গ্ৰহণ প্ৰক্ৰিয়াক সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ব্যৱস্থাপনাৰ প্ৰয়োজন। শিক্ষাৰ সকলো উপাদানক সংলগ্ন কৰি উপযুক্ত প্ৰয়োগৰ দ্বাৰা শিক্ষাৰ লক্ষ্যসমূহ আহৰণৰ যি প্ৰচেষ্টা শৈক্ষিক ব্যৱস্থাপনাই লয় তাৰ সফল ৰূপায়ণত শিক্ষাৰ অৰ্থনীতিয়ে গুৰুত্ব প্ৰদান কৰে। এখন দেশৰ প্ৰগতিত শিক্ষাৰ অৰিহণা অপৰিসীম। সেয়ে শৈক্ষিক উদ্দেশ্য আৰু লক্ষ্যসমূহ পূৰণৰ বাবে হাতত থকা সম্পদসমূহৰ সৰ্বোচ্চ সদব্যৱহাৰৰ নিতান্ত প্ৰয়োজন। ইয়াৰ বাবে প্ৰয়োজন হয় শৈক্ষিক পৰিকল্পনাৰ। মুঠতে শিক্ষাৰ অৰ্থনীতিয়ে শৈক্ষিক ব্যৱস্থাপনা আৰু উপযুক্ত পৰিকল্পনা প্ৰস্তুতকৰণত বিশেষভাৱে সহায় কৰে।

**(২) নিধিৰ বিতৰণ (Distribution of Fund) :** শিক্ষাৰ বিভিন্ন স্তৰ বা পৰ্যায়ত আৰু বিভিন্ন খণ্ডৰ মানদণ্ডসম্পন্ন উন্নয়নৰ বাবে অৰ্থ বা বিত্তৰ বা নিধিৰ প্ৰয়োজন হয়। নিধিৰ সহায়ত শৈক্ষিক লক্ষ্য পূৰণত সহায় হয়। নিধিৰ বিতৰণৰ বাবে এনেধৰণৰ নিয়মাৱলীৰ প্ৰস্তুতকৰণৰ প্ৰয়োজন যাৰ সহায়ত এই বিতৰণ নিৰ্ভৰযোগ্য আৰু বিশ্বাসযোগ্য হিচাপে পৰিগণিত হয়। এই প্ৰসংগত শিক্ষাৰ অৰ্থনীতিয়ে নীতি-নিৰ্দেশনা প্ৰস্তুত কৰে আৰু সকলো পৰ্যায়ৰ শৈক্ষিক অনুষ্ঠানক সবল কৰি তোলাত সহায় কৰে।

**(৩) উৎপাদক আৰু উৎপাদনৰ মাজৰ সম্বন্ধ (Relations between inputs and outputs) :** ব্যৱসায়িক প্ৰতিষ্ঠানৰ দৰে শিক্ষানুষ্ঠানো উৎপাদক আৰু উৎপাদনৰ লগত গভীৰভাৱে সম্পৰ্কযুক্ত। শিক্ষাৰ 'উৎপাদক' বুলিলে শিক্ষকৰ গোট, শিকন সামগ্ৰী, সা-সঁজুলি, শিক্ষাৰ্থী, সময়, শিক্ষানুষ্ঠান আদিক বুজা যায়। এই উৎপাদকসমূহৰ ওপৰত ভিত্তি কৰি বিদ্যালয়-মহাবিদ্যালয়ৰ ডিগ্ৰীধাৰী, গৱেষক, গৱেষণা আৰু প্ৰশিক্ষণ আদিৰ উৎপাদন হয়। শিক্ষাৰ অৰ্থনীতিয়ে এই জ্ঞান আৰু কৌশলসমূহক সামৰি লয় আৰু উৎপাদক আৰু উৎপাদনৰ ক্ষেত্ৰত শিক্ষাৰ অৰ্থনীতিয়ে গুৰুত্ব প্ৰদান কৰে।

**(৪) বৰ্ধিত ব্যয় (Rising Cost) :** সাম্প্ৰতিক সময়ত শিক্ষাৰ ক্ষেত্ৰত ব্যয় কৰা জাতীয় আয়ৰ অনুপাত বৃদ্ধি পাইছে। শিক্ষাৰ অৰ্থনীতি অধ্যয়নৰ গুৰুত্ব সেয়ে বৃদ্ধি পাইছে।

**(৫) মাধ্যমিক শিল্প উদ্যোগ (Secondary Industries) :** ব্যক্তিসকল যিমানেই প্ৰতিপত্তিশীল হয়, তেওঁলোকৰ আয়ৰ অনুপাত খাদ্য আৰু অন্যান্য মৌলিক প্ৰয়োজনসমূহৰ বাবদ কৰা ব্যয়ৰ পৰিমাণৰ তুলনাত স্বাস্থ্য, শিক্ষাত কৰা ব্যয়ৰ পৰিমাণ বৃদ্ধি পায়।

**(৬) প্ৰযুক্তিগত ৰূপান্তৰ (Technological transformation) :** বিশ্ব অৰ্থনীতিৰ প্ৰযুক্তিগত ৰূপান্তৰৰ ভিত্তি জ্ঞানৰ সঞ্চয়ৰ জৰিয়তে পাব পৰাৰ সুবিধা শিক্ষা অৰ্থনীতিয়ে প্ৰদান কৰে।

**(৭) স্বাস্থ্য আৰু উৎপাদনশীলতা (Health and Productivity) :** বৃহৎসংখ্যক শ্ৰমিকৰ কম উৎপাদনশীলতাৰ বাবে প্ৰত্যক্ষভাৱে দায়ী হৈছে শ্ৰমিকসকলৰ দুৰ্বল শাৰীৰিক অৱস্থা। শ্ৰমিকসকলে গ্ৰহণ কৰা বহল পৰিসৰ শিক্ষাৰ ওপৰত স্বাস্থ্য আৰু উৎপাদনশীলতা বিশেষভাৱে নিৰ্ভৰশীল।

**(৮) জনশক্তিভিত্তিক শৈক্ষিক পৰিকল্পনা (Manpower based education planning):** এটা সাধাৰণ বিশ্বাস আছে যে দক্ষতা বা কৌশলৰ অভাৱে অৰ্থনৈতিক বৃদ্ধিক বাধা প্ৰদান কৰে। দক্ষ আৰু কৌশলী জনশক্তিৰ ওপৰত ভিত্তি কৰি এক কাৰ্যকৰী বা ফলপ্ৰসু শিক্ষা পৰিকল্পনা প্ৰস্তুত কৰাটো অতিকৈ প্ৰয়োজন। পৰিকল্পনা বহিৰ্ভুত শিক্ষা ব্যৱস্থাই নিবনুৱা সৃষ্টি কৰে আৰু জাতীয় আয় বৃদ্ধিত দেশক তেওঁলোকৰ অৱদানৰ পৰা বঞ্চিত কৰে। গতিকে জনশক্তি পূৰ্বাভাসৰ বিশেষীকৃত ভূমিকাই শিক্ষাৰ অৰ্থনীতিত প্ৰাধান্য লাভ কৰে।

**(৯) শিক্ষাত ব্যতিক্ৰমী উচ্চ মুদ্ৰাগত ব্যয় (Extraordinarily high monetary cost of education):** উন্নয়নশীল দেশত শিক্ষা ব্যৱস্থাপনা যথেষ্ট দুৰ্বল। শিক্ষা ক্ষেত্ৰত সমন্বয় ৰক্ষা আৰু সু-পৰিকল্পনাৰো অভাৱ পৰিলক্ষিত হয়। দুখীয়া দেশসমূহত শিক্ষা সংস্কাৰৰ নামত অতি উচ্চ মৌদ্ৰিক ব্যয় এক অন্যতম বৈশিষ্ট্য। দেশৰ সম্পদসমূহ দক্ষতাপূৰ্ণভাৱে বিতৰণ হ'বলৈ হ'লে দেশৰ অৰ্থনৈতিক উন্নয়ন আৰু মানৱ সম্পদ উন্নয়নৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহৰ মাজত সমন্বয় সাধন নিতান্তই গুৰুত্বপূৰ্ণ। সাধাৰণ পৰিকল্পনাৰ পৰা শিক্ষাক কেতিয়াও আঁতৰাই ৰাখিব নোৱাৰি। শিক্ষাৰ প্ৰতি গুৰুত্ব হ্ৰাস কৰা মানে দক্ষতাপূৰ্ণ মানৱ সম্পদৰ যোগান হ্ৰাস পোৱা আৰু মানৱ সম্পদৰ যোগান হ্ৰাস মানে শিক্ষাত উপযুক্ত সম্পদৰ দক্ষতা প্ৰয়োগৰ হ্ৰাসকৰণ।

**(১০) দুষ্প্ৰাপ্য বা দুৰ্লভ সম্পদৰ চাহিদা (Demand of scarce resources):** উন্নয়নশীল দেশসমূহত পৰ্যাপ্ত মানৱ শক্তি প্ৰয়োগৰ জৰিয়তে শিক্ষাক সহজসাধ্য বা ব্যয়সাধ্য কৰি তুলিব পৰা যায়। এনে ব্যয়সাধ্য শিক্ষাই দেশৰ দুষ্প্ৰাপ্য সম্পদসমূহৰ সুপ্ৰয়োগত সহায় কৰি ইবিলাকৰ চাহিদা নিয়ন্ত্ৰণ কৰি ৰাখে। আনহাতে অনুন্নত দেশসমূহত মানৱ সম্পদ আৰু বহু ক্ষেত্ৰত দুষ্প্ৰাপ্য প্ৰাকৃতিক সম্পদৰ ওপৰত নিৰ্ভৰতা বৃদ্ধি পায়। সেয়ে শিক্ষাৰ অৰ্থনীতি অধ্যনৰ জৰিয়তে এই কথা সহজেই অনুমান কৰিব পাৰি যে, যিকোনো আঁচনি, পৰিকল্পনা আৰু বিত্তীয় ব্যৱস্থাপনাত দক্ষতাপূৰ্ণ মানৱ শক্তি প্ৰয়োগ এখন দেশৰ প্ৰধান লক্ষ্যসমূহৰ ভিতৰ অন্যতম। দেশৰ মানৱ সম্পদ উন্নয়নৰ এক প্ৰধান মাপকাঠী হ'ল শিক্ষা। এক কথাত শিক্ষা দেশৰ মেৰুদণ্ড। যিমানেই শিক্ষাৰ মান উন্নত হ'ব আৰু বৰ্ধিত ৰূপত সম্প্ৰসাৰণ ঘটিব সিমানেই দেশৰ প্ৰগতি তথা উন্নয়ন নিশ্চিত হয়। সুপৰিকল্পিত নীতি নিৰ্ধাৰণ আৰু এই নীতিসমূহৰ উচিত প্ৰয়োগ, শিক্ষাখণ্ডৰ বাবে প্ৰয়োজন হোৱা ব্যয়সমূহৰ উপযুক্ত পৰিচালনা, শিক্ষাৰ অৰ্থনীতিয়ে সামৰি লোৱা সকলোবোৰ দিশ সমানে গুৰুত্ব প্ৰদান কৰি আগবঢ়াই নিব পাৰিলে শিক্ষাৰ অৰ্থনীতিৰ লক্ষ্য আৰু উদ্দেশ্যই নিশ্চয় পূৰ্ণতা লাভ কৰিব।

## শিক্ষাৰ ওপৰত অৰ্থনীতিৰ প্ৰভাৱ (Impact of Economic on Education)

শিক্ষাৰ বিভিন্ন দিশবোৰৰ ওপৰত অৰ্থনীতিয়ে ব্যাপক প্ৰভাৱ পেলোৱা দেখিবলৈ পোৱা যায়। যেনে —

**১। শিক্ষাৰ লক্ষ্য (Aims of Education) :** অৰ্থনীতিয়ে শিক্ষাৰ লক্ষ্য নিৰ্ধাৰণ কৰে। উদাহৰণস্বৰূপে, যদি আমি উৎপাদনশীলতা বৃদ্ধিৰ যোগে দেশৰ জাতীয় আয় বৃদ্ধি কৰিব বিচাৰোঁ আৰু দেশ এখনক অৰ্থনৈতিক বিকাশৰ দিশেৰে আগুৱাই নিব বিচাৰোঁ তেতিয়া শিক্ষাৰ লক্ষ্য শিল্পকেন্দ্ৰিক হ'ব লাগে। এই উদ্দেশ্যৰ বাবে বিজ্ঞান শিক্ষা, কৰ্ম অভিজ্ঞতা আৰু শিক্ষাৰ বৃত্তিমুখীকৰণত অধিক গুৰুত্ব আৰোপ কৰিব লাগে। গতিকে ক'ব পাৰি যে শিক্ষাৰ লক্ষ্য নিৰ্ধাৰণত অৰ্থনীতিৰ ভূমিকা লেখত ল'বলগীয়া।

**২। শিক্ষাৰ গুৰুত্ব (Importance of Education) :** অৰ্থনীতিয়ে শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব বিশ্লেষণ কৰে। দৰাচলতে এখন দেশৰ অৰ্থনৈতিক বিকাশ সম্পূৰ্ণৰূপে শিক্ষাৰ ওপৰত নিৰ্ভৰশীল। এখন দেশৰ বৃদ্ধি আৰু শিক্ষাৰ বিকাশৰ মাজত এক ঘনিষ্ঠ সম্বন্ধ আছে। চমুকৈ ক'বলৈ হ'লে অধিক শিক্ষাই অধিক অৰ্থনৈতিক বিকাশক বুজায়।

**৩। উপায় স্বৰূপে শিক্ষা (Education as the means) :** অৰ্থনীতি হৈছে এক আদৰ্শনিষ্ঠ বিজ্ঞান যিয়ে মানুহক শ্ৰেষ্ঠ উৎপাদক হ'বলৈ শিকায়। ই হ'ল ব্যক্তিগত লাভ আৰু দেশৰ প্ৰগতিৰ এক উপায়স্বৰূপ। গতিকে ক'ব পাৰি যে শিক্ষাৰ লক্ষ্যপ্ৰাপ্তিৰ এক উপায় হ'ল অৰ্থনীতি।

**৪। বিনিয়োগ স্বৰূপে শিক্ষা (Education as an investment) :** অৰ্থনৈতিক দৃষ্টিকোণত শিক্ষা হ'ল এক বিনিয়োগ। শিক্ষাই অস্পৃশ্যতা আৰু দৰিদ্ৰতা দূৰ কৰাত সহায় কৰে আৰু কৌশলী নিবনুৱাৰ সৃষ্টি কৰে। উন্নত জীৱন ধাৰণৰ বাবে ই ব্যক্তিক সহায় কৰে। এইচ. জি. শ্বেফাৰ (H. G. Shaffer)এ শিক্ষাত খৰচ কৰা সময় আৰু শিক্ষা সমাপ্তিৰ পিছত আহৰণ কৰা আয়ৰ মাজৰ সম্বন্ধৰ ওপৰত অধ্যয়ন কৰিছিল আৰু ফলাফল লাভ কৰিছিল যে শিক্ষা সমাপ্তিৰ পিছত লাভ কৰা আয় শিক্ষাত বিনিয়োগৰ সমানুপাতিক। গতিকে শিক্ষাৰ খৰচ ব্যয় নহয়, বিনিয়োগহে।

**৫। শিক্ষা হ'ল অৰ্থনৈতিক নিৰাপত্তা মৰ্যাদা (Education as an Economic status) :** এখন দেশ বা সমাজৰ ব্যক্তিৰ অৰ্থনৈতিক মৰ্যাদা শিক্ষাৰ দ্বাৰা বহু পৰিমাণে নিৰ্ধাৰিত। অৰ্থাৎ ক'ব পাৰি যে শিক্ষা আৰু অৰ্থনৈতিক মৰ্যাদাৰ মাজত এক প্ৰত্যক্ষ সম্বন্ধ বিদ্যমান। চমুকৈ ক'বলৈ হ'লে অধিক শিক্ষা মানে অধিক অৰ্থনৈতিক মৰ্যাদা। উচ্চ অৰ্হতাসম্পন্ন ব্যক্তিয়ে অধিক অৰ্থ উপাৰ্জন কৰিব পাৰে আৰু এক ভাল অৰ্থনৈতিক জীৱন-যাপন কৰিব পাৰে।

**৬। শিক্ষা আৰু অৰ্থনৈতিক সমৃদ্ধি (Education and Economic Prosperity) :** অৰ্থনৈতিক বিকাশ আৰু দেশ এখন পুনৰ গঠন দেশখনৰ নাগৰিকসকলৰ গুণমানৰ ওপৰত নিৰ্ভৰ

কৰে। নাগৰিকসকলৰ গুণমান শিক্ষাৰ গুণমানৰ ওপৰত নিৰ্ভৰ কৰে। গুণগত শিক্ষাই মানুহৰ জীৱন ধাৰণৰ মানদণ্ডৰ উন্নতি সাধন কৰে। গতিকে ক'ব পাৰি যে দেশ এখনৰ অৰ্থনৈতিক সমৃদ্ধি প্ৰত্যক্ষভাৱে জনসাধাৰণৰ শৈক্ষিক বিকাশৰ আনুপাতিক।

**৭। অৰ্থনৈতিক নিৰাপত্তা স্বৰূপে শিক্ষা (Education as Economic Security) :** শৈক্ষিক অৰ্হতাবোৰে বিভিন্ন ব্যক্তিৰ বৃত্তিাত মূল্যবোধক বুজায়। ই মজুৰিৰ গাঁথনি নিৰ্ধাৰণ কৰাত সহায় কৰে আৰু ব্যক্তিৰ অৰ্থনৈতিক নিৰাপত্তা সুনিশ্চিত কৰে।

## অৰ্থনৈতিক বিকাশত শিক্ষাৰ ভূমিকা (Role of Education in Economic Development) :

অৰ্থনৈতিক বিকাশৰ বাবে প্ৰাকৃতিক সম্পদৰ তুলনাত মানৱ সম্পদ অধিক গুৰুত্বপূৰ্ণ। বিশ্বৰ ইতিহাসেও এই কথাৰ প্ৰমাণ দাঙি ধৰে যে নিম্ন পৰিমাণৰ প্ৰাকৃতিক সম্পদ থকা দেশ জাপান, ইংলেণ্ড, ডেনমাৰ্ক, আমেৰিকা, ৰাছিয়া, ফ্ৰান্স, হলেণ্ড, নৰৱে আদিয়ে শিক্ষাৰ মাধ্যমেদি সকলো ধৰণৰ বিকাশ লাভ কৰিবলৈ সক্ষম হৈছে। এখন দেশৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত শিক্ষাৰ বিকাশ হ'ল আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰক।

এখন দেশৰ অৰ্থনৈতিক বিকাশ মানৱ সম্পদ বিকাশৰ দ্বাৰা ব্যাপকভাৱে নিৰ্ধাৰণ কৰা হয়। মানৱ সম্পদৰ বিকাশ সাক্ষৰতাৰ হাৰ আৰু শিক্ষাৰ গুণানৰ ওপৰত নিৰ্ভৰ কৰে। অৰ্থনৈতিক বিকাশত শিক্ষাৰ ভূমিকা কেতবোৰ দিশ তলত উল্লেখ কৰা হ'ল —

**১। বস্তুগত সম্পদস্বৰূপে শিক্ষা (Education as a Material Wealth) :** এখন দেশৰ অৰ্থনৈতিক বিকাশত প্ৰাকৃতিক সম্পদৰ তুলনাত মানৱ সম্পদৰ ভূমিকা অধিক গুৰুত্বপূৰ্ণ। শিক্ষাই মানৱক মানৱ সম্পদলৈ ৰূপান্তৰিত কৰে। আলফ্ৰেড মাৰ্শ্বালৰ মতে, শিক্ষাই মানুহক অধিক বুধিয়ক, প্ৰস্তুত আৰু বিশ্বাসী কৰি তোলে। শিক্ষা হ'ল বস্তুগত সম্পদ উৎপাদনৰ এক উপায়স্বৰূপ। শিক্ষা হ'ল সাৰ্বজনীনভাৱে গ্ৰহণযোগ্য আৰু বস্তুগত সম্পদ যিয়ে জাতীয় সম্পদ আৰু কল্যাণৰ সকলো ক্ষেত্ৰতে সমৃদ্ধি আনে।

**২। শিক্ষাই বৃত্তীয় কৌশল বিয়পাই তোলে (Education Develops Occupational Skill) :** দক্ষ কৰ্মী, প্ৰশাসক, শিক্ষক, চিকিৎসক, বৈজ্ঞানিক, অভিযন্তা, অধিভক্তা, ঔদ্যোগিক আদি শিক্ষাই সৃষ্টি কৰি তোলে। অৰ্থাৎ শিক্ষাই বিভিন্ন ক্ষেত্ৰ যেনে — কৃষি, বিজ্ঞান, উদ্যোগ, বেংকিং, ব্যৱসায়, পৰিবহন, মেডিচিন, আইন, অভিযান্ত্ৰিক বিজ্ঞান আদিৰ বাবে ব্যক্তিক প্ৰস্তুত কৰি তোলে। শিক্ষাই মানৱ শক্তিৰ গুণমান বৃদ্ধি কৰে আৰু বৃত্তীয় কৌশল বিকশাই তোলে যিয়ে উৎপাদন আৰু জাতীয় বিকাশত অৰিহণা আগবঢ়ায়। এইদৰে শিক্ষাই দেশ এখন অৰ্থনৈতিক বিকাশ নিৰ্ধাৰণ কৰে।

৩। **শিক্ষা চাকৰিমুখী (Education is Job Oriented) :** শিক্ষাই ব্যক্তিৰ নিয়োগ বা স্ব-নিয়োগৰ ক্ষেত্ৰত কিছু পৰিমাণে হ'লেও নিশ্চয়তা প্ৰদান কৰে। মহাত্মা গান্ধীয়ে বুনিয়াদী শিক্ষা বিকশাই তুলিছিল য'ত তেওঁ বিদ্যায়তনিক শিক্ষাৰ পৰিবৰ্তে শিল্প শিক্ষাত গুৰুত্ব দিছিল যিয়ে ব্যক্তিক স্ব-নিৰ্ভৰ কৰাৰ বাবে প্ৰস্তুত কৰে। ১৯৬৪-৬৬ চনৰ শিক্ষা আয়োগেও উৎপাদনশীলতাক শিক্ষাৰ এক লক্ষ্য হিচাপে গ্ৰহণ কৰিছিল। আয়োগে কৰ্ম অভিজ্ঞতা আৰু বৃত্তিমুখীকৰণৰ ওপৰতো গুৰুত্ব দিছিল। বৃত্তিমুখীকৰণে শিক্ষাক চাকৰিমুখী কৰি তুলিছিল আৰু মানুহক আত্ম-নিৰ্ভৰশীল কৰি তুলিছিল।

৪। **শিক্ষাই উৎপাদনমূলক ফলপ্ৰসুতা বৃদ্ধি কৰে (Education increases Productive efficiency) :** আমি ইতিমধ্যে জানিলোঁ যে শিক্ষা হ'ল এক বিনিয়োগ আৰু দেশ এখনৰ অৰ্থনৈতিক বিকাশ ব্যক্তিৰ উৎপাদনমূলক ফলপ্ৰসূতাৰ ওপৰত নিৰ্ভৰশীল। অশিক্ষিত ব্যক্তিয়ে উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত চৰকাৰৰ লগত সহযোগিতা কৰিব নোৱাৰে। শিক্ষাৰ শক্তিয়ে দেশ এখনক অৰ্থনৈতিক সমৃদ্ধিৰ দিশেৰে আগুৱাই নিব পাৰে।

৫। **শিক্ষা আৰু আয়-ব্যয়ৰ বিশ্লেষণ (Education and Cost Benefit Analysis) :** শিক্ষাৰ ক্ষেত্ৰত হোৱা ব্যয় আৰু ভৱিষ্যতে ইয়াৰ পৰা হ'ব লগা আয়ৰ সম্বন্ধৰ ওপৰত অৰ্থনীতিবিদ আৰু শিক্ষাবিদসকলে গৱেষণা কৰা দেখিবলৈ পোৱা যায়। বিভিন্ন গৱেষণাৰ পৰা প্ৰমাণিত হৈছে যে শিশুৰ শিক্ষাৰ ক্ষেত্ৰত কৰা বিনিয়োগৰ পৰা ব্যৱসায়ত কৰা বিনিয়োগৰ তুলনাত অধিক লাভান্বিত হ'ব পাৰি। এইদৰে শিক্ষাই ব্যক্তিৰ অৰ্থনৈতিক মৰ্যাদা আৰু দেশ এখনৰ অৰ্থনৈতিক বিকাশ নিৰ্ধাৰণ কৰে। এখন বিকশিত দেশত শিক্ষাৰ গুণমান অধিক উন্নত হোৱা দেখা যায় আৰু তেনে দেশত বহুতো চিকিৎসক, অভিযন্তা, বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ দেখিবলৈ পোৱা যায়।

৬। **শিক্ষা আৰু মানৱ শক্তি পৰিকল্পনা (Education and Manpower Planning) :** আমাৰ দেশত মানৱ সম্পদৰ অভাৱ নাই। সেয়ে এইটো প্ৰয়োজনীয় যে মানৱ সম্পদবোৰে উপলব্ধ সৰ্বতোকৃষ্ট ৰূপত প্ৰয়োগ কৰি আমাৰ দেশৰ লক্ষ্য অৰ্থনৈতিক বিকাশত উপনীত হ'ব পাৰে। এই দিশকে মানৱ শক্তি বিশ্লেষণ বোলা হয়। মানৱ শক্তিৰ বিশ্লেষণৰ যোগেদি শিক্ষাই মানৱ সম্পদ সম্বন্ধীয় বিভিন্ন সমস্যা সমাধান কৰিব পাৰে। মানৱ শক্তিৰ পৰিকল্পনা অবিহনে মানৱ সম্পদক সৰ্বোৎকৃষ্ট ৰূপত বিকশাই তুলিব নোৱাৰি আৰু অৰ্থনৈতিক বিকাশো সম্ভৱ নহয়। বিভিন্ন অৰ্থনৈতিক কৰ্ম সম্পাদনৰ বাবে শিক্ষাই ব্যক্তিসকলক উপযুক্ত প্ৰশিক্ষণ আৰু কৌশল প্ৰদান কৰে আৰু ইয়ে আয় বৃদ্ধি কৰি তোলে।

৭। **শিক্ষা-জনসংখ্যা নিয়ন্ত্ৰণ আৰু অৰ্থনৈতিক বিকাশ (Education-Population control and Economic Development) :** জনসখ্যা বৃদ্ধিয়ে দেশ এখনৰ অৰ্থনৈতিক

বিকাশত বাধা দিয়ে। টি. আৰ. মালথাচ (T. R. Malthus)ৰ মতে জনসংখ্যা বৃদ্ধিয়ে প্ৰাকৃতিক সম্পদত অপচয় বৃদ্ধি কৰে। জনসংখ্যা বৃদ্ধি আৰু অৰ্থনৈতিক বিকাশৰ মাজত নেতিবাচক সহসম্বন্ধ আছে। অৰ্থনৈতিক বিকাশৰ বাবে জনসংখা নিয়ন্ত্ৰণ কৰাটো অপৰিহাৰ্য। এই ক্ষেত্ৰত শিক্ষা হৈছে এক শক্তিশালী আহিলা যাৰদ্বাৰা জনসংখ্যাৰ আকাৰ কম কৰিব পাৰি। ইয়াৰ বাবে শিক্ষানুষ্ঠানবোৰত জনসংখ্যা শিক্ষাৰ জ্ঞান প্ৰদান কৰিব লাগে।

৮। **শিক্ষা আৰু সমৃদ্ধি (Education and Prosperity) :** শিক্ষাই ব্যক্তিৰ গুণমান আৰু কৰ্মদক্ষতা বৃদ্ধি কৰিব পাৰে। ই ব্যক্তিক চাকৰি বিচৰাত আৰু আত্মনিৰ্ভৰশীল কৰি তোলাত সহায় কৰে। এজন শিক্ষিত ব্যক্তিয়ে নিজৰ দক্ষতা আৰু কৌশল অনুসৰি উৎপাদন বৃদ্ধি কৰিব পাৰে। এইবোৰে দেশৰ অৰ্থনৈতিক সমৃদ্ধিতো অৰিহণা যোগায়।

৯। **শিক্ষা আৰু আন্তঃগাঁথনিৰ সুবিধা (Education and Infrastructural facility) :** শিক্ষা অৰ্থনৈতিক বিকাশৰ লগত গভীৰভাৱে সম্বন্ধিত। শিক্ষাই বহুতো বৈজ্ঞানিক, প্ৰযুক্তিবিদ, অভিযন্তা আদিৰ সৃষ্টি কৰে যিসকল বিভিন্ন আৱিষ্কাৰ আৰু সৃষ্টিৰ লগত জড়িত হৈ থাকে। নতুন পৰিবহন আৰু যোগাযোগ ব্যৱস্থাই মানুহৰ জীৱন অধিক সহজ-সৰল কৰি তুলিছে। আন্তঃগাঁথনিৰ ক্ষেত্ৰৰ সৃষ্টি আৰু আৱিষ্কাৰে সমাজত অৰ্থনৈতিক বিকাশ আনিব পাৰে।

১০। **শিক্ষা-সামাজিক গতিশীলতা আৰু অৰ্থনৈতিক বিকাশ (Education-Social mobility and Economic Development) :** শিক্ষাই কৰ্মীসকলৰ ফলপ্ৰসূতা বৃদ্ধি কৰে আৰু ভাল স্থান লাভৰ বাবে প্ৰচেষ্টা কৰিবলৈ তেওঁলোকক উৎসাহিত কৰে। এই প্ৰৱণতাই কৰ্মীসকলৰ সামাজিক গতিশীলতা অনা দেখা যায়। ব্যক্তি এজনৰ নিম্ন মৰ্যাদাৰ পৰা উচ্চ মৰ্যাদালৈ অহাৰ প্ৰৱণতাই জীৱনৰ গুণমানৰ উন্নতি সাধন কৰে। একেদৰে গাঁৱৰ পৰা চহৰলৈ কৰা প্ৰব্ৰজনে আয় আৰু জীৱন ধাৰণৰ মানদণ্ড বৃদ্ধি কৰি তোলে। গতিকে সামাজিক গতিশীলতাক অৰ্থনৈতিক বিকাশৰ কাৰক স্বৰূপে বিবেচনা কৰিব পাৰি। কেৱল চাকৰিকেন্দ্ৰিক শিক্ষা আৰু প্ৰশিক্ষণৰ দ্বাৰাহে ই সম্ভৱপৰ।

১১। **শিক্ষা আৰু শৈক্ষিক ব্যয়ৰ পৰিকল্পনা (Education and Planning Educational Expenditure) :** এখন দেশৰ অৰ্থনৈতিক সমৃদ্ধি সেই দেশখনৰ শিক্ষাৰ উন্নয়নৰ বাবে কৰা ব্যয়ৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰে। দেখা যায় যে উন্নত দেশবোৰে শিক্ষাৰ ক্ষেত্ৰত জাতীয় আয়ৰ ১০%ৰ পৰা ২৫%ৰ ভিতৰত ব্যয় কৰে। ইয়াৰ বিপৰীতে ভাৰতবৰ্ষ আৰু ব্ৰাজিলৰ দৰে উন্নয়নশীল আৰু অনুন্নত দেশবোৰে জাতীয় আয়ৰ প্ৰায় ২% হে শিক্ষাৰ ক্ষেত্ৰত ব্যয় কৰে।

অৰ্থনীতিয়ে দুটা প্ৰধান নীতিৰ ব্যাখ্যা কৰে যাৰ ভিত্তিতে শৈক্ষিক ব্যয়ৰ পৰিকল্পনা কৰা উচিত। সেয়া হ'ল —

(i) শিক্ষাৰ ক্ষেত্ৰত বিনিয়োগৰ এক সৰ্বোত্তম স্তৰ (জাতীয় আয়ৰ এক ভাল অনুপাত) থকা উচিত আৰু এক নিম্নতম ব্যয়ৰ ক্ষেত্ৰতো এটা সীমা থকা উচিত। ৰাজহুৱা আৰু ব্যক্তিগত ক্ষেত্ৰত শিক্ষাৰ বাবে পৰিকল্পিত আৰু অপৰিকল্পিত খৰচ বা ব্যয়ৰ পৰিমাণ যথেষ্ট বৃদ্ধি কৰা প্ৰয়োজন।

(ii) শৈক্ষিক ব্যয়ৰ যিকোনো ভৱিষ্যত পৰিকল্পনা সমাজৰ শৈক্ষিক দিশেৰে বিবেচনা কৰা উচিত। দেশ এখনৰ অৰ্থনৈতিক বিকাশৰ বাবে পলিটেকনিক, ঔদ্যোগিক বিদ্যালয় আৰু মহাবিদ্যালয়, কৃষি পাঠ্যক্ৰম, অভিযান্ত্ৰিক, ঔদ্যোগিক বিদ্যালয় আৰু মহাবিদ্যালয়, কৃষি পাঠ্যক্ৰম, অভিযান্ত্ৰিক পাঠ্যক্ৰম, দূৰত্ব শিক্ষা, অগতানুগতিক শিক্ষা আৰু বৃত্তীয় শিক্ষাৰ ক্ষেত্ৰত অধিক ব্যয় কৰি নিপুণ কৰ্মী গঢ়ি তুলিব লাগে।

**১২। শিক্ষা, জাতীয় সংহতি আৰু অৰ্থনৈতিক বিকাশ (Education, National integration and economic development ) :** শিক্ষাই জাতীয় সংহতি, আন্তঃৰাষ্ট্ৰীয় বুজাপৰা আৰু বিশ্বায়নৰ অনুভূতিত উৎসাহ যোগায়। আধুনিক সময়ত এই ধৰণৰ অনুভূতি খুবেই প্ৰয়োজনীয় যাৰ যোগেৰে এখন দেশে অৰ্থনৈতিক সমৃদ্ধিৰ দিশে আগুৱাই যাব পাৰে। আন্তঃৰাষ্ট্ৰীয় বুজাপৰা আৰু বিশ্বায়নে সমগ্ৰ বিশ্বতে বিনিয়োগৰ সুযোগ বৃদ্ধি কৰে।

**১৩। শিক্ষা, গণতন্ত্ৰ আৰু অৰ্থনৈতিক বিকাশ (Education, Democracy and Economic Development) :** শিক্ষাই ব্যক্তিক মনোভাব আৰু আচৰণৰ ক্ষেত্ৰত গণতান্ত্ৰিক কৰি গঢ়ি তোলে। গণতান্ত্ৰিক আচৰণে সামাজিক শান্তিৰ সূচনা কৰে। এই শান্তি অৰ্থনৈতিক বিকাশৰ বাবে অপৰিহাৰ্য। সেয়ে শিক্ষাই মানুহৰ আচৰণৰ সংশোধন এনেদৰে কৰিব লাগে যাতে ই ধনৰ বিতৰণ আৰু শৈক্ষিক সুযোগৰ সমতাৰ ক্ষেত্ৰত সামাজিক ন্যায়ৰ বিকাশ সাধন কৰিব পাৰে।

**১৪। শিক্ষা, ঔষধ আৰু অৰ্থনৈতিক বিকাশ (Education, Medicines and Economic Development) :** বেমাৰ নিৰাময়ৰ বাবে ঔষধৰ অৱিষ্কাৰে জনসাধাৰণৰ স্বাস্থ্যৰ উন্নতি সাধনত শিক্ষাই মুখ্য ভূমিকা গ্ৰহণ কৰে। ৰোগত আক্ৰান্ত হোৱাৰ আগেয়ে প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰি স্বাস্থ্য ৰক্ষাত ই সহায় কৰে। আকৌ শিক্ষাই হিতাধিকাৰীসকলক নতুন সামগ্ৰী ব্যৱহাৰ আৰু যিকোনো শোষণৰ পৰা নিজকে মুক্ত কৰাৰ বাবে সচেতন কৰি তোলে।

**১৫। শিক্ষা, যন্ত্ৰ আৰু অৰ্থনৈতিক বিকাশ (Education, Machine and Economic Development ) :** শিক্ষাই নতুন ধৰণৰ যন্ত্ৰ আৰু আহিলাৰ উদ্ভাৱনত সহায় কৰে। ইয়াৰ ফলস্বৰূপে, কৃষি, উদ্যোগ আৰু অন্যান্য দিশবোৰত উৎপাদনৰ আধুনিক পদ্ধতি অনুসৰণ কৰা হয় আৰু ইয়াৰ সহায়ত পণ্য আৰু সেৱাৰ ক্ষেত্ৰত অধিক উৎপাদন কৰা হয়। পণ্য আৰু সেৱাৰ উৎপাদনে দেশ এখনৰ অৰ্থনৈতিক বিকাশ নিৰ্ধাৰণ কৰে। অৰ্থাৎ সকলো ধৰণৰ উদ্ভাৱন আৰু আবিষ্কাৰে দেশ এখনত অৰ্থনৈতিক বিকাশৰ পথত আগুৱাই নিয়ে।

গতিকে ক'ব পাৰি যে অৰ্থনৈতিক বিকাশৰ বাবে শিক্ষা হ'ল এক শক্তিশালী অবিহণা আৰু ই বিকাশৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি কৰিব পাৰে। দৰাচলতে, ফলপ্ৰসূ আৰু উন্নত উৎপাদনৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ আৰু দক্ষতাৰ বিকাশৰ যোগে এখন দেশৰ অৰ্থনৈতিক বিকাশত শিক্ষাই বৰঙণি আগবঢ়াব পাৰে। বিশ্বৰ উন্নত দেশবোৰে ইতিমধ্যে প্ৰমাণ কৰিছে যে শিক্ষাৰ বিকাশৰ ফলত অৰ্থনৈতিক বিকাশ সম্ভৱ হৈ উঠিছে। শেষত আমি হাৰ্বিচন (Harbison) আৰু মায়েৰ (Meyer)ৰ মত সমৰ্থ কৰি ক'ব পাৰোঁ যে শিক্ষা হ'ল বীজ আৰু অৰ্থনৈতিক বিকাশ হ'ল ফুল (Education is the seed and flower of economic development)।

## এক বিনিয়োগ স্বৰূপে শিক্ষা (Education as an Investment) :

শিক্ষাৰ প্ৰকৃত উদ্দেশ্য জ্ঞান প্ৰদান কৰা হ'লেও ই ৰাষ্ট্ৰখনৰ উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰটো সহায় কৰে। শিক্ষা লাভৰ জৰিয়তে ব্যক্তিসকলে বিভিন্ন ধৰণে দেশৰ সম্পদ বৃদ্ধিত সহায় কৰে। শিক্ষাবিদসকলে কিছু বছৰ আগতে 'শিক্ষাৰ বাবেই শিক্ষা' ধাৰণাৰ পোষকতা কৰিছিল আৰু সেই অনুসৰি শিক্ষাৰ পৰিকল্পনা প্ৰস্তুত কৰিছিল। ব্যক্তিত্বৰ বিকাশ, চৰিত্ৰ গঠন, বৌদ্ধিক বিকাশ আদি শিক্ষাৰ লক্ষ্য এই ধাৰণাৰ ভিত্তিত গঢ় লৈ উঠিছিল। সেই সময়ত শিক্ষাৰ অৰ্থনৈতিক দিশটোৰ প্ৰতি আওকান কৰা হৈছিল। অৰ্থনীতিৰ দৃষ্টিভংগীৰে শিক্ষাক ধাৰণাকৃত কৰা হৈছিল। কিন্তু বৰ্তমান সময়ত শিক্ষাক অৰ্থনৈতিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰা হয়। বৰ্তমান সময়ত শিক্ষাৰ ক্ষেত্ৰত হোৱা অৰ্থৰ প্ৰয়োগক বিনিয়োগ বুলি গণ্য কৰিব পাৰি। এই ধাৰণাৰ যোগেদি দেশৰ অৰ্থনৈতিক দিশ আৰু সম্পদৰ বিকাশ ঘটিব বুলি আশা কৰিব পাৰি।

## বিনিয়োগ স্বৰূপে শিক্ষাৰ ধাৰণা (Concept of Investment in Education)

১৯৬০ চনত আমেৰিকাৰ অৰ্থনৈতিক সংস্থা (American Economic Association) ৰ সভাপতি স্কাল্টজ (Schultz) এ প্ৰদান কৰা বক্তৃতাত ব্যয় (Consumption) আৰু বিনিয়োগ (Investman) শব্দ দুটাৰ প্ৰয়োগ কৰিছিল আৰু এক বিতৰ্কৰ সূচনা কৰিছিল। বৰ্তমান এই কথা স্বীকাৰ কৰা হৈছে যে শিক্ষাৰ ক্ষেত্ৰত যি ধন ব্যয় কৰা হয় সেই ধন দৰাচলতে ব্যয় হোৱা ধন নহয়, সেয়া অৰ্থনীতিৰ সামগ্ৰিক বিকাশৰ বাবে প্ৰয়োগ কৰা, ব্যক্তিক উপাৰ্জনক্ষম কৰি তোলা আৰু উৎপাদনৰ সমবিতৰণ বজাই ৰখাৰ এক প্ৰচেষ্টা মাথোন। এই প্ৰচেষ্টাৰ যোগেদি মানৱৰ দক্ষতা বৃদ্ধি কৰি মানৱ সম্পদ গঠনত বৰঙণি যোগায়। সেয়েহে ক'ব পাৰি যে অন্যান্য উৎপাদনৰ ক্ষেত্ৰত অৰ্থ বিনিয়োগৰ দৰে শিক্ষাৰ ক্ষেত্ৰতো ই এক বিনিয়োগহে।

আমেৰিকা, ইংলেণ্ড, ফ্ৰান্স, ছোভিয়েট ৰাছিয়া আদি দেশত বৰ্তমান শিক্ষা আৰু বিনিয়োগৰ সম্বন্ধৰ মাজত নানা ধৰণৰ অধ্যয়ন চলিছে। এই ক্ষেত্ৰত UNESCO য়েও বিশেষ তৎপৰতা দেখুওৱা পৰিলক্ষিত হৈছে। কুযনেটচ (Kuznets), ডেনচন (Dension), স্কাল্টজ (Schultz), মেয়াৰচ (Mayers), এণ্ডাৰচন (Anderson) আদি বিশিষ্ট অৰ্থনীতিসকলে শিক্ষাত বিনিয়োগৰ তত্ত্ব সমৰ্থন আদি।

শিক্ষাৰ ক্ষেত্ৰত কৰা ব্যয়ে ব্যক্তিক উপাৰ্জনক্ষম কৰাৰ উপৰিও মানৱ মূলধন গঠনতো সহায় কৰে। দেশৰ শ্ৰমিকসকল যিমানেই সৃষ্টিশীল মনৰ আৰু কৰ্মক্ষম হ'ব সিমানেই শ্ৰমৰ যোগান বাঢ়িব। সেয়ে এই দৃষ্টিকোণেৰে শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োগ হোৱা ধনক বিনিয়োগ হিচাপে গণ্য কৰিব পাৰি। কাৰণ বিনিয়োগৰ জৰিয়তে স্বাস্থ্যৱান আৰু দক্ষ শ্ৰমিক সৃষ্টি কৰি দেশৰ উৎপাদন বৃদ্ধি কৰাত সহায় কৰিব পাৰে। গতিকে শ্ৰমিকৰ উৎপাদনৰ বাবে যি খৰচ কৰা হয় সেই খৰচকে শৈক্ষিক বিনিয়োগ বোলা হয়। শিক্ষাৰ ক্ষেত্ৰত হোৱা বিনিয়োগৰ ফল বা লাভ এক সৰ্বজনবিদিত কথা।

শিক্ষা আৰু বিনিয়োগৰ বিষয়টো সাধাৰণতো চাৰিটা দৃষ্টিকোণেৰে আলোচনা কৰিব পাৰি। সেয়া হ'ল—

(ক) অৰ্থনীতি হ'ল ধাৰণাৰ বিজ্ঞান। শিক্ষাত বিনিয়োগ সম্পৰ্কে এক সূত্ৰ উদ্ভাৱন কৰাৰ ক্ষেত্ৰত কিছুমান দিশৰ ওপৰত ধাৰণা কৰি ল'ব লগা হয়। শিশু এটাৰ জন্মৰ পিছ মুহূৰ্তৰ পৰাই বিনিয়োগ আৰম্ভ হয়। শিশুৰ ক্ষেত্ৰত যি বিনিয়োগ কৰা হয় সেই ব্যয় ভৱিষ্যতে ঘূৰাই পোৱাৰ আশা কৰা হয়। শিশুৰ ক্ষেত্ৰত হোৱা বিনিয়োগ দুই প্ৰকাৰৰ—শাৰিৰীক বিকাশৰ ক্ষেত্ৰত হোৱা বিনিয়োগ আৰু মানসিক বিকাশৰ ক্ষেত্ৰত হোৱা বিনিয়োগ। শিশুৰ শাৰিৰীক আৰু মানসিক বিকাশৰ ক্ষেত্ৰত হোৱা খৰছক শিক্ষাৰ ক্ষেত্ৰত হোৱা ব্যয় বা খৰচ হিচাপে গণ্য কৰিব পাৰি।

(খ) ছাত্ৰ-ছাত্ৰীৰ মানসিক অৱস্থাৰ উন্নতি সাধন কৰিবৰ বাবেও কিছু পৰিমাণৰ ধন খৰচ কৰিবলগীয়া হয়। আকৌ উৎপাদনমূলক মূল্য থকা শিক্ষাৰ ক্ষেত্ৰতো কিছু ধন খৰচৰ প্ৰয়োজন হয়। উদাহৰণস্বৰূপে চিকিৎসক বা অভিযন্তাৰ শিক্ষা লাভ কৰিবলৈ আগ্ৰহী ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান, গণিত আদি বিষয়ৰ প্ৰতি আগ্ৰহ বঢ়াব লাগিব। এই বিষয়বোৰৰ প্ৰতি আগ্ৰহ বঢ়াবৰ বাবে কিছু অৰ্থ খৰচ কৰিব লগা হয়। এই ব্যয়ৰ পৰিমাণবোৰ পৃথক পৃথক হয়।

(গ) অৰ্থনৈতিক বিনিয়োগৰ লগত উৎপাদন জড়িত হৈ থাকে। সাধাৰণ অৰ্থত শিক্ষাত বিনিয়োগ কৰাৰ পিছত এজন লোকে শিক্ষা-দীক্ষা লৈ যি আয় কৰে সেয়াই হ'ল উৎপাদন। অৰ্থনীতিৰ উৎপাদন যিদৰে অৰ্থনীতিৰ পৰিসৰ আৰু বজাৰৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে সেইদৰে শিক্ষাৰ উৎপাদন সা-

সুবিধাৰ প্ৰকৃতি আৰু ব্যক্তিৰ শক্তি সামৰ্থ্যৰ উপযুক্ত প্ৰয়োগৰ ওপৰত নিৰ্ভৰ কৰে অৰ্থাৎ নিয়োগকৰ্তাই ব্যক্তিক সঠিকভাৱে সা-সুবিধা প্ৰদান কৰি কামত খটুৱাব পাৰিছেনে নাই তাৰ ওপৰতে শিক্ষাৰ উৎপাদন নিৰ্ভৰ কৰে।

(ঘ) শিক্ষাৰ ক্ষেত্ৰত বিনিয়োগ আৰু আয়ৰ মাজত এক ঘনিষ্ঠ সম্বন্ধ আছে। শিক্ষাবিদ আৰু অৰ্থনীতিবিদসকলে শিক্ষাত বিনিয়োগৰ বিষয়টোৰ ওপৰত নিজস্ব মতামত দাঙি ধৰিছে। অৰ্থনীতিবিদ ব্লাগ (Blaug) য়ে বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ অন্তত বিনিয়োগ আৰু আয়ৰ মাজৰ সম্পৰ্ক ব্যক্তিৰ বয়সৰ ওপৰত ভিত্তি কৰি কৰাটো অতি প্ৰয়োজনীয় বুলি উল্লেখ কৰে।

এজন শিক্ষিত ব্যক্তি প্ৰস্তুত কৰিবৰ বাবে এখন দেশ, এটা পৰিয়াল অথবা ব্যক্তি এজনে বহুতো অৰ্থ ব্যয় কৰিব লগা হয়। শিক্ষাৰ বিনিয়োগক তলত দিয়া দিশকেইটাৰ যোগেদি দাঙি ধৰিব পাৰি।

**(i) মূলধন ব্যয় (Capital Cost) :** শিক্ষানুষ্ঠানৰ ঘৰ-দুৱাৰ নিৰ্মাণ, চকী-মেজ, আচবাব-পত্ৰ, পৰীক্ষাগাৰ আদি বৈষয়িক সম্পদৰ বাবে চৰকাৰে বহু অৰ্থ ব্যয় কৰিব লগা হয়; ইয়াৰ উপৰিও পুথিভঁৰালৰ বাবে প্ৰয়োজনীয় কিতাপ-পত্ৰ, আলোচনী, বাতৰি কাকত আদি ক্ৰয় কৰিবৰ বাবে বৃহৎ অংকৰ ধন ব্যয় কৰিব লগা হয়।

**(ii) পৰিয়ালৰ ব্যয় (Household Cost) :** সন্তানৰ শিক্ষা-দীক্ষাৰ বাবে পৰিয়ালসমূহেও বিভিন্ন দিশত ব্যয় কৰিব লগা হয়। যেনে—শিক্ষানুষ্ঠানৰ নামভৰ্তিৰ মাচুল, মাহিলী মাচুল, যাতায়তৰ খৰচ, সাজ-পোছাকৰ ব্যয় ইত্যাদি। তাৰোপৰি বছৰেকীয়া খেল-ধেমালি, ভ্ৰমণ আদিৰ ক্ষেত্ৰতো পৰিয়ালৰ লোকে ধন ব্যয় কৰিব লগা হয়।

**(iii) পুনৰাবৃত্তি ব্যয় (Recurring Expenditure) :** শিক্ষক-কৰ্মচাৰীৰ মাহেকীয়া পাৰিতোষিক, ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা বৃত্তি আদি পুনৰাবৃত্তি ব্যয়ৰ অন্তৰ্গত।

## শৈক্ষিক বিনিয়োগৰ প্ৰকৃতি (Nature of Investment in Education)

শৈক্ষিক বিনিয়োগ প্ৰকৃতি তলত দিয়া দিশবোৰৰ যোগেদি বিবেচনা কৰিব পাৰি।

১। শিক্ষাৰ ক্ষেত্ৰত হোৱা বিনিয়োগ কোনো বেলেগ বিনিয়োগ নহয়। প্ৰকৃততে শিক্ষাৰ ক্ষেত্ৰত হোৱা বিনিয়োগ পৰিয়ালৰ ভোগ ব্যয়ৰ লগত জড়িত হৈ থাকে।

২। শিক্ষাৰ ক্ষেত্ৰত হোৱা বিনিয়োগৰ ধাৰন কাল মূলধন গঠনৰ আন ক্ষেত্ৰতকৈ তুলনামূলকভাৱে যথেষ্ট দীঘলীয়া।

৩। শৈক্ষিক বিনিয়োগৰ প্ৰতিদান দীৰ্ঘ বিৰতিৰ অন্ততহে পোৱা যায়।

৪। অন্যান্য বিনিয়োগৰ দৰে শৈক্ষিক বিনিয়োগৰ প্ৰকৃতি সহজে পৰিৱৰ্তন কৰিব নোৱাৰি।

৫। শৈক্ষিক বিনিয়োগ শিক্ষা গ্রহণৰ সময়ছোৱাত শিক্ষাৰ্থীৰ বঞ্চিত উপাৰ্জন (Foregone earnings) ক সাঙুৰি লয়, ই কেৱল শিক্ষকৰ দৰমহা, বিদ্যালয়ৰ গৃহ, সা-সঁজুলি ইত্যাদি দিশত হোৱা ব্যয়কে নুবুজায়।

৬। শিক্ষাৰ ক্ষেত্ৰত হোৱা বিনিয়োগ আৰু আয়ৰ মাজত এক ঘনিষ্ঠ সম্পৰ্ক থাকে। শিক্ষাৰ ক্ষেত্ৰত হোৱা আয় বা প্ৰতিদান শৈক্ষিক বিনিয়োগৰ প্ৰকৃতিৰ ওপৰতেই নিৰ্ভৰ কৰে।

৭। অৰ্থনীতিত উৎপাদন নিৰ্ভৰ কৰে ভূমি, মূলধন, শ্ৰম আদি উপাদানৰ প্ৰকৃতিৰ ওপৰত সেইদৰে শৈক্ষিক আয় বা উৎপাদন নিৰ্ভৰ কৰে সা-সুবিধাৰ প্ৰকৃতি আৰু ব্যক্তিৰ শক্তি সামৰ্থৰ যথোপযুক্ত ব্যৱহাৰৰ ওপৰত। শিক্ষাৰ ক্ষেত্ৰত হোৱা বিনিয়োগৰ পাছত শিক্ষাৰ্থীয়ে পোৱা উপযুক্ত শিক্ষা আৰু দক্ষতাৰ যথোপযুক্ত প্ৰয়োগেই উৎপাদন।

## শৈক্ষিক বিনিয়োগৰ প্ৰকাৰ (Types of Educational Investment)

অৰ্থনীতি বিষয়ত বিনিয়োগৰ নানান প্ৰকাৰ আছে যদিও শিক্ষাৰ ক্ষেত্ৰত সাধাৰণতে দুই ধৰণৰ বিনিয়োগ দেখা যায়। সেয়া হ'ল—

**(ক) ব্যক্তিগত বিনিয়োগ (Private Investment) :** শিক্ষাৰ ক্ষেত্ৰত কৰা ব্যক্তিগত খণ্ডই কৰা খৰছকে ব্যক্তিগত বিনিয়োগ বোলে। এই ব্যক্তিগত খণ্ডবোৰ হ'ল ধৰ্মীয় সংস্থা, দাতব্য সংস্থা, পঞ্জীয়নভুক্ত সমিতি, বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা ইত্যাদি। এই ব্যক্তিগত খণ্ডবোৰে চৰকাৰৰ সাহাৰ্য নোলোৱাকৈ ব্যক্তিগতভাৱে শিক্ষাৰ ক্ষেত্ৰত বিনিয়োগ কৰি সা-সুবিধা প্ৰদান কৰে। শিক্ষা ব্যৱস্থাৰ সকলো পৰ্যায়তে অৰ্থাৎ প্ৰাক্-প্ৰাথমিক, প্ৰাথমিক, মাধ্যমিক, উচ্চ শিক্ষা আৰু কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত অৰ্থ ব্যয় কৰে। ব্যক্তিগত খণ্ডই ছাত্ৰ-ছাত্ৰীৰ টিউচন মাচুল, নামভৰ্ত্তিৰ মাচুল আদিৰ জৰিয়তে নিজা পুঁজি আহৰণ কৰে। ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশবোৰত কেৱল ৰাজহুৱা বিনিয়োগৰ জৰিয়তে শিক্ষাৰ লক্ষ্যত উপনীত হোৱাটো সম্ভৱ নহয়। ব্যক্তিগতকৰণৰ ধাৰা বৃদ্ধি পোৱাৰ মূল কাৰণ হৈছে পৰীক্ষাৰ সন্তোষজনক ফলাফল, আন্তঃগাৰ্থনিৰ নিম্ন মানদণ্ড, অনুশাসনহীনতা, শিক্ষক-শিক্ষয়ত্ৰীৰ সন্তোষজনক অনুপাত আদি বিভিন্ন কাৰক জড়িত হৈ আছে। বৰ্তমান সময়ৰ ব্যক্তিগতকৰণ নীতি (Policy of Privatization) য়ে ভাৰতবৰ্ষৰ দৰে কিছুমান দেশৰ শিক্ষা খণ্ডত ব্যক্তিগত খণ্ডৰ প্ৰৱেশ ঘটাইছে। শিক্ষাখণ্ডক এক লাভজনক ব্যৱসায় হিচাপে স্বীকৃতি দি ব্যক্তিগত খণ্ডই এক বুজন পৰিমাণৰ পুঁজি বিনিয়োগ কৰা পৰিলক্ষিত হৈছে।

শিক্ষাত বিভিন্ন ধৰণৰ ব্যক্তিগত মূলধন প্ৰয়োগ কৰা হয়। সেইসমূহ হৈছে —

| পৰ্যায় | উৎস (Source) |
|---|---|
| ক) আনুষ্ঠানিক পৰ্যায়ত | ১। অনুদান পুঁজি আৰু দান-বৰঙণি (Grant funding and donation)<br>২। চৰকাৰী পুঁজি (Government fund)<br>৩। নিম্নহাৰৰ সুদৰ বিত্তীয় পুঁজি (Low interest financing)<br>৪। বজাৰৰ মূল্যৰ ঋণ (Market rate loan)<br>৫। সংযুক্ত পুঁজি (Corporate funding) |
| খ) ব্যক্তিগত পৰ্যায়ত | ব্যক্তিগত উদ্যমী আৰু পৰিয়াল (Individual enterprenure and families) |

## শিক্ষাৰ ক্ষেত্ৰত ব্যক্তিগত বিনিয়োগৰ প্ৰয়োজনীয়তা বা গুৰুত্ব (Importance of Private investment in Education)

শিক্ষাৰ ক্ষেত্ৰত ব্যক্তিগত বিনিয়োগ প্ৰয়োজনীয়তাসমূহ হ'ল —

১। ৰাজহুৱা খণ্ডৰ শিক্ষা ব্যৱস্থাৰ বিত্তীয় বোজা লাঘব কৰাৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ বিনিয়োগৰ প্ৰয়োজন।

২। ভাৰতবৰ্ষ হৈছে বিশ্বৰ দ্বিতীয় জনবহুল দেশ। গতিকে বিশাল জনসাধাৰণক শিক্ষা প্ৰদান কৰিবৰ বাবে ৰাজহুৱা বিনিয়োগৰ উপৰি ব্যক্তিগত বিনিয়োগৰ প্ৰয়োজন।

৩। শিক্ষাৰ গুণগত মানদণ্ড বিকাশৰ বাবেও ব্যক্তিগত খণ্ডৰ বিনিয়োগৰ প্ৰয়োজনীয়তা আহি পৰিছে। সম্পদৰ অভাব আৰু গুণগত আন্তঃগাঁথনিৰ বাবে যাৱতীয় আচবাব-পত্ৰ, গৃহ, পৰীক্ষাগাৰ, দক্ষতাসম্পন্ন কৰ্মচাৰী নিযুক্তিৰ ক্ষেত্ৰত ব্যক্তিগত বিনিয়োগৰ প্ৰয়োজন।

৪। ৰাজহুৱা খণ্ড বা চৰকাৰী খণ্ডৰ ক্ৰমবৰ্ধমান দুৰ্নীতি ৰোধ কৰিবৰ বাবে ব্যক্তিগত বিনিয়োগৰ প্ৰয়োজনীয়তা আহি পৰিছে।

৫। প্ৰযুক্তিবিদ্যাৰ বিকাশৰ লগে লগে তথ্য বিপ্লৱৰ সূচনা হৈছে। সীমিত সম্পদৰ বাবে ৰাজহুৱা খণ্ডৰ শিক্ষা ব্যৱস্থাই অৰ্থনীতিৰ আন ক্ষেত্ৰসমূহ আৰু উদ্যোগৰ চাহিদাসমূহ পূৰণ কৰিবলৈ সম্পূৰ্ণৰূপে সক্ষম হোৱা নাই।

৬। সেয়ে এনে অৰ্থনৈতিক চাহিদাসমূহ মোকাবিলা কৰাৰ ক্ষেত্ৰত আৰু প্ৰযুক্তিগত দিশত মানৱ শক্তিক প্ৰশিক্ষণ প্ৰদানৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডই উপযুক্ত বিনিয়োগৰ জৰিয়তে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব পাৰে।

৭। বৰ্তমান শিক্ষা মাত্ৰ সামাজিক সেৱা হিচাপে চিহ্নিত হোৱা নাই। ই এক অৰ্থনৈতিক ইনপুট ৰূপেও বিবেচিত হৈছে। মানৱ সম্পদৰ উন্নয়নৰ ক্ষেত্ৰত এক প্ৰয়োজনীয় উপাদান হৈছে শিক্ষাত বিনিয়োগ। গতিকে ব্যক্তিগত খণ্ডই শিক্ষাৰ ক্ষেত্ৰত কৰা বিনিয়োগৰ জৰিয়তে উপযুক্ত অৰ্থাৎ দক্ষ মানৱ সম্পদ গঢ়াত সহায় কৰিছে।

৮। শিক্ষাৰ ব্যক্তিগত বিনিয়োগে শিক্ষানুষ্ঠানসমূহলৈ অধিক স্বতন্ত্ৰতা প্ৰদান কৰে।

৯। প্ৰতিযোগিতামূলক দক্ষতা আহৰণৰ ক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ শিক্ষা ব্যৱস্থাই কিছু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ব্যক্তিগত খণ্ডৰ শিক্ষা ব্যৱস্থাত উপযুক্ত বিনিয়োগৰ জৰিয়তে প্ৰতিযোগিতামূলক দক্ষতা আয়ত্তকৰণত সফলতা লাভ কৰা পৰিলক্ষিত হৈছে।

**(খ) ৰাজহুৱা বিনিয়োগ (Public Investment) :**

ৰাজহুৱা বিনিয়োগ বুলিলে চৰকাৰ বা ৰাজহুৱা প্ৰতিষ্ঠানে শিক্ষাৰ ক্ষেত্ৰত কৰা ব্যয়কে বুজা যায়। প্ৰাথমিক শিক্ষাৰ পৰা আৰম্ভ কৰি উচ্চ শিক্ষালৈকে শিক্ষানুষ্ঠান নিৰ্মাণ, শিক্ষক নিযুক্তি, শিক্ষকৰ প্ৰশিক্ষণ ইত্যাদি বিষয়বোৰত চৰকাৰ বা ৰাজহুৱা খণ্ডই বিনিয়োগ কৰে। ১৯৫০-৫১ চনৰ পৰাই পঞ্চবাৰ্ষিক পৰিকল্পনা আৰম্ভ হয়। ১ম পঞ্চবাৰ্ষিক পৰিকল্পনাত শিক্ষাৰ শিতানত ১৫,১৬৬ কোটি টকা ধাৰ্য কৰা হৈছিল। বাৰ্ষিক হিচাপে ৩০.৩৩ কোটি টকা চৰকাৰে ধাৰ্য কৰে। ২য় পঞ্চবাৰ্ষিক পৰিকল্পনাত শিক্ষাৰ শিতানত ৩০৭ কোটি টকা ধাৰ্য কৰা হৈছিল। পঞ্চম পৰিকল্পনাৰ কালত শিক্ষাৰ ক্ষেত্ৰত ধাৰ্য কৰা অৰ্থৰ পৰিমাণ ১২৮৫ কোটি টকা। ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাত ২৫৩২.৭৪ কোটি টকা ধাৰ্য কৰা হয়। সপ্তম পৰিকল্পনাত ক্ৰমে ১৮০০০০ কোটি টকা। সপ্তম পৰিকল্পনাত শিক্ষা তথা বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ বিনিয়োগৰ পৰিমাণ ৬৩৮৩ কোটি আৰু ২৪৬৬ কোটি ধাৰ্য কৰা হয়। এই পৰিমাণ বিনিয়োগ ৰাশিৰ শতকৰা অনুপাতৰ হিচাপত যথাক্ৰমে ৩.৫ আৰু ১.৫ শতাংশ। অষ্টম পৰিকল্পনাত শিক্ষাৰ শিতানত মুঠ ব্যয় হৈছিল ১৯,৬০০ কোটি টকা। নৱম পঞ্চবাৰ্ষিক পৰিকল্পনাত মুঠ শৈক্ষিক ব্যয় আছিল ২০,৩৮,১৬৪ কোটি টকা। এই পৰিকল্পনাত ৰাজহুৱা খণ্ডত মুঠ বিনিয়োগৰ পৰিমাণ ৮,৭৫,০০ কোটি টকা। দশম পঞ্চবাৰ্ষিক পৰিকল্পনাত ৰাজহুৱা খণ্ডৰ বাবে ধাৰ্য কৰা বিনিয়োগ পুঁজি হ'ল ১৯,৯২,৯০০ কোটি টকা। দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত শিক্ষাৰ শিতানত ১০,০২৯ কোটি টকা ধাৰ্য কৰা হয়।

১৯৬০ চনৰ পৰৱৰ্তী কালছোৱাত শিক্ষাৰ ক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ ব্যয় বৃদ্ধি প্ৰতিখন উন্নয়নশীল

দেশতেই পৰিলক্ষিত হৈছে। উন্নয়নশীল দেশ মালয়েছিয়াত ১৯৯০-২০০২ চনৰ কালছোৱাত মুঠ চৰকাৰী ব্যয়ৰ শতাংশ হিচাপে শিক্ষাৰ ক্ষেত্ৰত ব্যয় ১৮.৩ ৰ পৰা ২০.৩ লৈ বৃদ্ধি হৈছে। একে সময়ছোৱাতে ভাৰতবৰ্ষত উক্ত সময়ছোৱাত চৰকাৰী ব্যয়ৰ শতাংশ হিচাপে শিক্ষা শিতানত ব্যয় ১২.২ শতাংশৰ পৰা ১২.৭ শতাংশলৈ বৃদ্ধি হৈছে। উদাহৰণস্বৰূপে ট'গ (Togo) ত উক্ত সময়ছোৱাত ৰাজহুৱা ব্যয়ৰ শতাংশ হিচাপে শিক্ষা শিতানত ব্যয় ২০.৪ ৰ পৰা ১২.৬ লৈ হ্ৰাস পায়। উল্লেখযোগ্য শতাংশ ব্যয় বৃদ্ধিৰ ক্ষেত্ৰত এনে বৈষম্যৰ সত্ত্বেও শিক্ষা শিতানত মুঠ ৰাজহুৱা ব্যয় সকলোবোৰ উন্নয়নশীল দেশবোৰত কম-বেছি পৰিমাণে বৃদ্ধি পায়।

২০০২ চনৰ সপ্তম সৰ্বভাৰতীয় বিদ্যালয় জৰীপ অনুসৰি ভাৰতবৰ্ষৰ ৰাজহুৱা খণ্ডৰ প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা ৩৬,৩০৭১ খন, অসমত ইয়াৰ সংখ্যা ২০৭২ খন। বৰ্তমান NCERTয়ে কৰা সপ্তম জৰীপ অনুযায়ী ৰাজহুৱা খণ্ডৰ অধীনত প্ৰাথমিক, উচ্চ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা ১০,৩০,৯৯৬ খন, উচ্চ শিক্ষাৰ ক্ষেত্ৰত স্বাধীনতাৰ কালত ভাৰতবৰ্ষত মুঠতে ২০ খন বিশ্ববিদ্যালয় আছিল কিন্তু বৰ্তমান বিশ্ববিদ্যালয়ৰ অনুদান আয়োগ (UGC)ৰ তথ্য মতে ৫৪ খন কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু ৪১১ খন ৰাজ্যিক বিশ্ববিদ্যালয় আছে। বিশ্বৰ প্ৰায়বোৰ দেশতে শিক্ষাৰ ক্ষেত্ৰত ৰাজহুৱা বিনিয়োগ অপচয়মূলক হয়। কিয়নো ব্যক্তিগত খণ্ডৰ বিনিয়োগ ৰাজহুৱা খণ্ডৰ বিনিয়োগতকৈ বহু বেছি। বিশেষকৈ ভাৰতৰ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত কৰা ৰাজহুৱা বিনিয়োগ বিভিন্ন কাৰণত যেনে — আৰ্থিক দুৰৱস্থা, অপচয় আৰু অনুন্নয়ন, অনাকৰ্ষণীয় বিদ্যালয় আদিৰ বাবে অপচয়মূলক হয়। ৰাজহুৱা খণ্ড বা চৰকাৰৰ শিক্ষাৰ ক্ষেত্ৰত যি বিনিয়োগ কৰিছে তাৰ ফলত শিক্ষানুষ্ঠানৰ সংখ্যা আৰু এইবোৰত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পালেও প্ৰকৃতভাৱে শিক্ষিত ব্যক্তিৰ সংখ্যাৰ বিশেষ উন্নতি পৰিলক্ষিত হোৱা নাই। ছাত্ৰ-ছাত্ৰীৰ শিক্ষা আৰু সামগ্ৰিক উন্নয়নৰ বাবে কৰা বিনিয়োগ বিশেষকৈ ল'ৰা-ছোৱালীৰ বাবে আৱাসৰ ব্যৱস্থা, জলপানিৰ ব্যৱস্থা, বিনামূলীয়া কচিং, মধ্যাহ্ন ভোজন, শিক্ষানুষ্ঠান নিৰ্মাণ, সা-সঁজুলিৰ যোগান আদি উল্লেখযোগ্য। ভাৰতৰ দৰে দেশত বিগত দশককেইটাত শিক্ষাৰ ক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ বিনিয়োগ বৃদ্ধি হ'লেও, এইবোৰত প্ৰদান কৰা শিক্ষা ব্যৱস্থাৰ যথেষ্ট আসোঁৱাহ আছে। অৱশ্যে এনে বিনিয়োগৰ ফলত মানৱ সম্পদৰ বিকাশ ঘটিছে। অৱশ্যে উন্নত দেশবোৰত এনে বিনিয়োগে শিক্ষা ব্যৱস্থাত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছে।

## ভাৰতবৰ্ষৰ শিক্ষাত বিনিয়োগ (Investment in Education in India)

মানৱ মূলধন গঠনত সহায় কৰা এক প্ৰধান উপাদান হ'ল শিক্ষা। শিক্ষাই শ্ৰমিকসকলৰ দক্ষতা বৃদ্ধি কৰি অৰ্থনৈতিক উন্নয়নত সহায় কৰে। ভাৰতবৰ্ষৰ দৰে এখন উন্নয়নশীল দেশত শিক্ষা ব্যয়ক বিনিয়োগ হিচাপে গ্ৰহণ কৰা হোৱা নাই। ভাৰতবৰ্ষৰ শিক্ষাক এটা সামাজিক কল্যাণমূলক কাৰ্য বুলি বিবেচনা কৰে।

ভাৰতবৰ্ষৰ স্বৰাজোত্তৰ কালত শিক্ষা ব্যৱস্থাত একঘেয়ামিতাৰ বাবে শিক্ষা ব্যৱস্থাই কলা, বিজ্ঞান, বাণিজ্যৰ কিছুসংখ্যক স্নাতক সৃষ্টি কৰাৰ বাহিৰে চমকপ্ৰদভাৱে বিশেষ প্ৰশিক্ষণপ্ৰাপ্ত শ্ৰমিকৰ সৃষ্টি কৰিছে বুলি ক'ব নোৱাৰি। ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাই শিক্ষিত লোকসকলক পুথিগত জ্ঞানেৰেহে সমৃদ্ধ কৰিছে। উৎপাদন কাৰ্যত সহায় কৰিব পৰাকৈ প্ৰশিক্ষণপ্ৰাপ্ত বা দক্ষ শ্ৰমিকৰ সৃষ্টি কৰিব পৰা নাই।

ভাৰতবৰ্ষৰ প্ৰথম পৰিকল্পনা কালৰে পৰাই চৰকাৰে যথেষ্ট টকা শিক্ষাৰ নামত বিনিয়োগ কৰি আহিছে। এতিয়াও অৰ্থনৈতিক উন্নয়নৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিসমূহৰ ভিতৰত শিক্ষাৰ বিনিয়োগে যথেষ্ট গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে।

প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা (১৯৫১-১৯৫৬) চনলৈকে চলা পঞ্চবাৰ্ষিক পৰিকল্পনাত শিক্ষাৰ শিতানত ১৫,১৬৬ কোটি টকা ধাৰ্য কৰা হৈছে। তাৰে ৩,৫০২ কোটি টকা কেন্দ্ৰীয় চৰকাৰ আৰু ১১,৬৬৮ কোটি টকা ৰাজ্যসমূহৰ বাবে ধাৰ্য কৰা হৈছিল। বছৰেকীয়া হিচাপে ৩০.৩৩ কোটি টকা ধাৰ্য কৰিছিল। দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত শিক্ষাৰ শিতানত ৩০৭ কোটি টকা ধাৰ্য কৰা হৈছিল। ইয়াৰ ৯৫ কোটি টকা কেন্দ্ৰৰ বাবে আৰু ২১২ কোটি টকা ৰাজ্যসমূহৰ বাবে ধাৰ্য কৰা হৈছিল।

প্ৰথম আৰু দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত শিক্ষাৰ ক্ষেত্ৰত বৃহৎ পৰিমাণৰ অৰ্থ ধাৰ্য কৰা হয়। শিক্ষাৰ শিতানত ১৫১৬৬ কোটি টকা ধাৰ্য কৰা হয়। বাৰ্ষিক হিচাপত ৩০.৩৩ কোটি টকাৰ ব্যয় নিৰ্ধাৰিত কৰা হয়। প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত ৯৩ কোটি টকা আৰু দ্বিতীয় পৰিকল্পনা কালত ৮৯ কোটি টকা ধাৰ্য কৰা হয়। মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত প্ৰথম পৰিকল্পনাত ২২ কোটি টকা আৰু দ্বিতীয় পৰিকল্পনা কালত ৫১ কোটি। উচ্চ শিক্ষাৰ ক্ষেত্ৰত প্ৰথম পৰিকল্পনাত ১৫ কোটি, দ্বিতীয় পৰিকল্পনা কালত ৫৭ কোটি। কাৰিকৰী আৰু বৃত্তিমুখী শিক্ষাৰ ক্ষেত্ৰত প্ৰথম পৰিকল্পনাত ২৩ কোটি আৰু দ্বিতীয় পৰিকল্পনা কালত ৪৮ কোটি, সামাজিক শিক্ষাৰ ক্ষেত্ৰত প্ৰথম পৰিকল্পনাত ৫ কোটি আৰু দ্বিতীয় পৰিকল্পনাত ৫ কোটি টকা ধাৰ্য কৰা হয়।

তৃতীয় (১৯৬১-৬৬) আৰু চতুৰ্থ (১৯৬৮-৭৪) পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত সাৰ্বজনীন প্ৰাথমিক শিক্ষা, বিজ্ঞান শিক্ষা, শিক্ষক প্ৰশিক্ষণ, কাৰিকৰী শিক্ষা আদি বিভিন্ন দিশত মনোযোগ

প্ৰদান কৰা হয়। পঞ্চম পৰিকল্পনা কাল শিক্ষাৰ শিতানত ধাৰ্য কৰা অৰ্থৰ পৰিমাণ ১২৮৫ কোটি। ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনা (১৯৮০ - ৮৫) ত বিনিয়োগৰ মুঠ শিতানসমূহ আছিল প্ৰাথমিক শিক্ষা, মাধ্যমিক শিক্ষা, শিক্ষক শিক্ষা, উচ্চ শিক্ষা, প্ৰাপ্তবয়স্ক শিক্ষা, শাৰীৰিক শিক্ষা, খেল, যুৱ কল্যাণ, সাধাৰণ শিক্ষা, কলা আৰু সংস্কৃতি, কাৰিকৰী শিক্ষা, ৰাজ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে ১৭৮৮.৯৯ কোটি টকা আৰু কেন্দ্ৰৰ বাবে ৭৩৪.৭৫ কোটি টকা ধাৰ্য কৰা হয়। সৰ্বমুঠ ২৫৩২.৭৪ কোটি টকা নিৰ্ধাৰণ কৰা হয়। বিগত পৰিকল্পনাসমূহৰ তুলনাত এই পৰিকল্পনা দেশৰ সৰ্ববৃহৎ পৰিকল্পনা। এই পৰিকল্পনাত মুঠ বিনিয়োগ আছিল ১৮০০০০ টকা। শিক্ষা আৰু বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত যথাক্ৰমে ৬৩৮৩ কোটি আৰু ২৪৬৬ কোটি টকা ধাৰ্য কৰা হয়। অষ্টম পৰিকল্পনা (১৯৯২ - ৯৭) কালছোৱাত পৰিকল্পনাই মানৱ সম্পদৰ বিকাশৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰে। এই পৰিকল্পনাৰ কালছোৱাত শিক্ষাৰ শিতানত মুঠ ব্যয় হৈছিল ১৯,৬০০ কোটি টকা।

নৱম পঞ্চবাৰ্ষিক পৰিকল্পনা (১৯৯৭-২০০০) মুঠ শৈক্ষিক ব্যয় আছিল ২০,৩৮,১৬৪ কোটি টকা। এই পৰিকল্পনাত ৰাজহুৱা খণ্ডত মুঠ বিনিয়োগৰ পৰিমাণ আছিল ৮,৭৫,০০০ কোটি টকা। দশম পঞ্চবাৰ্ষিক পৰিকল্পনা (২০০২-২০০৭) ৰাজহুৱা খণ্ডৰ বাবে ধাৰ্য কৰা বিনিয়োগ পুঁজি হ'ল ১৯,৯২,৯০০ কোটি টকা। একাদশ (২০০৭-২০১২)ত শিক্ষাৰ ক্ষেত্ৰত এক বৃহৎ অংকৰ ধন ব্যয় কৰা হয়। দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত শিক্ষা ১০,৩২৯ কোটি টকা ধাৰ্য কৰা হয়।

১৯৯০-২০০২ চনৰ কালছোৱাত ভাৰতবৰ্ষত চৰকাৰী ব্যয়ৰ শতাংশ হিচাপে শিক্ষা শিতানত ব্যয় ১২.২ শতাংশৰ পৰা ১২.৭ শতাংশলৈ বৃদ্ধি হৈছে। ভাৰতবৰ্ষৰ শিক্ষা শিতানত মুঠ চৰকাৰী ব্যয়ৰ ৩৮.৪ শতাংশ প্ৰাক-প্ৰাথমিক আৰু প্ৰাথমিক আৰু ৪০.১ শতাংশ মাধ্যমিক শিক্ষাত ব্যয় কৰা হৈছে। অৱশ্যে ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশবোৰত শিক্ষাৰ শিতানত বিনিয়োগ বৃদ্ধিকৰণৰ ফল ইতিবাচক হোৱা পৰিলক্ষিত হোৱা নাই। দৰিদ্ৰতা, অপচয় আৰু অনুন্নয়ন, আৰ্থিক দুৰৱস্থা আদি কিছুমান কাৰণৰ বাবে বহুসংখ্যক ল'ৰা-ছোৱালীয়ে আধাতে শিক্ষানুষ্ঠান ত্যাগ কৰে। ইয়াৰ ফলত শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে কৰা বিনিয়োগৰ অপচয় হয়। উন্নয়নশীল দেশবোৰত শিক্ষাৰ ক্ষেত্ৰত বিনিয়োগ বৃদ্ধি হ'লেও শিক্ষাৰ মানদণ্ডৰ আশানুৰূপ উন্নতি পৰিলক্ষিত হোৱা নাই। শিক্ষাৰ মূল্যায়নৰ আন্তঃৰাষ্ট্ৰীয় সংস্থা (International Association for the Educational Evaluation) য়ে ভাৰতবৰ্ষকে ধৰি ২৩ উন্নয়নশীল আৰু কম উন্নত দেশত চলোৱা সমীক্ষাত প্ৰতীয়মান হয় যে উন্নত দেশবোৰৰ তুলনাত এই দেশবোৰৰ শিক্ষাৰ পাঠ্যক্ৰম আৰু পদ্ধতি ত্ৰুটিপূৰ্ণ হোৱা বাবে জনসাধাৰণৰ শিক্ষাগত অৰ্হতা যথেষ্ট নিম্নপৰ্যায়ৰ।

ভাৰতবৰ্ষত শিক্ষাৰ ক্ষেত্ৰত হোৱা বিনিয়োগৰ এটা ত্ৰুটি হৈছে চহৰ বা নগৰ অঞ্চলত বিনিয়োগ হৈছে। সেয়ে ভাৰতবৰ্ষত শিক্ষাত হোৱা বিনিয়োগৰ ফলত চহৰ অঞ্চলৰ লোকসকলহে লাভাৱান্বিত

হৈছে। প্ৰকৃততে শিক্ষাৰ সুবিধা চহৰ আৰু গ্ৰাম্য অঞ্চলত উপযুক্ত বিতৰণৰ মাধ্যমত জনসাধাৰণৰ নিযুক্তি আৰু উপাৰ্জন বৃদ্ধিৰ সুবিধা প্ৰদান কৰিব পাৰিলেহে মানৱ সম্পদৰ বিকাশৰ লগতে মানৱ মূলধন গঠনৰ হাৰ বৃদ্ধি খৰতকীয়া হ'ব।

ভাৰতবৰ্ষত বিগত দশককেইটাৰ শিক্ষাৰ ক্ষেত্ৰত বিনিয়োগ বৃদ্ধি হ'লেও শিক্ষা ব্যৱস্থাৰ যথেষ্ট আসোঁৱাহ আছে। অৱশ্যে এনে বিনিয়োগৰ ফলত ভাৰতবৰ্ষত মানৱ সম্পদৰ বিকাশ ঘটিছে আৰু কিছু পৰিমাণে মানৱ মূলধনৰ গঠন হৈছে।

## শৈক্ষিক ব্যয় (Educational Cost) :

শিক্ষা আৰু অৰ্থনীতিৰ মাজত উন্নত হোৱা সম্বন্ধৰ পৰাই 'শিক্ষাৰ খৰচ' (Educational Cost) এই ধাৰণাৰ জন্ম হৈছে। বৰ্তমান শিক্ষাৰ এক শক্তিশালী ভেটি হিচাপে অৰ্থনীতিক স্বীকৃতি দিয়া হৈছে। শিক্ষাৰ এটা গুৰুত্বপূৰ্ণ লক্ষ্য বৃত্তিমূলক লক্ষ্য (Vocational aim) অৰ্থনীতিয়ে নিৰ্ধাৰণ কৰিছে।

অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা শিক্ষাক মানৱ সম্পদ বিকাশৰ প্ৰক্ৰিয়া হিচাপে বিবেচনা কৰা হয়। অৰ্থনীতিত উৎপাদন (Production) আৰু ব্যয় (Cost) দুটা সততে আলোচিত ধাৰণা। শিক্ষাৰদ্বাৰা উঠি অহা ছাত্ৰ-ছাত্ৰীৰ দক্ষতাৰ বিকাশ সাধন কৰা হয়। এই দক্ষতাই উৎপাদনৰ মূল চালিকা শক্তি। শিক্ষাৰ দ্বাৰা মানৱ সম্পদৰ বিকাশৰ প্ৰক্ৰিয়াত ধন, জন, শ্ৰম আৰু সেৱাৰ প্ৰয়োজন হোৱাটো স্বাভাৱিক। এইসমূহ হৈছে মানৱ সম্পদ উৎপাদনৰ ক্ষেত্ৰত ব্যৱহৃত হোৱা উপাদান। এই উপাদানসমূহ পৰিচালনাৰ বাবে ধন অৰ্থাৎ খ ৰচৰ প্ৰয়োজন। মানৱ সম্পদ বিকাশ প্ৰক্ৰিয়াত যি পৰিমাণৰ ধন ব্যয় হয় সেয়াই শৈক্ষিক ব্যয় (Educational Cost)। শিক্ষাবিদ আৰু অৰ্থনীতিবিদসকলে 'শৈক্ষিক ব্যয়'ক বিনিয়োগলৈ (Investment) ৰূপান্তৰ কৰাৰ প্ৰচেষ্টা কৰিছে। বিনিয়োগ হৈছে উৎপাদনৰ সময়ত কৰা খৰচ। মানৱ সম্পদ উৎপাদনৰ সময়ছোৱাত যি পৰিমাণৰ ধন ব্যয় হয় সেই ধন যদি অধিক মাত্ৰাত ঘূৰি আহে, সেয়াই বিনিয়োগ বুলিব পাৰি। শৈক্ষিক ব্যয়ক বিনিয়োগলৈ ৰূপান্তৰ কৰিব পাৰিলেহে শিক্ষাৰ প্ৰকৃত মূল্য আৰোপিত হ'ব। এই কাৰ্য সম্ভৱ হ'ব যদিহে শৈক্ষিক ব্যয়সমূহ বিশ্লেষণ কৰা হয়।

## শৈক্ষিক ব্যয়ৰ ধাৰণা আৰু প্ৰকৃতি (Concept and Nature of Educational Cost) :

বৰ্তমান সময়ত শিক্ষা মানৱ সম্পদৰ বিকাশৰ প্ৰক্ৰিয়া বুলি চিহ্নিত হৈছে। এই প্ৰক্ৰিয়াত ছাত্ৰৰ উৎপাদন দক্ষতা (Production efficiency) বৃদ্ধি কৰা হয়। উপযুক্ত জ্ঞান আৰু দক্ষতা প্ৰদান কৰিবলৈ যাওঁতে বহুখিনি অৰ্থ ব্যয় হোৱাটো স্বাভাৱিক। এই ব্যয় ছাত্ৰজনৰ পৰিয়ালে, চৰকাৰে আৰু সমাজে

বহন কৰে। আনুষ্ঠানিক শিক্ষাৰ দ্বাৰা শৃংখলাবদ্ধভাৱে মানৱ সম্পদৰ বিকাশ সাধন হয়। এই প্ৰক্ৰিয়াত এক বুজন পৰিমাণৰ ধন ব্যয় হয়। এই ধন ব্যয় কৰি ছাত্ৰজনক অধিক উৎপাদনক্ষম কৰি তুলিব বিচৰা হয়। অৰ্থাৎ বৰ্তমান সময়ত লাভ কৰা জ্ঞান আৰু দক্ষতাৰ সহায়ত ভৱিষ্যতে অধিক উৎপাদনত অংশীদাৰ হ'ব পাৰিব।

প্ৰত্যেক ব্যক্তিৰে কাম কৰাৰ ক্ষমতা থাকে। এই ক্ষমতা বা দক্ষতাক (Efficiency) নিৰ্দিষ্ট দিশত পৰিচালনা কৰাৰ বাবে শক্তিশালী আঁচনিৰ প্ৰয়োজন। শিক্ষা আঁচনিখন পৰিকল্পনা কৰাৰ পৰা কাৰ্যকৰী কৰালৈকে (Planning to execution) বহুতো মানৱ সম্পদ আৰু ভৌতিক সম্পদ জড়িত হৈ পৰে। দক্ষতাসম্পন্ন শিক্ষক, স্কুলগৃহ, মানদণ্ডসম্পন্ন পৰীক্ষাগাৰ, সুসজ্জিত পুথিভঁৰাল, খেলপথাৰ, শিক্ষণ সঁজুলি আদি একাধিক উপাদানৰ সহযোগিতাতহে মানৱ সম্পদৰ বিকাশ সম্পূৰ্ণ হয়। এই সকলোবোৰ ক্ষেত্ৰত সঠিক পৰিচালনাৰ প্ৰয়োজন। দক্ষ প্ৰশিক্ষক, অনাশিক্ষক, কৰ্মচাৰী আদিৰ সহযোগিতা উক্ত কাৰ্যত সমানে গুৰুত্বপূৰ্ণ। মানৱ সম্পদৰ বিকাশৰ লগত জড়িত ভৌতিক উপাদান আৰু মানৱ উপাদানসমূহ পৰিচালনাৰ বাবে খৰচ হোৱা ব্যয়কো 'শৈক্ষিক ব্যয়' (Educational Cost) বুলি কোৱা হয়। অৰ্থনৈতিক দৃষ্টিভংগীৰ দিশৰ পৰা উৎপাদনৰ লগত জড়িত উপাদানসমূহৰ বাবে হোৱা খৰচ এক গুৰুত্বপূৰ্ণ আলোচনাৰ বিষয়। বৰ্তমান সময়ত শিক্ষা আৰু অৰ্থনীতিৰ মাজত গঢ় লৈ উঠা সম্পৰ্কৰ বাবে 'শৈক্ষিক ব্যয়'ৰ চিন্তা-চৰ্চাই গুৰুত্ব পাইছে।

## শৈক্ষিক ব্যয়ৰ সংজ্ঞা (Definition of Educational Cost) :

শৈক্ষিক ব্যয়ৰ সংজ্ঞা দিবলৈ হ'লে বিভিন্ন শিক্ষাবিদসকলে শিক্ষা প্ৰক্ৰিয়াত হ'ব পৰা ব্যয়সমূহৰ যি তালিকা প্ৰস্তুত কৰিছে সেয়া আলোচনা কৰিব লাগিব। শিক্ষা প্ৰক্ৰিয়াত বিশেষত দুই ধৰণৰ খৰচ হয়। ব্যক্তিগত খৰচ আৰু চৰকাৰে বহন কৰা খৰচ। ইয়াৰ উপৰি কিছুমান খৰচ প্ৰত্যক্ষভাৱে সম্পন্ন হয় আৰু আন কিছুমান ব্যয় শিক্ষাৰ মানৱ সম্পদ আৰু ভৌতিক সম্পদ পৰিচালনা কৰোঁতে কৰা হয়। যিমান পৰিমাণৰ ধন খৰচ কৰা হ'ল তাৰ তুলনাত শিক্ষা লাভৰ অন্তত অধিক ধন উপাৰ্জন কৰিবলৈ সক্ষম কৰি তোলা প্ৰয়োজন।

শিক্ষাক মানৱ সম্পদ বিকাশৰ প্ৰক্ৰিয়া হিচাপে সমগ্ৰ বিশ্বই গণ্য কৰিছে। সকলো ধৰণৰ উৎপাদনতকৈ মানৱ সম্পদ উৎপাদন অৰ্থনৈতিক দিশৰ পৰা অধিক গুৰুত্বপূৰ্ণ। কাৰণ শিক্ষাৰ দ্বাৰা দক্ষ শ্ৰমিক সৃষ্টি কৰা হয়। শ্ৰমিকৰ দক্ষতাৰ ওপৰতেই সমগ্ৰ উৎপাদন প্ৰক্ৰিয়া নিৰ্ভৰ কৰে। আমি জানো যে উৎপাদনৰ চাৰিটা উপাদান হৈছে ভূমি (Land), শ্ৰমিক (Labour), মূলধন (Capital) আৰু সংগঠন (Organization)। প্ৰকৃতপক্ষে শ্ৰমিকৰ দক্ষতাই উৎপাদনৰ আন উপাদানসমূহ নিয়ন্ত্ৰণ কৰে। শ্ৰমিকৰ দক্ষতা বৃদ্ধিয়েই হৈছে মানৱ সম্পদৰ বিকাশ। ইয়াৰ বাবে উপযুক্ত শিক্ষাৰ প্ৰয়োজন। সেয়েহে বৰ্তমান সময়ত কেনে ধৰণৰ শিক্ষা কাৰ্যত বিনিয়োগ কৰিলে ভৱিষ্যতৰ উৎপাদন বেছি হ'ব সেয়া

বিচাৰ-বিবেচনাৰে সিদ্ধান্ত লোৱাৰ প্ৰয়োজন আছে। বৃত্তিমূলক শিক্ষা (Vocational Education), ব্যৱসায়িক শিক্ষা (Professional Education), কাৰিকৰী শিক্ষা (Technical Education) আদি এই ক্ষেত্ৰত লাভজনক বিনিয়োগৰ ক্ষেত্ৰ বুলি ক'ব পাৰি। সাধাৰণভাৱে চাবলৈ গ'লে শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰজনৰ পৰিয়াল বা অভিভাৱকে শিক্ষাৰ মাচুল, কিতাপ পত্ৰ, অহা-যোৱাৰ খৰচ, হোষ্টেলত থকাৰ খৰচ আদি কৰিবলগীয়া হয়।

চৰকাৰে শিক্ষানুষ্ঠান নিৰ্মাণ, শিক্ষণ সঁজুলি ক্ৰয়, শিক্ষক, অনাশিক্ষক, কৰ্মচাৰীক দিবলগীয়া দৰমহা, গৱেষণাগাৰৰ বাবে যাৱতীয় সামগ্ৰী কিনা, পুথিভঁৰালৰ পৰিচালনা কৰা, খেলপথাৰৰ সুবিধা প্ৰদান কৰা আদি ব্যয় সম্পাদন কৰে। এই শৈক্ষিক ব্যয়সমূহত পৰোক্ষভাৱে সমাজৰ নাগৰিকসকলেও অৰিহণা যোগায়। কাৰণ চৰকাৰে নাগৰিকসকলৰ পৰা সংগ্ৰহ কৰা কৰৰ পৰাই এই খৰচ বহন কৰে।

উপৰোক্ত সকলোবিলাক ব্যয় 'শৈক্ষিক ব্যয়' (Educational Cost)ৰ অন্তৰ্ভুক্ত। সেয়েহে ক'ব পাৰি শৈক্ষিক ব্যয় হৈছে শিক্ষা প্ৰক্ৰিয়াত হোৱা ব্যয়। (Expenditure on educating a child)।

## শৈক্ষিক ব্যয়ৰ প্ৰকৃতি (Nature of Educational Cost) :

বৰ্তমান সময়ত উৎপাদনৰ লগত জড়িত ব্যয়সমূহক বিনিয়োগলৈ (investment) ৰূপান্তৰ কৰাৰ প্ৰক্ৰিয়া চলিছে। ইয়াৰ অৰ্থ হৈছে যি পৰিমাণৰ ধন উৎপাদন প্ৰক্ৰিয়াত ব্যয় কৰা হৈছে তাতকৈ অধিক অৰ্থ উপাৰ্জন কৰা। এইখিনিতে এটা গুৰুত্বপূৰ্ণ দিশ হৈছে যে আন উৎপাদনৰ পৰা যিদৰে প্ৰত্যক্ষভাৱে আৰ্থিক লাভ পোৱা যায় বা পাবলৈ বিচৰা হয়, শিক্ষাৰ ক্ষেত্ৰত কিন্তু কেৱল আৰ্থিক লাভ পাবলৈ বিচৰা নহয়। জ্ঞান (knowledge) আৰু মানসিক সন্তুষ্টি (mental satfisfaction)ও উৎপাদনৰ ভিতৰত পৰে। সেয়েহে শিক্ষাৰ ব্যয়ৰ প্ৰকৃতি আন উৎপাদন ব্যয়তকৈ পৃথক। উদাহৰণস্বৰূপে এখন কিতাপ কিনিলে কিতাপৰ দামটো অৰ্থনৈতিক দিশৰ পৰা ব্যয়, বিনিয়োগ নহয়। যিহেতু সেই ব্যয়ৰ পৰা আৰ্থিক লাভ নহয়। কিন্তু শিক্ষাৰ দিশৰ পৰা যি জ্ঞান আৰু সন্তুষ্টি লাভ কৰা যাব, সেই অৱস্থাই ব্যয়ক বিনিয়োগৰ পৰ্যায়লৈ লৈ যায়।

এটা জাতিয়ে আৰ্থ-সামাজিক উন্নতিৰ বাবে শিক্ষাৰ ওপৰতেই প্ৰধানকৈ নিৰ্ভৰ কৰে। মানৱ সম্পদৰ দক্ষতাই প্ৰাকৃতিক সম্পদক নিয়ন্ত্ৰণ কৰে। শিক্ষাই এখন দেশৰ সাহিত্য, সংস্কৃতি, ঐতিহ্য ৰক্ষাৰ দায়িত্ব লয়। শিক্ষাই কেৱল উৎপাদনত জড়িত হ'ব পৰাকৈ যে ব্যক্তিৰ কৰ্মদক্ষতা বৃদ্ধিৰ উদ্দেশ্যত সীমাবদ্ধ থাকে এনে নহয়, সুনাগৰিক গঢ়ি, সমাজৰ বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়াব পৰাকৈ শিল্পী, সাহিত্যিক, শিক্ষক, অভিযন্তা, স্থপতিবিদ, খেলুৱৈ, চিকিৎসক, নাৰ্চ, সমাজসেৱী, সমাজত নেতৃত্ব দিব পৰা ব্যক্তিৰ দক্ষতা বৃদ্ধিৰো লক্ষ্য ৰাখে।

শিক্ষা, উৎপাদন (Production), ব্যয় এই দিশসমূহ বিশ্লেষণ কৰিলে শিক্ষাত কৰিবলগীয়া খৰচৰ ক্ষেত্রত আগতীয়াকৈ নির্ধাৰণ কৰি কিছুমান নীতি মানি চলাৰ সিদ্ধান্ত ল'ব পাৰি। এই নীতিসমূহ তলত দিয়া ধৰণৰ —

প্রথমতে, শিক্ষাত কৰা খৰচ (Expenditure) বিনিয়োগলৈ পর্যবসিত কৰাৰ চেষ্টা কৰিব লাগে, কিন্তু শিক্ষাই সম্পূর্ণ টকাৰ আকাৰত ঋণ পৰিশোধ (liquidate) কৰিব বুলি ভবা উচিত নহয়। সেই খৰচ যাতে জাতিৰ উন্নতি (national development) সাধন কৰিবলৈ সমর্থবান ব্যক্তি প্রস্তুত কৰিবলৈ সমর্থ হয় তাৰ প্রতিহে চকু দিব লাগিব।

দ্বিতীয়তে, জনশক্তিৰ বিকাশৰ অর্থে অধিক ব্যয় কৰাত গুৰুত্ব দিব লাগে। তেতিয়া মানৱ সম্পদ আৰু ভৌতিক সম্পদ অপচয়ৰ পৰা ৰক্ষা পৰে।

তৃতীয়তে, শিক্ষাৰ সমসুবিধা প্রদান কৰাৰ ক্ষেত্রত অধিক ব্যয় কৰাৰ ক্ষেত্রত গুৰুত্ব দিব লাগে। সেইবাবে সার্বজনীন আৰু বিনামূলীয়া শিক্ষাৰ বাবে অধিক ব্যয় কৰাৰ ক্ষেত্রত চৰকাৰে অগ্রাধিকাৰ দিয়ে।

চতুর্থতে, শিক্ষাত সম্পন্ন হোৱা ব্যয়ৰ আর্থিক প্রতিদান প্রত্যক্ষভাৱে পোৱা নাযায়। ভৱিষ্যতৰ দক্ষ নাগৰিকৰ প্রশিক্ষণ দিয়া কার্য হিচাপে শিক্ষা কার্যক চিহ্নিত কৰাৰ ক্ষেত্রত চৰকাৰে অগ্রাধিকাৰ দিয়ে।

চতুর্থতে, শিক্ষাত সম্পন্ন হোৱা ব্যয়ৰ আর্থিক প্রতিদান প্রত্যক্ষভাৱে পোৱা নাযায়। ভৱিষ্যতৰ দক্ষ নাগৰিকৰ প্রশিক্ষণ দিয়া কার্য হিচাপে শিক্ষা কার্যত চিহ্নিত কৰা হয়। সেয়ে ছাত্রৰ শাৰীৰিক উন্নতি সাধনৰ বাবেও ব্যয় কৰাত গুৰুত্ব দিয়া হয়।

পঞ্চমতে, জনশক্তিৰ (Manpower) বিকাশ শিক্ষা কার্যৰ মূল দায়িত্ব। কাৰণ দেশৰ আর্থ-সামাজিক উন্নতি নির্ভৰ কৰিছে জনশক্তিৰ ওপৰত। এই ক্ষেত্রত অধিক মাত্রাত ব্যয় কৰাৰ প্রয়োজন আছে।

ষষ্ঠতে, শিক্ষা ব্যৱস্থাৰ গুণগত আৰু সংখ্যাগত বিকাশে দেশ এখনৰ পৰিচয় বহন কৰে। সেয়ে এই দুইটা দিশৰ বিকাশৰ অর্থে ব্যয় নির্ধাৰণ কৰিব লাগে।

এইদৰে শৈক্ষিক ব্যয়ৰ প্রকৃতিৰ এক নিজস্বতা (Uniqueness) আছে, যি আন আন উৎপাদনৰ ব্যয়ৰ লগত নিমিলে। শৈক্ষিক ব্যয়ে কোনো এজন ব্যক্তিৰ ব্যক্তিগত প্রয়োজন পূৰণ কৰিব পৰাকৈ উৎপাদন নকৰে। এটা জাতিৰ, এখন সমাজৰ বর্তমান আৰু ভৱিষ্যদ্রষ্টা হিচাপে কাম কৰে। সেয়ে শিক্ষাবিদ আৰু অর্থনীতিবিদসকলে শৈক্ষিক ব্যয় অতি সাৱধানতাৰে আৰু গুৰুত্ব সহকাৰে পৰিকল্পনা কৰিহে সম্পাদন কৰাত গুৰুত্ব আৰোপ কৰিছে।

## শৈক্ষিক ব্যয়ৰ বিভিন্ন প্ৰকাৰসমূহৰ অৰ্থ আৰু প্ৰকৃতি (Meaning and nature of different types of Educational Cost) :

শৈক্ষিক ব্যয়ৰ অৰ্থ আৰু প্ৰকৃতি আলোচনা কৰোঁতে এই কথা স্পষ্ট হৈ উঠিল যে শিক্ষা এক বিশেষ ধৰণৰ উৎপাদনৰ প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াত প্ৰত্যক্ষভাৱে সামগ্ৰী উৎপাদন নহয়। সামগ্ৰী উৎপাদন কৰিবৰ বাবে যি দক্ষতাৰ উৎপাদন হয়, সেই দক্ষতাৰ (skill) বিকাশ সাধন কৰা হয়। শিক্ষাই মানৱ সম্পদৰ (human resource) ৰ গুণগত দিশটোৰ বিকাশ সাধন কৰে। সমগ্ৰ প্ৰক্ৰিয়াটোত ব্যয়ৰ ধাৰণা জড়িত হৈ থাকে। এই ব্যয় বিশ্লেষণ কৰিলে পোৱা যায় যে ছাত্ৰ-ছাত্ৰীৰ পৰিয়ালৰ ফালৰ পৰা সমাজ তথা চৰকাৰৰ ফালৰ পৰা বুজন পৰিমাণৰ ধন ব্যয় হয়। সকলো উৎপাদনতে ব্যয় জড়িত থাকে যদিও সেই ব্যয় বেলেগ বেলেগ দিশত সম্পন্ন হয়। শিক্ষাৰ ক্ষেত্ৰত বিশেষভাৱে তলত দিয়া ধৰণৰ ব্যয় সম্পাদিত হয়।

১। প্ৰত্যক্ষ ব্যয় (Direct Cost)
২। পৰোক্ষ ব্যয় (Indirect Cost)
৩। মুদ্ৰা ব্যয় (Money Cost)
৪। সামাজিক ব্যয় (Social Cost)
৫। আনুষ্ঠানিক ব্যয় (Institutional Cost)
৬। ব্যক্তিগত ব্যয় (Private Cost)
৭। সুযোগ ব্যয় (Opportunity Cost)
৮। একক ব্যয় (Unit Cost)

### ১। শিক্ষাৰ প্ৰত্যক্ষ ব্যয় (Direct Cost of Education) :

শিক্ষাৰ ক্ষেত্ৰত এজন ছাত্ৰক শিক্ষা দিওতে প্ৰত্যক্ষভাৱে চৰকাৰৰ, সমাজৰ, পৰিয়ালৰ তৰফৰ পৰা ব্যয় হয়। ছাত্ৰজনৰ পৰিয়ালে বা অভিভাৱকে বিদ্যালয়ত নামভৰ্তিৰ খৰচ, মাচুল আদায় দিয়াৰ খৰচ হোষ্টেলত থকাৰ বাবে হোৱা খৰচ, যাতায়াতৰ বাবে হোৱা খৰচ, কিতাপ, বিদ্যালয়ৰ সাজপাৰ আদি কিনাৰ খৰচ আদি বিভিন্ন ধৰণৰ যাৱতীয় খৰচ বহন কৰিবলগীয়া হয়। এইসমূহ খৰচ পৰিয়ালে প্ৰত্যক্ষভাৱে ব্যয় কৰে।

শিক্ষানুষ্ঠান নিৰ্মাণ কৰা পুনঃনিৰ্মাণ কৰা, শিক্ষক-শিক্ষয়িত্ৰীৰ দৰমহা, অনাশিক্ষক, কৰ্মচাৰীৰ বাবে দিবলগীয়া দৰমহা, পুথিভঁৰালৰ বাবে কিতাপ কিনা, খেলপথাৰ পৰিচালনা কৰা, খেলৰ সামগ্ৰী কিনা, গৱেষণাগাৰৰ পৰিচালনাৰ বাবে প্ৰয়োজন হোৱা ধনৰ বাবে চৰকাৰে শিক্ষানুষ্ঠানসমূহক আৰ্থিক সাহায্য

দিয়ে। এয়া চৰকাৰৰ ফালৰ পৰা শিক্ষাৰ বাবে কৰা প্ৰত্যক্ষ খৰচ। প্ৰত্যক্ষ খৰচত সমাজৰ নাগৰিকসকলৰো পৰোক্ষ অৱদান থাকে। কাৰণ চৰকাৰে নাগৰিকৰ পৰা সংগ্ৰহ কৰা আয়কৰ, বিক্ৰী কৰ, সম্পত্তি কৰ আদিৰ পৰাই উন্নয়নমূলক কাম-কাজ সম্পন্ন কৰে।

ওপৰত আলোচনা কৰা শিক্ষাৰ খৰচসমূহ প্ৰত্যক্ষ ব্যয়ৰ (Direct Cost) অন্তৰ্ভুক্ত।

**২। শিক্ষাৰ পৰোক্ষ ব্যয় (Indirect Cost of Education) :**

শিক্ষাৰ প্ৰত্যক্ষ ব্যয়সমূহ সততে চকুত পৰে যদিও এই প্ৰক্ৰিয়াত কিছুমান পৰোক্ষ ব্যয় নথকা নহয়। ব্যয় বিশ্লেষণ কৰিলে দেখা যাব শিক্ষা লাভৰ সময়ছোৱাত ছাত্ৰজনে বহুতো ত্যাগ কৰিবলগীয়া হয়। ইয়াক ত্যাগ কৰা উপাৰ্জন (Foregone Cost) বুলি ক'ব পাৰি। এই ধাৰণাৰ অৰ্থ হৈছে যদিহে ছাত্ৰজনে স্কুললৈ নগৈ কোনো কাম-কাজত অংশগ্ৰহণ কৰিলেহেঁতেন, তেওঁ কিছু টকা-পইচা উপাৰ্জন কৰিব পাৰিলেহেঁতেন। অৰ্থাৎ স্কুল-কলেজত উপস্থিত থাকিব লগা হোৱা কাৰণে ছাত্ৰজনে কিছু উপাৰ্জন ত্যাগ কৰিব লগা হ'ল। ত্যাগ কৰা উপাৰ্জন পৰোক্ষ ব্যয়ৰ অন্তৰ্গত।

চৰকাৰৰ ফালৰ পৰাও কিছুমান পৰোক্ষ ব্যয় সম্পন্ন হয়। ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ বাবে যি পৰিমাণৰ ধন ব্যয় কৰিব লগা হ'ল সেয়া আন কামত খৰচ কৰা হ'লে প্ৰত্যক্ষ উৎপাদন হিচাপে পৰিশোধ পাব পৰা গ'লহেঁতেন। একেধৰণে সমাজৰ নাগৰিকসকলেও কিছু পৰিমাণৰ নিজৰ উপাৰ্জন ত্যাগ কৰিব লগা হয়।

চৰকাৰে শিক্ষানুষ্ঠানসমূহক ৰেহাই মূল্যত বিদ্যুৎ যোগান, পানী যোগান, কৰ ৰেহাই আদিৰ সুবিধা প্ৰদান কৰে। এই ৰেহাইসমূহ চৰকাৰৰ খৰচৰ বাজেটত নাথাকে। কিন্তু শিক্ষাৰ সামাজিক গুৰুত্বলৈ চাই চৰকাৰ আৰু কৰদাতাসকলে নিজৰ সুবিধা ত্যাগ কৰে। অৰ্থনীতিত এই ধৰণৰ ব্যয়সমূহক প্ৰকৃত ব্যয় (Real Cost) বুলি কোৱা হয়। বহু ক্ষেত্ৰত ছাত্ৰজনে ত্যাগ কৰা ব্যয়কে পৰোক্ষ বুলি ধৰা হয়। কিন্তু স্পষ্টকৈ ধৰা নপৰিলেও চৰকাৰ আৰু সমাজৰ ত্যাগ কৰা উপাৰ্জন (Foregone Cost)ৰ মূল্য নোহোৱা নহয়। প্ৰকৃততে পৰোক্ষ ব্যয়ৰ বিশদ জ্ঞান পাবলৈ হ'লে এইসমূহ ত্যাগকো অন্তৰ্ভুক্ত কৰিব লাগিব।

উল্লেখযোগ্য যে শিক্ষাৰ বাবদ হোৱা খৰচ প্ৰত্যক্ষ (Direct) আৰু পৰোক্ষ (Indirect) ব্যয়ৰ সমষ্টিৰ দ্বাৰা সম্পন্ন হয়।

**৩। মুদ্ৰা ব্যয় (Money Cost) :**

উৎপাদন ব্যয়কে (Production Cost) মুদ্ৰা ব্যয় বুলি কোৱা হয়। উৎপাদন আৰু ব্যয় দুয়োটা ধাৰণাৰ মাজত ওচৰ সম্পৰ্ক আছে। সকলো ধৰণৰ উৎপাদনতে ব্যয় জড়িত থাকে। এই ব্যয় মুদ্ৰাৰ আকাৰত, শ্ৰমস্বৰূপে আৰু সেৱাৰ (Service) ৰূপে সম্পাদিত হয়।

উৎপাদন কাৰ্যত মুদ্ৰাৰ মাধ্যমত কৰা সকলো ব্যয়কে মুদ্ৰা ব্যয় বোলা হয়। শৈক্ষিক ক্ষেত্ৰত যিবিলাক মুদ্ৰা ব্যয় হয় সেইবিলাকেই শিক্ষাৰ মুদ্ৰা ব্যয়ৰ শিতানত পৰে।

শৈক্ষিক উৎপাদনৰ ফল হৈছে মানৱ সম্পদ। উৎপাদন ক্ষমতাসম্পন্ন ব্যক্তিকে মানৱ সম্পদ বোলা হয়। মুদ্ৰা ব্যয়ৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক অধিক সমৰ্থবান কৰি তোলা হয়। উল্লেখযোগ্য যে আন উৎপাদনৰ ক্ষেত্ৰত মুদ্ৰা ব্যয়ৰ দ্বাৰা অধিক মুদ্ৰা অৰ্জন কৰাৰ থল থাকে। কিন্তু শিক্ষাৰ দ্বাৰা প্ৰত্যক্ষভাৱে আৰ্থিক লাভ পাব নোৱাৰি। শিক্ষাই উৎপাদনৰ এক গুৰুত্বপূৰ্ণ উপাদান 'শ্ৰমিকৰ' দক্ষতাহে বৃদ্ধি কৰে। এই উৎপাদন দক্ষতা এখন দেশৰ অৰ্থনৈতিক আৰু সামাজিক উন্নতিৰ মূল আহিলা। শিক্ষাৰ ক্ষেত্ৰত হোৱা মুদ্ৰা ব্যয়ে তলত দিয়া খৰচসমূহ অন্তৰ্ভুক্ত কৰে।

(i) শিক্ষানুষ্ঠানৰ গৃহ নিৰ্মাণৰ বাবে হোৱা ব্যয়, শিক্ষানুষ্ঠানৰ শ্ৰেণীকোঠা মেৰামতি কৰা, শিক্ষণ সঁজুলি ক্ৰয় আদিত হোৱা ব্যয়।

(ii) শিক্ষক, অনাশিক্ষক, কৰ্মচাৰীক দৰমহা দিয়াৰ ক্ষেত্ৰত মুদ্ৰা ব্যয় সম্পন্ন হয়।

(iii) শিক্ষাৰ্থীৰ মাচুল, সাজপাৰ, যাতায়াত, থকাৰ খৰচ আদি মুদ্ৰাৰ জৰিয়তে সম্পন্ন হয়।

(iv) শিক্ষানুষ্ঠানখনে কোনো কামৰ বাবে যদি ঋণ লৈছে সেয়া পৰিশোধ মুদ্ৰাৰ দ্বাৰা কৰিবলগীয়া হয়।

(v) গৱেষণাগাৰ, পুথিভঁৰাল, খেলপথাৰ আদিৰ বাবে হোৱা খৰচ।

উপৰোক্ত ব্যয়সমূহ মানৱ সম্পদ বিকাশ প্ৰক্ৰিয়াত মুদ্ৰাৰ দ্বাৰা খৰচ কৰা হয়। মুদ্ৰা ব্যয় প্ৰকাশ্য (explicit) আৰু অন্তৰ্নিহিত (implicit) দুই ধৰণৰ হ'ব পাৰে।

**প্ৰকাশ্য ব্যয় (Explicit Cost) :** যি সমূহ মুদ্ৰা ব্যয় উৎপাদন কাৰ্যত প্ৰত্যক্ষ আৰু প্ৰকাশ্যভাৱে কৰা হয় সেয়াই প্ৰকাশ্য ব্যয়। শিক্ষকৰ দৰমহা, বিদ্যুৎ বিল, পৰিবহন, ঋণ পৰিশোধ আদিৰ বাবে কৰা ব্যয়সমূহ প্ৰকাশ্য ব্যয়।

**অন্তৰ্নিহিত ব্যয় (Implicit Cost) :** শৈক্ষিক ব্যয়ৰ ক্ষেত্ৰত কিছুমান ব্যয় অন্তৰ্নিহিত ধৰণৰ থাকে। এই ব্যয়সমূহ মুদ্ৰাৰ দ্বাৰা প্ৰত্যক্ষভাৱে কৰা নহয়। কিন্তু এই উপাদানসমূহ উৎপাদনত ব্যৱহাৰ হয়। সেই উপাদানসমূহৰ ব্যৱহাৰ মূল্যই হৈছে অন্তৰ্নিহিত ব্যয়। শিক্ষানুষ্ঠান প্ৰতিষ্ঠা আৰু পৰিচালনাৰ বাবে ভূমি, শ্ৰম, মূলধনৰ ব্যৱহাৰ হোৱাটো স্বাভাৱিক। এই ব্যয়সমূহ উৎপাদন ব্যয়ৰ শিতানত ৰখা নহয়, কিন্তু এইসমূহৰ ব্যৱহাৰযোগ্যতা খৰচৰ ভিতৰতে পৰে। কাৰণ এই সমূহ ক্ৰয় কৰোঁতে মুদ্ৰা ব্যয় সম্পন্ন হৈছিল।

গতিকে মুদ্ৰা ব্যয়ৰ প্ৰকৃত স্বৰূপ জানিব পৰা যাব প্ৰকাশ্য ব্যয় আৰু অন্তৰ্নিহিত ব্যয়ৰ সমষ্টিক একেলগে বিশ্লেষণ কৰিলেহে। কাৰণ শিক্ষা প্ৰক্ৰিয়াত দুই ধৰণে মুদ্ৰাৰ ব্যয় হয়।

### ৪। সামাজিক ব্যয় (Social Cost) :

শৈক্ষিক ব্যয়ৰ আলোচনাত সামাজিক ব্যয়ে এক বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সামাজিক ব্যয় বুলিলে দুই ধৰণৰ ব্যয়ক বুজা যায়। ছাত্ৰজনৰ অভিভাৱকে ছাত্ৰজনে শিক্ষা লাভ কৰাৰ সময়ত যি ব্যয় কৰে সেইসমূহ ব্যক্তিগত খৰচ আৰু চৰকাৰে যিসমূহ খৰচ বহন কৰে সেইসমূহ চৰকাৰী খৰচ বুলি ক'ব পাৰি। ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰিবলৈ শিক্ষানুষ্ঠানখনে কিছু পৰিমাণৰ মূলধন ব্যয় কৰে। সেই ব্যয় স্কুল গৃহ নিৰ্মাণ কৰা, সেইসমূহ মেৰামতি কৰা, আন সা-সুবিধাসমূহ প্ৰদান কৰা, খেলপথাৰ, গৱেষণাগাৰ, শিক্ষণ সঁজুলি আদিত ব্যয় কৰাটো নিৰ্দিষ্ট খৰচৰ শাৰীত পৰে। এই ব্যয়সমূহ চৰকাৰে দিয়া আৰ্থিক সাহায্যৰ পৰা কৰা হয়। এই ধৰণৰ ব্যয়ত চৰকাৰে শিক্ষা, স্বাস্থ্য আদি খণ্ডত উন্নয়নমূলক কাম-কাজৰ বাবে কৰ সংগ্ৰহ কৰে। সমাজৰ নাগৰিকসকলে বিক্ৰী কৰ, আয়কৰ, সম্পত্তি কৰ আদিৰ বাবে কৰ প্ৰদান কৰে। অৰ্থাৎ পৰোক্ষভাৱে সমাজেই শিক্ষানুষ্ঠান এখনৰ ব্যয় বহন কৰে। ব্যক্তিগতভাৱে পৰিয়ালে কৰা ব্যয় সামাজিক ব্যয়ৰ শিতানত ধৰিব পাৰি। শিক্ষানুষ্ঠানৰ যোগেদি মানৱ সম্পদ গঠনৰ যি প্ৰক্ৰিয়া সম্পন্ন কৰা হয় সেয়া ব্যক্তিগত আৰু সামাজিক দিশৰ ত্যাগ কৰা উপাৰ্জন বুলি ক'ব পাৰি। ছাত্ৰ-ছাত্ৰীক শিক্ষা লাভত উৎসাহ দিবলৈ আৰু সাহায্য দিবলৈ শিক্ষা বৃত্তি প্ৰদান কৰা হয়। এই ব্যয়ো সামাজিক ব্যয়ৰ ভিতৰত পৰে। কাৰণ এয়াও কৰদাতাৰ অৰ্থৰে প্ৰদান কৰা হয়। মুঠতে শিক্ষা কাৰ্যত হোৱা খৰচত সমাজৰ সকলো ব্যক্তিৰে আৰ্থিক অৱদান থাকে। শৈক্ষিক ব্যয় সম্পৰ্কে কৰা আলোচনাত সামাজিক ব্যয় গুৰুত্বসহকাৰে লোৱা হয়।

শিক্ষাক সামাজিক দৃষ্টিভংগীৰে চালে শিক্ষাই সমাজ পৰিৱৰ্তনৰ আহিলা হিচাপে কাম কৰে। সেয়েহে সমাজৰ ব্যক্তিসকলে শিক্ষাৰ দ্বাৰা সুস্থ পৰিৱৰ্তন হোৱাটো বিচাৰে। সেয়েহে সমাজৰ নাগৰিকসকলেও শিক্ষাৰ ব্যয় বহন কৰাৰ ক্ষেত্ৰত পৰোক্ষ ভূমিকা গ্ৰহণ কৰে।

### ৫। আনুষ্ঠানিক ব্যয় (Institutional Cost) :

শৈক্ষিক প্ৰতিষ্ঠানে শিক্ষাৰ ক্ষেত্ৰত বহু ধৰণৰ ব্যয় কৰিবলগীয়া হয়। এই খৰচসমূহ ৰাজহুৱা ব্যয় (Public Cost) বুলিও কোৱা হয়। ইতিমধ্যে আলোচনা কৰা হৈছে যে ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰোঁতে ছাত্ৰৰ পৰিয়ালে, সমাজে, চৰকাৰে ব্যয় কৰে। ইয়াৰ উপৰি শিক্ষানুষ্ঠানেও ব্যয় সম্পন্ন কৰা দেখা যায়। শিক্ষানুষ্ঠানৰ গৃহ, কোঠা, উন্নত মানদণ্ডৰ সঁজুলি ক্ৰয়, ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক বিকাশৰ বাবে খেলপথাৰ নিৰ্মাণ, খেলাৰ সঁজুলি ক্ৰয়, প্ৰশিক্ষক নিযুক্তি, শিক্ষক-অনাশিক্ষক কৰ্মচাৰীসকলক বেতন প্ৰদান কৰা আদি বিভিন্ন খৰচ শিক্ষানুষ্ঠআনখনে বহন কৰিবলগীয়া হয়। এই সমগ্ৰ খৰচ 'আনুষ্ঠানিক ব্যয়' (Institutional Cost) শিতানত অন্তৰ্ভুক্ত কৰা হয়।

উপৰোক্ত খৰচসমূহ যদিও শিক্ষানুষ্ঠানৰ খৰচ বুলি কোৱা হয় তথাপিও প্ৰকৃততে এই ব্যয়ৰ বাবে প্ৰয়োজন হোৱা ধনৰাশি চৰকাৰে বহন কৰে। চৰকাৰে এই ক্ষেত্ৰত ৰাইজৰ সহযোগ লয়। ৰাইজৰ পৰা সংগ্ৰহ কৰা বিভিন্ন ধৰণৰ কৰ যেনে আয়কৰ, বিক্ৰীকৰ, সম্পত্তি কৰ আদিৰ পৰাই খৰচৰ জোৰা মাৰে। চাকৰিয়াল, ব্যৱসায়ী সকলো এই কৰৰ অংশীদাৰ হয়। বস্তু-বাহানি কিনোতেও পৰোক্ষভাৱে সমাজৰ নাগৰিকসকলে কৰ আদায় দিয়ে। 'শিক্ষা' সমাজৰ চাহিদাস্বৰূপ। সেয়ে বহুতে স্বইচ্ছাৰেও শিক্ষানুষ্ঠানসমূহলৈ দান-বৰঙণি আগবঢ়ায়। সকলোৰে সহযোগত ভৱিষ্যৎ প্ৰজন্মক জ্ঞান আৰু দক্ষতাৰে সমৃদ্ধ কৰাৰ প্ৰচেষ্টা অব্যাহত ৰখা হয়। আনুষ্ঠানিক ব্যয়সমূহ সেয়েহে ব্যক্তিগত, সামাজিক, পৰোক্ষ, প্ৰত্যক্ষ সকলো ব্যয়ৰ সমষ্টি বুলি ক'ব পাৰি। কিছুমানে এই ব্যয়ক ৰাজহুৱা ব্যয় (Public Cost) বুলি ক'ব খোজে।

এখন শিক্ষানুষ্ঠানে সাধাৰণতে তলত দিয়া দুই ধৰণৰ ব্যয় কৰিবলগীয়া হয়।

**পৰিবৰ্তনশীল আৰু স্থায়ী ব্যয় (Variable and Fixed Cost) :** স্কুলগৃহ নিৰ্মাণ, গৱেষণাগাৰ পুথিভঁৰাল আদিক গৃহ নিৰ্মাণ, সঁজুলি ক্ৰয় আদিত কৰা খৰচ স্থায়ী খৰচ (Fix Cost)।

সময়ে সময়ে স্কুল গৃহত ৰং দিয়া, পুনঃ নিৰ্মাণ কৰা, নতুন কিতাপ কিনা, শিক্ষা সঁজুলি কিনা আদি কাৰ্যৰ বাবেও ব্যয়ৰ প্ৰয়োজন হয়। কিছুমান ব্যয় পুনঃ পুনঃ কৰিবলগীয়া হয়। এইবোৰ Recurring Costৰ শিতানত পৰে। ইয়াৰ উপৰি শিক্ষানুষ্ঠানে মুলধন (Capital) হিচাপেও কিছু টকা খৰচ কৰে। বিভিন্ন কাৰ্য সম্পাদনত তাৎক্ষণিক (Current Cost) ব্যয়ৰ প্ৰয়োজনীয়তাও থাকে।

এইদৰে মানৱ সম্পদ গঠনৰ এই প্ৰক্ৰিয়াত শিক্ষানুষ্ঠানৰ দায়িত্ব আটাইতকৈ অধিক। উক্ত প্ৰক্ৰিয়াত হোৱা ব্যয়ৰ এক সামাজিক আৰু অৰ্থনৈতিক গুৰুত্ব থাকে। এই দায়বদ্ধতাও ভালদৰে পালন কৰাটো প্ৰতি শিক্ষানুষ্ঠানৰ দায়িত্ব। শিক্ষানুষ্ঠানত ভৱিষ্যতৰ মানৱ সম্পদ প্ৰশিক্ষিত হয়। সেয়েহে দেশৰ আৰ্থ-সামাজিক উন্নয়নত প্ৰভাৱ পেলাব পৰাকৈ ব্যয় কৰাৰ সিদ্ধান্ত ল'ব লাগে।

**৬। ব্যক্তিগত ব্যয় (Private Cost) :**

উৎপাদনৰ ক্ষেত্ৰত ব্যক্তিগত ব্যয় সম্পৰ্কে পোনতে অৰ্থনীতিবিদ Pigou-এ তেওঁৰ গ্ৰন্থ 'The economics of Welfare'ত অৱতাৰণা কৰিছিল। অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা কোনো উৎপাদন প্ৰতিষ্ঠান বা উদ্যোক্তাই দ্ৰব্য বা সেৱা উৎপাদন কৰোঁতে কৰা ব্যয়কে ব্যক্তিগত ব্যয় বোলা হয়। শিক্ষা প্ৰদান কাৰ্য এই সেৱাৰ লগত জড়িত। শিক্ষা প্ৰক্ৰিয়াত যিসমূহ ব্যয় (Service) ছাত্ৰজনৰ তৰফৰ পৰা ব্যয় হয়, সেইসমূহ শিক্ষাৰ ব্যক্তিগত ব্যয় বুলি ক'ব পাৰি।

ব্যক্তিগত ব্যয়ত প্ৰকাশ্য ব্যয় (Explicit) আৰু অন্তৰ্নিহিত ব্যয় উভয়ে অন্তৰ্ভুক্ত হয়। শিক্ষানুষ্ঠানখনেও ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ সুবিধা প্ৰদানৰ দিশত বহুখিনি ব্যয় কৰিব লগা হয়। এইখিনি ব্যয় শিক্ষানুষ্ঠানখনৰ ব্যক্তিগত খৰচ।

শৈক্ষিক ব্যয়ৰ বিভিন্ন প্ৰকাৰ আলোচনা কৰি অহা হৈছে। এই ব্যয়সমূহৰ ভিতৰত ব্যক্তিগত ব্যয় গুৰুত্বপূৰ্ণ ব্যয়ৰ ভিতৰত ধৰা হয়। ব্যক্তিগতভাৱে ছাত্ৰজনৰ পৰিয়াল আৰু অভিভাৱকে শিক্ষাৰ মাচুল, সাজপাৰ ক্ৰয়, সঁজুলি ক্ৰয়, অহা-যোৱাৰ খৰচ, হোষ্টেলত থকাৰ খৰচ, অন্যান্য খৰচ কৰিবলগীয়া হয়। শিক্ষানুষ্ঠআনখনেও ব্যক্তিগতভাৱে কিছু মূলধন ব্যয় আৰু কিছুমান বৰ্তমানৰ খৰচ কৰিবলগীয়া হয়। কিছুমান কাম-কাজ যেনে — স্কুলগৃহ নিৰ্মাণ আৰু মেৰামতি কৰিবৰ বাবে কিছু পৰিমাণৰ খৰচ বৰ্তমংান কৰিব লগা হয়। এই ব্যয়সমূহ শিক্ষানুষ্ঠানৰ ব্যক্তিগত ব্যয় বুলি ক'ব পাৰি।

ব্যক্তিগত ব্যয়ত সমাজৰ নাগৰিকসকলে তেওঁলোকৰ ব্যক্তিগত আয়ৰ যি পৰিমাণ কৰ হিচাপে চৰকাৰক প্ৰদান কৰে, সেই ত্যাগ কৰা আয়ো অন্তৰ্ভুক্ত কৰিব পাৰি। সমাজৰ প্ৰতিজন ব্যক্তিয়ে পৰোক্ষভাৱে শিক্ষা কাৰ্যত হোৱা ব্যয়ৰ অংশীদাৰ হয়। কাৰণ চৰকাৰে শিক্ষানুষ্ঠানসমূহক যি আৰ্থিক অনুদান আগবঢ়াই শিক্ষক-শিক্ষয়িত্ৰী, অনাশিক্ষক কৰ্মচাৰীক বেতন প্ৰদান কৰে, সেয়া প্ৰকৃততে কৰদাতাৰ পৰা সংগ্ৰহ কৰা। অৰ্থাৎ ব্যক্তিগত ব্যয় বুলিলে এই ব্যক্তিসকলে বহন কৰা ব্যয়কো বুজা যায়।

**৭। সুযোগ ব্যয় (Opportunity Cost) :**

আধুনিক অৰ্থবিজ্ঞানত সুযোগ ব্যয়ৰ ধাৰণাই এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। ইয়াৰ অৰ্থ হৈছে বিকল্প ব্যৱহাৰ (alternatives) যুক্ত কোনো উপাদান যদি নিৰ্দিষ্ট উৎপাদন কাৰ্যত ব্যৱহাৰ কৰা হয়, তেন্তে উপাদানবিধ আন উৎপাদন কাৰ্যত ব্যৱহাৰ কৰিব পৰা নাযাব। এই ব্যৱহাৰৰ সুযোগ হেৰুৱাৰ ক্ষতিয়ে হৈছে 'সুযোগ ব্যয়' (Opportunity Cost)।

এটা সহজ উদাহৰণৰ দ্বাৰা সুযোগ ব্যয়ৰ ধাৰণা বুজিব পাৰি। ধৰি লোৱা হ'ল কোনো এজন ব্যক্তিয়ে যদি টিকট কাটি চিনেমা চাবলৈ যায়, সেই সময়ত তেওঁ বেলেগ কামত সময় দিব নোৱাৰে। অৰ্থাৎ নিৰ্দিষ্ট সময়ত ব্যক্তিজনে বেলেগ এটা কাম কৰাৰ সুযোগ হেৰুৱালে, অৰ্থাৎ আমি কোনো এটা কামত অৰ্থ আৰু সময় ব্যয় কৰোঁতে সমপৰ্যায়ৰ আন এটা বিকল্পৰ সুযোগ হেৰুৱাওঁ।

শিক্ষাৰ ক্ষেত্ৰত সুযোগ ব্যয়ৰ ধাৰণা বৰ্তমান সময়ত জনপ্ৰিয় হৈ পৰিছে। সুযোগ ব্যয়ৰ ধাৰণাক ত্যাগ কৰা উপাৰ্জন (foregone Cost) বুলি ক'ব পাৰি। আমি যেতিয়া দুটা সম পৰ্যায়ৰ বিকল্পৰ যিকোনো এটা নিৰ্বাচিত কৰিবলগীয়া হয় তেতিয়া সুযোগ ব্যয়ৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণে এক বিশেষ ভূমিকা গ্ৰহণ কৰে। ধৰি লোৱা হ'ল এজন ছাত্ৰই কলেজত শিক্ষা গ্ৰহণ কৰোঁতে শিক্ষাৰ মাচুল, থকাৰ

খৰচ, অহা-যোৱাৰ খৰচ, কিতাপ-পত্ৰ কিনাৰ খৰচ আদি বহু ধৰণৰ খৰচ কৰিবলগীয়া হয়। এই খৰচসমূহ টকা-পইচাৰ দ্বাৰা সম্পন্ন হয়। শিক্ষা আৰম্ভৰ পৰা শেষ হোৱালৈকে এই খৰচ অব্যাহত থাকে। এই ক্ষেত্ৰত আন কিছুমান ব্যয়ক অৱহেলা কৰা হয়। সেইসমূহ এনেধৰণৰ —

(i) কলেজীয়া শিক্ষা লাভৰ কালছোৱা আন কাম কৰি অৰ্জন কৰিবলগীয়া টকা-পইচা আৰু অভিজ্ঞতা।

(ii) পঢ়া কাৰ্যত ব্যয় হোৱা সময়ৰ বাবে আন কামত সময় দিব পৰাৰ পৰা বঞ্চিত হোৱা।

(iii) পঢ়াৰ বাবে খৰচ কৰিবলগীয়া হোৱা বাবে আন বস্তু ক্ৰয় কৰিব নোৱাৰা।

উপৰোক্ত সমূহেই হৈছে সুযোগ ব্যয়। সাধাৰণতে ব্যক্তিয়ে বহু বিকল্পৰ মাজৰ পৰা নিজৰ বাবে আটাইতকৈ ভাল বিকল্পটো বাছি লয়। কোনো এটা কাৰ্যত অৰ্থ আৰু সময় ব্যয় কৰাৰ বাবে আন এটা কাৰ্যত সময় দিব নোৱাৰে। বেছিভাগ ক্ষেত্ৰত ব্যক্তিয়ে যি বিকল্পই মানসিক শান্তি প্ৰদান কৰে সেই কাৰ্যতে অৰ্থ আৰু সময় নিয়োজিত কৰে।

দৈনন্দিন জীৱনতো সুযোগ ব্যয়ৰ প্ৰভাৱ সততে দেখা যায়। যেতিয়া কোনো ছাত্ৰই নিজৰ পাঠ্যক্ৰমৰ পঢ়া পঢ়ি থাকে, সেই সময়ত তেওঁ ভালপোৱা টেলিভিচন কাৰ্যসূচী চোৱাৰ পৰা বিৰত থাকিবলগীয়া হয়। এই ক্ষেত্ৰত ব্যক্তিজনৰ সিদ্ধান্ত লোৱাৰ পাৰদৰ্শিতাই গুৰুত্ব পায়।

শিক্ষাৰ ক্ষেত্ৰত সুযোগ ব্যয়ৰ ধাৰণাটো এনেধৰণে গণ্য কৰা হয় যে স্কুল-কলেজলৈ যোৱাৰ বাবে যি পৰিমাণৰ টকা-পইচা আৰু সময় ব্যয় হ'ল, আন কাম বা চাকৰি কৰাহেঁতেন যি পৰিমাণৰ টকা-পইচা উপাৰ্জন হ'লহেঁতেন সেয়া ত্যাগ কৰিবলগীয়া হ'ল। সেই ত্যাগখিনিয়েই সুযোগ ব্যয়।

শৈক্ষিক সুযোগ ব্যয়ৰ ধাৰণাৰ মূল সুবিধা হৈছে যে শিক্ষা লাভ কৰাৰ বাবে যি আন আন সুযোগ এৰি দিব লগা হ'ল, সেইবিলাকতকৈ শিক্ষা লাভৰ গুৰুত্ব কিমান বেছি সেয়া বুজি পাবলৈ শিকায়। বহুতো বিকল্পৰ মাজৰ পৰা আটাইতকৈ প্ৰয়োজনীয় সুবিধাটো বাছি ল'বলৈ মানসিকভাৱে সামৰ্থ কৰি তোলে।

ব্যক্তিৰ ভৱিষ্যৎ জীৱনৰ উন্নতি নিৰ্ভৰ কৰে সেইসমূহ কামৰ দ্বাৰা, যিসমূহ তেওঁ নিৰ্দিষ্ট সময়ত নিৰ্বাচন কৰি উপযুক্তভাৱে সম্পাদন কৰিছে। ভৱিষ্যৎ উন্নতি সাধন কৰিব পৰা কাৰ্যত অৰ্থ আৰু সময় ব্যয় কৰিব পাৰিলেহে নিজৰ কাৰণে ভাল হ'ব। পঢ়াত সময় দিলে খেলাত সময় দিব নোৱাৰিব। এনে ধৰণৰ বিকল্পৰ সততে সন্মুখীন হ'বলগীয়া হয়। কিন্তু ব্যক্তিজনৰ সিদ্ধান্ত গ্ৰহণৰ উপযুক্ততাই নিজৰ বাবে আটাইতকৈ ভাল কামটো নিৰ্বাচন কৰিবলৈ সহায় কৰিব। শিক্ষা কাৰ্যত নিৰ্বাচন কৰিবলৈ সহায় কৰিলে ভৱিষ্যৎ জীৱনত অধিক উন্নতি কৰাৰ সম্ভাৱনা থাকে।

**৮। একক ব্যয় (Unit Cost) :**

শিক্ষাৰ একক খৰচৰ অৰ্থ হৈছে প্ৰতিজন ছাত্ৰৰ বাবে হোৱা খৰচ। সাধাৰণতে প্ৰতিজন ছাত্ৰৰ বাবদ হোৱা খৰচৰ পৰা শিক্ষাৰ একক খৰচ গণনা কৰা হয়। কিছুমান ক্ষেত্ৰত প্ৰতিজন ছাত্ৰৰ বাবে শিক্ষাৰ আৰম্ভ সময়ৰ পৰা সম্পূৰ্ণ হোৱালৈকে যিমানখিনি ব্যক্তিগত ব্যয় আৰু সামাজিক ব্যয় সম্পন্ন হ'ল সেয়াও গণনা কৰা হয়। প্ৰতিখন শিক্ষানুষ্ঠানে গাই পতি ছাত্ৰৰ বাবে কিমান পৰিমাণৰ ধন ব্যয় কৰিলে, তাৰ লগত ছাত্ৰৰ সংখ্যাৰে বিভাজন কৰি একক ব্যয় উলিয়াব পাৰে। প্ৰত্যক্ষ ব্যয়, পৰোক্ষ ব্যয়ৰ হিচাপো একক ব্যয় উলিওৱাৰ ক্ষেত্ৰত হিচাপ কৰাৰ প্ৰয়োজন হয়।

মানৱ সম্পদ বিকাশ প্ৰক্ৰিয়াত শিক্ষাৰ গুৰুত্ব সকলোৰে বুজি উঠিছে। আন উৎপাদনৰ দৰে মানৱ বিকাশৰ প্ৰক্ৰিয়াতো ব্যয় কৰিবলগীয়া হয়। এই ব্যয় প্ৰতিজন ছাত্ৰৰ বাবে কিমান পৰিমাণৰ হ'ল বা হ'ব সেই কথা নিৰ্দিষ্ট কৰিব পাৰিলেহে শৈক্ষিক পৰিকল্পনাৰ সফলতা সম্ভৱ হ'ব। শিক্ষানুষ্ঠান এখন পৰিচালনা কৰোঁতে বিভিন্ন দিশত খৰচ কৰিবলগীয়া হয়। শিক্ষকৰ দৰমহা, ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক, সামাজিক উন্নতিৰ বাবে আগবঢ়োৱা সেৱা, ছাত্ৰ বৃত্তি প্ৰদান কৰা, শিক্ষণ সঁজুলি কিনা আদি খৰচৰ শিতানত পৰে। বৰ্তমান সময়ত 'প্ৰতিজন ছাত্ৰৰ বাবে হোৱা খৰচ' (Cost per Student) গণনা কৰাৰ প্ৰৱণতাই গা কৰি উঠিছে। একক ব্যয় গণা কৰাৰ সুবিধাসমূহ হৈছে —

(i) প্ৰতিজন ছাত্ৰৰ বাবে হ'বলগীয়া খৰচৰ হিচাপ পালে পৰিকল্পনাত বিকল্প কৌশল নিৰ্বাচন কৰি শিক্ষাৰ গুণগত মান বৃদ্ধি কৰিব পাৰি।

(ii) একক ব্যয়ৰ গণনাই শিক্ষাৰ বাবে প্ৰয়োজন হোৱা প্ৰকৃত ব্যয়ৰ (Real Cost) ছবি দাঙি ধৰে।

(iii) কম খৰচ আৰু সীমিত সময়ত কিদৰে গুণগত মানদণ্ডৰ শিক্ষা প্ৰদান কৰিব পাৰি।

(iv) একক ব্যয়ৰ গণনাই সামগ্ৰিক ব্যয়ৰ ধাৰণা স্পষ্ট হৈ পৰাত সুবিধা হয়।

(v) একক ব্যয়ৰ গণনাই শিক্ষানুষ্ঠান এখনৰ কাৰ্য দক্ষতা বৃদ্ধি কৰে। সীমিত সম্পদ ব্যৱহাৰ কৰি অধিক কাৰ্যদক্ষ ফলাফল লাভ কৰিবলৈ সমৰ্থ কৰি তোলে।

(vi) প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে বিচৰা ধৰণৰ সুবিধা পাইছেনে নাই সেয়া জানিবলৈও সহজ হৈ পৰে। সুস্থ পৰিকল্পনাৰ সফলতাৰ চাবিকাঠি বুলি ক'ব পাৰি।

উপৰোক্ত সুবিধাৰ সম্ভাৱনা থকা বাবেই শৈক্ষিক পৰিকল্পনা কাৰ্যত একক ব্যয়ৰ উপযোগিতা অধিক।

একক ব্যয় গণনা কৰিবলৈ হ'লে শিক্ষা প্ৰদানৰ সময়ত এজন ছাত্ৰৰ বাবে হোৱা পৰোক্ষ, প্ৰত্যক্ষ, ব্যক্তিগত, সামাজিক সকলো ধৰণৰ ব্যয়ৰ গণনা কৰা হয়। সমগ্ৰ খৰচক মুঠ ছাত্ৰৰ সংখ্যাৰে বিভাজন কৰি একক ব্যয় উলিওৱা হয়।

শিক্ষাৰ সমগ্ৰ খৰচ বুলিলে শিক্ষাৰ্থীৰ বাবে পৰিয়াল আৰু অভিভাৱকে যি যি খৰচ কৰে, চৰকাৰ আৰু সমাজে যি ধন ব্যয় কৰে তাকে বুজা যাব।

পৰিয়ালে বিদ্যালয়ত অন্তৰ্ভুক্তিৰ মাচুল, কিতাপ-বহী কিনাৰ বাবদ, অহা-যোৱাৰ বাবদ, থকা-মেলা আৰু আন প্ৰয়োজনসমূহ পূৰণৰ বাবদ খৰচ কৰিবলগীয়া হয়।

শিক্ষানুষ্ঠানৰ শ্ৰেণীকোঠা নিৰ্মাণ, মেৰামতি কৰা, গৱেষণাগাৰ প্ৰস্তুত কৰা, পুথিভঁৰাল নিৰ্মাণ কৰা, আচবাব-পত্ৰ কিনা আদি বিভিন্ন স্থিৰ ব্যয় (fixed Cost) আৰু পুনঃ পুনঃ কৰিবলগীয়া ব্যয় কৰে। এই ক্ষেত্ৰত চৰকাৰে অনুদান আগবঢ়ায়। সমাজৰ ব্যক্তিসকলেও পৰোক্ষভাৱে এই ব্যয়ৰ অংশীদাৰ হয়। কাৰণ চৰকাৰে দিয়া অনুদান নাগৰিকসকলৰ পৰা সংগ্ৰহ কৰা কৰৰ পৰাই কৰা হয়। এই সকলোবিলাক ব্যয়ৰ সমগ্ৰক মুঠ ছাত্ৰ সংখ্যাৰে বিভাজন কৰি একক খৰচ (Unit Cost) উলিয়াব লাগে।

## সামৰণি (Conclusion) :

সামৰণিত ক'ব পাৰি যে বৰ্তমান উদাৰীকৰণ, গোলকীকৰণ আৰু ব্যক্তিগতকৰণৰ বিশ্বত 'শিক্ষা আৰু অৰ্থনৈতিক বিকাশ' এক গুৰুত্বপূৰ্ণ অধ্যয়নৰ বিষয়। শিক্ষা তথা অৰ্থনৈতিক বিকাশৰ সম্বন্ধৰ অধ্যয়নে দেশ এখনৰ বিকাশৰ বিষয়ে জনাত সহায় কৰে। একবিংশ শতিকাৰ প্ৰতিযোগিতামূলক ই এক তাৎপৰ্যপূৰ্ণ অধ্যয়নৰ বিষয় হিচাপে পৰিগণিত হৈছে।

## প্ৰশ্নাৱলী

**(I) অতি চমু উত্তৰৰ প্ৰশ্ন (Questions of Very Short Answer)**

১। অৰ্থনৈতিক বিকাশ মানে কি?
What is meant by economic development?

২। অৰ্থনৈতিক বিকাশৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।
Mention one feature of economic development.

৩। জাতীয় বিকাশ মানে কি?
What is meant by national development?

৪। জাতীয় বিকাশৰ সংজ্ঞা দিয়া।
Define national development.

৫। অৰ্থনৈতিক বিকাশৰ সংজ্ঞা দিয়া।
Define economic development.

৬। 'Economic' শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ কি?
What is the etymological meaning of the term 'economics'?

৭। অৰ্থনীতি বিজ্ঞানৰ পিতৃ বুলি কাক কোৱা হয়?
Who is known as the father of Economics?

৮। কোনে প্ৰথমবাৰৰ বাবে 'শিক্ষাৰ অৰ্থনীতি' শব্দটো ব্যৱহাৰ কৰিছিল?
Who first used the term 'Economics of Education'?

৯। অৰ্থনৈতিক বিকাশৰ এটা কাৰক উল্লেখ কৰা।
Mention one factor of economic development.

১০। শিক্ষাৰ মূলধন ব্যয় কি?
What is capital cost of education?

১১। শৈক্ষিক বিনিয়োগৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।
Mention one feature of investment in education?

১২। ব্যক্তিগত বিনিয়োগ মানে কি?
What is meant by private investment?

১৩। ৰাজহুৱা বিনিয়োগ মানে কি?
What is meant by public investment?

১৪। শিক্ষাত পৰিয়ালৰ ব্যয় কি?
What is household cost of education?

১৫। শিক্ষাৰ ওপৰত অৰ্থনীতিৰ প্ৰভাৱৰ এটা দিশ উল্লেখ কৰা।
Mention one aspect of impact of economics on education.

১৬। অৰ্থনৈতিক নিৰাপত্তা স্বৰূপ শিক্ষা মানে কি?
What is meant by education as economic security?

**(II) চমু টোকা লিখা (Write short notes)**

১। অৰ্থনীতিৰ ধাৰণা
Concept of economics

২। অৰ্থনৈতিক বিকাশৰ ধাৰণা
Concept of economic development

৩। অৰ্থনৈতিক বিকাশৰ অনা-অৰ্থনৈতিক কাৰকবোৰ
Non-economic factors of economic development.

৪। অৰ্থনৈতিক বিকাশৰ অৰ্থনৈতিক কাৰকবোৰ
Economic factors of economic development

৫। জাতীয় বিকাশৰ ধাৰণা
Concept of national development

৬। অৰ্থনীতি আৰু শিক্ষাৰ মাজৰ সম্বন্ধ
Relationship between economics and education

৭। শিক্ষাৰ ওপৰত অৰ্থনীতিৰ প্ৰভাৱ
Impact of economics on education

৮। অৰ্থনীতি আৰু শিক্ষাৰ লক্ষ্য
Economics and aims of education.

৯। শিক্ষা আৰু মানৱ শক্তিৰ পৰিকল্পনা
Education and manpower planning

১০। বিনিয়োগ স্বৰূপে শিক্ষা
Education as investment.

১১। শৈক্ষিক বিনিয়োগৰ প্ৰকৃতি
Nature of educational investment

১২। শিক্ষাত ব্যক্তিগত বিনিয়োগ
Private investment in education

১৩। শিক্ষাত ৰাজহুৱা বিনিয়োগ
Public investment in education.

১৪। শিক্ষাৰ অৰ্থনীতিৰ অৰ্থ
Meaning of economics of education.

১৫। শিক্ষাৰ ব্যক্তিগত বিনিয়োগৰ প্ৰয়োজনীয়তা
Need of private investment in education

১৬। শিক্ষা আৰু অৰ্থনৈতিক বিকাশ
Education and economic development

**(III) দীঘল উত্তৰৰ প্ৰশ্ন (Questions of long Answer)**

১। অৰ্থনৈতিক বিকাশ কি? অৰ্থনৈতিক বিকাশৰ কাৰকবোৰ আলোচনা কৰা।
What is economic development? Discuss the factors of economic development.

২। শিক্ষা আৰু অৰ্থনীতিৰ মাজৰ সম্বন্ধ বিশ্লেষণ কৰা।
Analyse the relationship between education and economics.

৩। 'শিক্ষা হ'ল বীজ আৰু অৰ্থনৈতিক বিকাশ হ'ল ফুল' — কথাষাৰ ব্যাখ্যা কৰা।
'Education is the seed and flower of economic development' — Explain the statement.

৪। অৰ্থনৈতিক বিকাশত শিক্ষাৰ ভূমিকা আলোচনা কৰা।
Discuss the role of education in economic development.

৫। শিক্ষাক তুমি বিনিয়োগ বুলি ভাবানে? ব্যাখ্যা কৰা।
Do you consider education as investment? Explain.

৬। ভাৰতবৰ্ষত শিক্ষাত বিনিয়োগৰ বিষয়ে বহলাই লিখা।
Write about the investment in education in India.

● ● ●

## পঞ্চম অধ্যায়

# শিক্ষা আৰু ৰাজনৈতিক সজাগতাৰ বিকাশ

# (Education a nd Developing Political Awareness)

- শিক্ষা আৰু গণতন্ত্ৰ (**Education and Democracy**)
- ৰাজনৈতিক সজাগতা সৃষ্টিৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা (**Role of Education in Creating Political Awareness**)
- ছাত্ৰৰ ৰাজনীতি (**Politics among the Students**)
- ছাত্ৰ সংগঠনৰ গুৰুত্ব (**Importance of Students Union**)

### প্ৰস্তাৱনা (Introduction) :

ৰাজনীতি, ৰাজনৈতিক কাৰ্যকলাপ তথা ৰাজনৈতিক সজাগতা বা সচেতনতা সমাজ জীৱনৰ বাবে বিশেষ তাৎপৰ্যপূৰ্ণ। কিয়নো প্ৰত্যেক ব্যক্তিৰ জীৱনৰ লগত ই সম্বন্ধিত এক বিষয়। ৰাজনৈতিক সজাগতা হৈছে এক মূল স্তম্ভ যাৰ ওপৰত সমগ্ৰ সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থা নিৰ্ভৰশীল হৈ থাকে। জনসাধাৰণৰ মাজত আৰু বিশেষভাৱে নব প্ৰজন্মৰ মাজত ৰাজনৈতিক সজাগতা বা সচেতনতাৰ বিকাশত শিক্ষা ব্যৱস্থাই মুখ্য ভূমিকা গ্ৰহণ কৰে। আনুষ্ঠানিক, অনানুষ্ঠানিক তথা অগতানুগতিক শিক্ষাৰ বিভিন্ন মাধ্যমবোৰে জনসাধাৰণৰ মাজত ৰাজনৈতিক সজাগতা বৃদ্ধি কৰি তোলা দেখা যায়। এই অধ্যায়ত ৰাজনৈতিক সজাগতাৰ লগত জড়িত বিভিন্ন বিষয় যেনে — শিক্ষা আৰু গণতন্ত্ৰ, ছাত্ৰ-ৰাজনীতি, ছাত্ৰ সংগঠনৰ গুৰুত্ব আদিৰ বিষয়ে ব্যাপকভাৱে আলোচনা কৰা হ'ব।

## I. শিক্ষা আৰু গণতন্ত্ৰ (Education and Democracy) :

সমাজ দৰ্শনত আমি সাধাৰণতে মানুহৰ সমাজখনৰ বিষয়েহে অধ্যয়ন কৰোঁ। সমাজ দৰ্শনে সামাজিক ঘটনাৰ তাৎপৰ্য, অৰ্থ আৰু মূল্য নিৰূপণ কৰে। সমাজ দৰ্শন বুলিলে সাধাৰণতে দৰ্শনৰ দৃষ্টিভংগীৰে সমাজৰ সৰ্বাংগীন দিশ সম্পৰ্কে আলোচনা কৰা দৰ্শনকে বুজা যায়। সুখী আৰু আনন্দময় জীৱনৰ কাৰণে মানুহৰ সামৰ্থৰ পৰিপূৰ্ণতাৰ ধাৰণা মানুহৰ সন্মুখত স্পষ্টভাৱে তুলি ধৰা আৰু এনে জীৱন লাভ কৰাৰ বাবে উপায় নিৰ্দেশ কৰাটো হৈছে সমাজ দৰ্শনৰ কাম। সমাজ দৰ্শন শিক্ষাৰ লগতো সম্বন্ধযুক্ত। সমাজ দাৰ্শনিকসকলে শিক্ষা কেনেকুৱা হোৱা উচিত সেইটো নিৰ্ণয় কৰে আৰু শিক্ষাবিদে মানুহৰ ব্যক্তিত্বৰ উৎকৰ্ষ সাধন কৰি সমাজমুখী কৰি গঢ়ি তোলে। কোনো এখন দেশৰ শিক্ষা ব্যৱস্থা সেই দেশৰ সমাজ দৰ্শনৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে। বৰ্তমান সময়ত পৃথিৱীৰ প্ৰায়বোৰ দেশতেই জনসাধাৰণ কেন্দ্ৰিক শাসন ব্যৱস্থা অৰ্থাৎ গণতন্ত্ৰৰ প্ৰচলন দেখিবলৈ পোৱা যায়। গণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰচলিত দেশবোৰত আকৌ গণতান্ত্ৰিক আদৰ্শৰ ওপৰত ভিত্তি কৰি গঢ়লৈ উঠা শিক্ষা ব্যৱস্থাৰ প্ৰচলন দেখা যায়। বৰ্তমান সময়ত গণতান্ত্ৰিক শিক্ষা ব্যৱস্থাৰ তাৎপৰ্য সৰ্বাধিক।

### গণতন্ত্ৰৰ অৰ্থ (Meaning of Democracy)

প্ৰাচীন গ্ৰীচ দেশত খ্ৰীষ্টপূৰ্ব পঞ্চম শতাব্দীত গ্ৰীকসকলে 'গণতন্ত্ৰ' শব্দটোৰ প্ৰয়োগ কৰিছিল। জন ষ্টুৱাৰ্ড মিল, হাৰ্বাট স্পেন্সাৰ, টমাচ জেফাৰচন, আব্ৰাহাম লিংকন, টমাচ গ্ৰীণ আদি ব্যক্তিসকলৰ প্ৰচেষ্টাত গণতন্ত্ৰই বিকাশ লাভ কৰে। বৰ্তমান গণতন্ত্ৰই বিশ্বৰ এক শ্ৰেষ্ঠ আদৰ্শ হিচাপে নিজকে প্ৰতিষ্ঠা কৰাত সফলকাম হৈছে। গণতন্ত্ৰ মাথোন এক শাসন ব্যৱস্থাই নহয়, ই মানুহৰ জীৱন ধাৰণৰ এক প্ৰণালীও।

গণতন্ত্ৰৰ ইংৰাজী প্ৰতিশব্দ 'Democracy' শব্দটোৰ শব্দগত অৰ্থচন কৰিলে দেখা যায় যে এই শব্দটো গ্ৰীকভাষাৰ দুটা শব্দ 'Demos' আৰু 'Kratia' ৰ পৰা আহিছে। এই শব্দ দুটাৰ অৰ্থ হ'ল ক্ৰমে মানুহ (The people) আৰু ক্ষমতা (Power)। অৰ্থাৎ গণতন্ত্ৰ শব্দই জনসাধাৰণৰ শাসন বা ক্ষমতাক বুজায়। ইয়াৰ অৰ্থ হ'ল যে গণতান্ত্ৰিক শাসন ক্ষমতা কেৱল এজন ব্যক্তিৰ বা এদল ব্যক্তিৰ হাতত ন্যস্ত নাথাকে। সমাজৰ সকলো ব্যক্তিৰ হাততে ক্ষমতা ন্যস্ত থাকে। এয়া হ'ল গণতন্ত্ৰৰ ৰাজনৈতিক ধাৰণা। সামগ্ৰিক, দৃষ্টিৰে গণতন্ত্ৰ হৈছে মানুহৰ এক জীৱন ধাৰা আৰু ই ৰাজনৈতিকৰ লগত মানুহৰ ধৰ্মীয়, সামাজিক, নৈতিক আৰু অৰ্থনৈতিক দিশকো সামৰি লয়। গণতন্ত্ৰত জাতি, বৰ্ণ, ধৰ্ম, লিংগ নিৰ্বিশেষে সকলো নাগৰিকে সকলো ক্ষেত্ৰতে সমান সা-সুবিধা লাভ কৰে। গণতন্ত্ৰ হৈছে এনে শাসন ব্যৱস্থা য'ত জনসাধাৰণে ন্যায় আৰু সমতাৰ ভিত্তিত সকলো সা-সুবিধা লাভ

কৰি ভাতৃত্বৰ বান্ধোনেৰে বান্ধ খাই থাকিব পাৰে। বৰ্তমান বিশ্বৰ সৰহ সংখ্যক মানুহৰ মনত গণতন্ত্ৰই আশাৰ সঞ্চাৰ কৰিছে। গণতান্ত্ৰিক শাসন ব্যৱস্থাক তেওঁলোকে 'এক জীৱনাদৰ্শ' হিচাপে গণ্য কৰিছে। গণতন্ত্ৰত জনসাধাৰণক এটা সুন্দৰ মৰ্যাদা সম্পন্ন জীৱন যাপন কৰিবলৈ কিছুমান অধিকাৰ আৰু স্বাধীনতা প্ৰদান কৰা হয়। ইয়াৰ ফলত জনসাধাৰণৰ ব্যক্তিত্ব বিকাশত সুবিধা হয়। গণতন্ত্ৰত শান্তি আৰু প্ৰগতি একেলগে প্ৰতিষ্ঠা হয় আৰু সকলো ক্ষেত্ৰতে উন্নতি পৰিলক্ষিত হয়।

গণতন্ত্ৰ শব্দটোৱে তিনি প্ৰকাৰৰ অৰ্থ প্ৰদান কৰে। সেয়া হ'ল—

(i) গণতন্ত্ৰ হৈছে জনসাধাৰণ দ্বাৰা, জনসাধাৰণক লৈ গঠিত শাসন ব্যৱস্থা।

(ii) গণতন্ত্ৰ হৈছে এক সামাজিক সংগঠন য'ত সকলো লোকৰ সম বিকাশৰ সুবিধা প্ৰদান কৰা হয়।

(iii) গণতন্ত্ৰ হৈছে জীৱন ধাৰণৰ এক প্ৰণালী য'ত জনসাধাৰণে জীৱনৰ সকলো দিশ গণতন্ত্ৰৰ দ্বাৰা প্ৰভাৱিত কৰি তোলে।

## গণতন্ত্ৰৰ সংজ্ঞা (Definitions of Democracy)

গণতন্ত্ৰ সম্বন্ধে এক সৰ্বসন্মত সিদ্ধান্তত উপনীত হ'ব পৰা নাযায়। বিভিন্নজনে বিভিন্ন দৃষ্টিকোণৰ পৰা গণতন্ত্ৰৰ সংজ্ঞা আগবঢ়াইছে। গণতন্ত্ৰ সম্পৰ্কে কেইটামান সংজ্ঞা উল্লেখ কৰা হ'ল।

১। আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকন (Abraham Lincoln) ৰ মতে, "গণতন্ত্ৰ হৈছে জনগণক লৈ জনগণৰ দ্বাৰা আৰু জনগণৰ বাবে পৰিচালিত শাসন ব্যৱস্থা" (Democracy is government by the people, of the people and for the people)।

২। চিলি (Seely) ৰ মতে, "গণতন্ত্ৰ হৈছে এক শাসন ব্যৱস্থা য'ত প্ৰত্যেকৰে অংশদাৰীত্ব আছে" (Democracy is a government in which everyone has a share)।

৩। লৰ্ড ব্ৰাইছ (Lord Bryce) ৰ সংজ্ঞা অনুসৰি, "গণতন্ত্ৰ হৈছে ভোটৰ জৰিয়তে নিজৰ সাৰ্বভৌম ইচ্ছা প্ৰকাশ কৰা সমগ্ৰ জনসাধাৰণৰ শাসন, ইয়াতকৈ কমো নহয়, বেছিও নহয়" (Democracy means nothing more or less than the rule of the whole people, expressing their soverign will their votes)।

৪। গেটেল (Gattel) ৰ মতে, "গণতন্ত্ৰ এনে এক চৰকাৰ য'ত সৰ্বসাধাৰণ মানুহৰ সাৰ্বভৌম ক্ষমতা প্ৰয়োগত অংশ গ্ৰহণ কৰাৰ অধিকাৰ থাকে" (Democracy is that form of government in which mass of population possesses the right to share in the exercise of the sovereign power)।

৫। এৰিষ্টোটল (Aristotle) ৰ মতে, "গণতন্ত্ৰ হ'ল সমূহৰ চৰকাৰ" (Democracy is a government of many)।

৬। সমাজবিদ জন ডিউই (John Dewey) ৰ মতে, "গণতন্ত্ৰ হ'ল সমূহীয়া জীৱন-যাপনৰ এটা ব্যৱস্থা, য'ত মানুহৰ অভিজ্ঞতা সংযুক্ত হৈ থাকে।" (Democracy is primarily a mode of associated living of conjoint communicated experience)।

## গণতন্ত্ৰৰ বৈশিষ্ট্য (Features of Democracy)

গণতন্ত্ৰৰ অৰ্থ আৰু সংজ্ঞাসমূহ বিশ্লেষণ কৰিলে ইয়াৰ মূল বৈশিষ্ট্যসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি।

**১। জনগণৰ কল্যাণ সাধন কৰা (Welfare of the People)** ঃ গণতন্ত্ৰৰ এক প্ৰধান বৈশিষ্ট্য হ'ল এখন দেশৰ সকলো জনগণৰ কল্যাণ সাধন কৰা।

**২। সমতা (Equality)** ঃ গণতন্ত্ৰত জাতি, বৰ্ণ, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলোৱে সমান সুযোগ লাভ কৰে। আইনৰ দৃষ্টিত সকলো ব্যক্তিয়ে সমান আৰু সমানতাৰ ধাৰণা সকলো ক্ষেত্ৰতে বিৰাজমান।

**৩। জনসাধাৰণৰ অংশ গ্ৰহণ (Participation of the People)** ঃ গণতান্ত্ৰিক দেশত জনসাধাৰণে প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়ো প্ৰকাৰে দেশৰ শাসন কাৰ্যত অংশ গ্ৰহণ কৰে। গণতন্ত্ৰৰ কৃতকাৰ্যতা জনসাধাৰণৰ অংশ গ্ৰহণ অবিহনে সম্ভৱ নহয়।

**৪। জনমতৰ ওপৰত প্ৰতিষ্ঠিত (Based on Public Opinion)** ঃ গণতান্ত্ৰিক দেশৰ বিভিন্ন কাৰ্যব্যৱস্থা জনসাধাৰণৰ মতামতৰ ওপৰত প্ৰতিষ্ঠিত।

**৫। ব্যক্তিত্বৰ পূৰ্ণ বিকাশ (Development of Personality)** ঃ গণতান্ত্ৰিক শাসন প্ৰচলিত দেশসমূহত জনসাধাৰণৰ ব্যক্তিত্বৰ সৰ্বাত্মক বিকাশত গুৰুত্ব প্ৰদান কৰা হয় কিয়নো ব্যক্তিৰ ব্যক্তিত্বৰ সৰ্বাত্মক বিকাশৰ দ্বাৰাহে গণতান্ত্ৰিক দেশৰ প্ৰগতি সম্ভৱ।

**৬। সংখ্যালঘুৰ স্বাৰ্থ সুৰক্ষিত (Interests of Minority is Protected)** ঃ গণতন্ত্ৰত যদিও সংখ্যা গৰিষ্ঠতা প্ৰধান ভূমিকা লয় তথাপিও সংখ্যালঘুসকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে সততে লক্ষ্য ৰখা হয়।

**৭। ব্যক্তিৰ অধিকাৰৰ ওপৰত গুৰুত্ব (Importance upon the Rights of the People)** ঃ গণতন্ত্ৰত ব্যক্তি স্বাধীনতাৰ ওপৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা হয়। মতামত প্ৰকাশ কৰাৰ ক্ষেত্ৰত, ধৰ্মীয় ক্ষেত্ৰত, চৰকাৰক সমালোচনা কৰাৰ ক্ষেত্ৰত জনসাধাৰণে স্বাধীনতা পায় আৰু স্বাধীনতাৰ মাজেৰেই জনসাধাৰণে নিজৰ অধিকাৰ অক্ষুন্ন ৰাখিব পাৰে।

**৮। ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত (Based upon Justice)** ঃ গণতান্ত্ৰিক দেশৰ সকলো কাৰ্য ব্যৱস্থা

ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰত্যেক নাগৰিকৰ সৈতে ন্যায় বিচাৰ কৰাই হৈছে গণতান্ত্ৰিক দেশৰ মুল উদ্দেশ্য।

## গণতন্ত্ৰৰ প্ৰকাৰ (Types of Democracy)

গণতন্ত্ৰক মূলত ঃ দুটা ভাগত ভাগ কৰিব পাৰি। যেনে —

(i) প্ৰত্যক্ষ গণতন্ত্ৰ (Direct Democracy) আৰু

(ii) পৰোক্ষ গণতন্ত্ৰ (Indirect Democracy)

কোনো দেশৰ জনসাধাৰণে দেশৰ শাসন প্ৰক্ৰিয়াত পোনপটীয়াকৈ অংশ গ্ৰহণ কৰা ব্যৱস্থাক প্ৰত্যক্ষ গণতন্ত্ৰ বোলে। এনে প্ৰকাৰৰ গণতন্ত্ৰক জনসাধাৰণে প্ৰতিনিধিৰ ওপৰত নিৰ্ভৰ নকৰাকৈয়ে সকলো সুবিধা লাভ কৰিব পাৰে। প্ৰাচীন গ্ৰীচ ৰোমৰ নগৰ ৰাষ্ট্ৰসমূহত আৰু প্ৰাচীন ভাৰতৰ কিছুমান গণৰাজ্যত প্ৰত্যক্ষ গণনন্ত্ৰৰ প্ৰচলন থকা বুলি জনা যায়। গ্ৰীচৰ এথেন্সৰ নাগৰিকসকলে আইন প্ৰণয়ন, কাৰ্যকৰীকৰণ আৰু বিচাৰ কাৰ্যত প্ৰত্যক্ষভাৱে সক্ৰিয় অংশগ্ৰহণ কৰিছিল। প্ৰত্যক্ষ গণতন্ত্ৰত জনসাধাৰণে সময়মতে নিৰ্দিষ্ট স্থানত একত্ৰিত হৈ শাসন নীতি নিৰ্ধাৰণ কৰে। ৰাষ্ট্ৰখনৰ সামুহিক কল্যাণ সাধন আছিল প্ৰত্যক্ষ গণতন্ত্ৰৰ মূল উদ্দেশ্য। ব্যক্তিগত স্বাৰ্থ আৰু অগ্ৰাধিকাৰতকৈ সামুহিক স্বাৰ্থ আৰু অগ্ৰাধিকাৰক ইয়াত অধিক প্ৰাধান্য প্ৰদান কৰা হয়। বৰ্তমানৰ বিশাল জনসংখ্যাৰ দেশসমূহত প্ৰত্যক্ষ গণতন্ত্ৰ পদ্ধতিৰ প্ৰচলন সম্ভৱ নহয়। বৰ্তমান চুইজাৰলেণ্ডৰ কিছুমান সৰু সৰু কেণ্টনত আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ স্থানীয় চৰকাৰ পৰিচালনাতহে প্ৰত্যক্ষ গণতন্ত্ৰৰ প্ৰচলন দেখা যায়।

পৰোক্ষ গণতন্ত্ৰক প্ৰতিনিধি মূলক গণতন্ত্ৰ বুলিও কোৱা হয়। এনে গণতন্ত্ৰত জনসাধাৰণে প্ৰত্যক্ষভাৱে দেশৰ শাসন ব্যৱস্থাৰ লগত জড়িত নহয়। জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধি সকলেহে শাসন কাৰ্য পৰিচালনাত অংশ গ্ৰহণ কৰে। এই প্ৰতিনিধিসকলে চৰকাৰৰ কাৰ্যপালিকাসমূহ অব্যাহত ৰাখে। এনে গণতন্ত্ৰৰ মূল বৈশিষ্ট্য হ'ল এয়ে যে প্ৰতিনিধিসকলৰ সাৰ্বভৌমত্ব ৰাইজৰ হাতত ন্যস্ত থাকে। জন ষ্টুৱাৰ্ট মিলৰ মতে, "পৰোক্ষ গণতন্ত্ৰ হ'ল এনে এক শাসন ব্যৱস্থা য'ত সমগ্ৰ জনসাধাৰণ বা তেওঁলোকৰ সংখ্যা গৰিষ্ঠ অংশই নিজৰ নিজৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ মাধ্যমেৰে শাসন ক্ষমতা ব্যৱহাৰ কৰে" (The whole people or some numerous portion of them, exercise the governing power through deputies periodically elected by themselves)। সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ, ন্যায় পালিকাৰ স্বতন্ত্ৰতা, ৰাজনৈতিক দল আৰু অনুৰাগী গোটসমূহৰ ভূমিকা, গণতন্ত্ৰত প্ৰচাৰ মাধ্যম তথা জনসংযোগৰ স্বাধীনতা হ'ল পৰোক্ষ গণতন্ত্ৰৰ কেতবোৰ প্ৰধান বৈশিষ্ট। বৰ্তমান বিশ্বৰ সকলো ৰাষ্ট্ৰতে পৰোক্ষ বা প্ৰতিনিধিমূলক গণতন্ত্ৰ প্ৰচলন হোৱা দেখা যায় বাবে গণতন্ত্ৰ বুলিলে পৰোক্ষ গণতন্ত্ৰকে বুজা হয়।

## গণতন্ত্ৰৰ মূল নীতিসমূহ (Main Principles of Democracy)

গণতন্ত্ৰৰ সফলতা কেৱল সংবিধানৰ সুবিধা আৰু প্ৰশাসন ব্যৱস্থাৰ মাজতেই আবদ্ধ নহয়, মানৱ জীৱনত গণতান্ত্ৰিক নীতি আৰু মূল্যবোধসমূহৰ প্ৰয়োগেহে গণতন্ত্ৰক সফল কৰি তুলিব পাৰে। গণতন্ত্ৰৰ প্ৰধান নীতিবোৰ তলত দিয়া ধৰণৰ—

**১। স্বাধীনতা (Freedom) ঃ** স্বাধীনতা হৈছে গণতন্ত্ৰৰ আত্মাস্বৰূপ। স্বাধীনতা অবিহনে এজন ব্যক্তিয়ে নিজৰ সামৰ্থসমূহ সম্পূৰ্ণৰূপে বিকশাই তুলিব নোৱাৰে। সেয়ে এজন ব্যক্তিক নিজা ধৰীয়াকৈ চিন্তা কৰা, নিজৰ মনৰ ভাব প্ৰকাশ কৰা, আলোচনা কৰা, পৰামৰ্শ প্ৰদান কৰা, সমালোচনা কৰা আদিৰ ক্ষেত্ৰত স্বাধীনতা প্ৰদান কৰিব লাগে। ইয়াৰ জৰিয়তে এজন ব্যক্তিয়ে নিজৰ ব্যক্তিত্ব আৰু সামৰ্থৰ সৰ্বাত্মক বিকাশ সাধন কৰিব তুলিব পাৰে। ইয়াত স্বাধীনতা মানে কোনো অসামাজিক বা অবৈধ কাম কৰাৰ স্বাধীনতাৰ কথা কোৱা হোৱা নাই। গণতান্ত্ৰিক স্বাধীনতাত কেতবোৰ সীমাবদ্ধতা থাকে। এই কথাৰ প্ৰতি লক্ষ্য ৰখা উচিত যে এজনৰ স্বাধীনতাই যাতে আন এজনৰ স্বাধীনতা খৰ্ব কৰিব নোৱাৰে। সমাজৰ প্ৰগতিৰ বাবে সকলো লোকে সামুহিকভাৱে স্বাধীন মনোভাৱেৰে নিজৰ কৰ্তব্য সম্পাদন কৰিব লাগে।

**২। সমানতা (Equality) ঃ** গণতন্ত্ৰত জাতি, বৰ্ণ, ধৰ্ম, লিংগ, ভাষা নিৰ্বিশেষে সমানতো প্ৰদান কৰা হয়। প্ৰত্যেক ব্যক্তিয়ে মুক্তভাৱে আৰু সমান সুবিধাৰে নিজৰ বিকাশ সাধন কৰিব পাৰে। ই এইটো নুবুজায় যে সকলোৱে একে সুবিধা লাভ কৰিব। ব্যক্তি পাৰ্থক্যৰ নীতি এক চিৰসত্য ধাৰণা। অৰ্থাৎ এই নীতি অনুসৰি সমানতা মানে হ'ল নিজৰ আগ্ৰহ, অভিক্ষমতা, সামৰ্থ অনুসৰি ব্যক্তিসকলে নিজৰ ব্যক্তিগত ক্ষমতাৰ বিকাশ সাধন কৰিব লাগে। সেয়েহে অৰ্হতাসম্পন্ন ব্যক্তিসকলে সকলো ধৰণৰ প্ৰভাৱৰ পৰা মুক্তভাৱে নিজৰ সামৰ্থ আৰু আগ্ৰহ অনুসৰি বৃত্তি নিৰ্বাচন কৰাৰ সুবিধা লাভ কৰে। ইয়ে সমাজখনক উচ্চাত্মিকা বা নীচাত্মিকা মনোভাৱৰ পৰা মুক্ত কৰিব।

**৩। সমসহানুভূতি (Fellow–feeling) ঃ** গণতান্ত্ৰিক সমাজ ব্যৱস্থাত প্ৰত্যেক ব্যক্তিৰে সহানুভূতি সমান। তেওঁলোকৰ প্ৰত্যেকেই নিজৰ দায়িত্বৰ কথা জানে আৰু সমাজত আনৰ সৈতে সেইসমূহ সমাপন কৰে। প্ৰত্যেকজন গণতান্ত্ৰিক নাগৰিকেই আন্তৰিকতাপূৰ্ণ সহযোগিতা আৰু বিনিময় প্ৰথাত বিশ্বাসী। গণতন্ত্ৰ সমূহীয়া জীৱন আৰু ভ্ৰাতৃত্ববোধত বিশ্বাসী। মানৱত্বৰ আদৰ্শ আহৰণ নকৰালৈকে কোনোৱে গণতান্ত্ৰিক মনোবৃত্তিৰ হ'ব নোৱাৰে। গণতান্ত্ৰিক সমাজত সকলো ব্যক্তিয়ে সহযোগিতা আৰু সহানুভূতিৰ বসবাস কৰিব লাগে। তেতিয়াহে প্ৰত্যেক ব্যক্তিয়ে সমাজত সন্মান লাভ কৰিব।

**৪। ন্যায় (Justice) ঃ** গণতন্ত্ৰৰ আন এক নীতি হ'ল ন্যায়। গণতন্ত্ৰৰ সফলতাত ন্যায়ৰ ভূমিকা লেখত ল'বলগীয়া। এই নীতি অনুসৰি সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু অন্যান্য অনুষ্ঠানসমূহত ন্যায়ৰ নীতি গ্ৰহণ কৰিব লাগে। ন্যায় শব্দই উচিত বা অনুচিতকে নুবুজায়। ইয়াৰ

অৰ্ন্তনিহিত অৰ্থ হ'ল সম্পদৰ সঠিক বিতৰণ কৰা। আইনহীনতাৰ বিপৰীতাৰ্থক শব্দ হিচাপে ন্যায়ৰ ব্যৱহাৰ কৰা হয়। সকলো ব্যক্তিয়ে ন্যায়ৰ দিশত আইনৰ চকুত সমান আৰু নীতি-নিয়ম পালনৰ দিশতো সমান।

৫। **সকলোকে সন্মান কৰা (Respect for Everyone)** ঃ সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে মূল্যবান আৰু গুৰুত্বপূৰ্ণ। অন্য অৰ্থত প্ৰত্যেকজন ব্যক্তিয়ে সমাজৰ অংগস্বৰূপ। গণতান্ত্ৰিক জীৱনশৈলীত প্ৰত্যেকজন ব্যক্তিৰ মৰ্যাদাই অতি উচ্চ। গণতন্ত্ৰ সাধাৰণতে প্ৰত্যেক ব্যক্তিৰ মৰ্যাদাত বিশ্বাসী। সেইবাবে প্ৰত্যেকজন ব্যক্তিকে সন্মান প্ৰদৰ্শন কৰিব লাগে। এই অৰ্থত কোনো ব্যক্তিয়ে আনৰ বিকাশ স্তব্ধ কৰিব নোৱাৰে।

৬। **উদাৰতা (Tolerance)** ঃ স্বাধীনতাই উদাৰতা বিকশাই তোলে। উদাৰতা গুণ প্ৰত্যেক ব্যক্তিৰ মাজতে আছে। প্ৰত্যেক ব্যক্তিয়ে নেতা আৰু বন্ধু-বান্ধৱসকলৰ লগত উদাৰতাৰ নীতিৰে সমাজত আগুৱাই যায়। গণতন্ত্ৰত উদাৰনীতিৰ সহায়ত প্ৰত্যেক ব্যক্তিৰ মাজতে এক সুস্থ সম্বন্ধ গঢ়ি তুলিবলৈ বিচৰা হয়। এনেদৰে কেতিয়াও ভাবিব নালাগে যে এজন মানুহেই কেৱল শুদ্ধ আৰু তেওঁক সমৰ্থন নকৰাসকল মুৰ্খ। গণতন্ত্ৰত 'জীয়াই থকা আৰু আনকো জীয়াই থাকিবলৈ দিয়া' নীতিয়ে বিশেষ প্ৰদান্য লাভ কৰে।

৭। **সুনাগৰিকত্ব (Good Citizenship)** ঃ এখন গণতন্ত্ৰত প্ৰত্যেকজন ব্যক্তিয়ে একো একোজন সুনাগৰিক। গণতন্ত্ৰত নাগৰিকত্বৰ অংশ গ্ৰহণ অন্যতম লক্ষণ। ব্যক্তিৰ প্ৰগতিশীল মনোভাব, দৃষ্টিভংগী আৰু নেতৃত্বৰ গুণাগুণে গণতন্ত্ৰৰ আদৰ্শকে সূচায়। ইয়াৰদ্বাৰা ব্যক্তিয়ে শুদ্ধ পথ গ্ৰহণ কৰি দায়িত্ব পালনত অংশ গ্ৰহণ কৰিব পাৰে। এজন সুনাগৰিক হিচাপে ব্যক্তিসকলে নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে ভালদৰে জ্ঞাত।

৮। **পৰিৱৰ্তনত বিশ্বাসী (Faith in Change)** ঃ জীৱন গতিশীল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে জীৱনৰ বিভিন্ন দিশ পৰিৱৰ্তিত হয়। এখন প্ৰকৃত গণতন্ত্ৰই পৰিৱৰ্তনত কেতিয়াও বাধা নিদিয়ে। কাৰণ, পৰিৱৰ্তন সদায় প্ৰাকৃতিক আৰু ই ভালৰ বাবেই হয় বুলি গণতন্ত্ৰ বিশ্বাসী। এজন প্ৰকৃত গণতান্ত্ৰিক নাগৰিকে নিজৰ পথত সদায় গতিশীলতা বিচাৰে। পুৰণিৰ লগত নতুনৰ সমাযোজনৰ ঘটাই বিকাশ আৰু প্ৰগতিৰ দিশে আগুৱাই যোৱাটো গণতান্ত্ৰিক জীৱন দৰ্শনৰ মূল নীতি।

৯। **অৰ্থনৈতিক যোগ্যতা আহৰণ (Economic Competance)** ঃ সফল গণতন্ত্ৰৰ মূল মন্ত্ৰ হৈছে ব্যক্তিয়ে তেওঁৰ ব্যক্তিগত আৰু সামাজিক জীৱনত অৰ্থনৈতিক যোগ্যতা আহৰণ কৰিব পৰাটো। অৰ্থনৈতিক যোগ্যতা আহৰণে যুৱক-যুৱতীসকলৰ মনত দেশৰ প্ৰতি একাত্মবোধভাৱ গঢ়ি তুলিব পাৰে।

১০। **ব্যক্তিগত আৰু সামাজিক প্ৰগতি (Individual ans Social Progress)** ঃ ব্যক্তিগত আৰু

সামাজিক প্ৰগতিত প্ৰকৃত গণতন্ত্ৰ বিশ্বাসী। সেয়েহে এখন গণতান্ত্ৰিক দেশত ব্যক্তি আৰু সমাজ এটা আনটোৰ লগত সম্বন্ধযুক্ত আৰু এটাই আনটোৰ বিকাশ আৰু কল্যাণত সহায় কৰে। গতিকে গণতান্ত্ৰিক দেশ এখনত ব্যক্তি আৰু সমাজ দুয়োটাই নিজৰ বিকাশ সাধন কৰি গণতান্ত্ৰিক দেশখনৰ কল্যাণৰ হকে কাৰ্য সম্পাদন কৰিব পাৰে।

## শিক্ষাত গণতন্ত্ৰৰ অৰ্থ (Meaning of Democracy in Education)

গণতন্ত্ৰত সৰ্বসাধাৰণ নাগৰিককে ধৰি সকলো ব্যক্তিকে গুৰুত্ব প্ৰদান কৰা হয়। গণতান্ত্ৰিক যন্ত্ৰটোৰ সাফল্য এই ব্যক্তিসকলৰ ওপৰতে নিৰ্ভৰ কৰে। এই নাগৰিকসকলৰ সেয়েহে গণতান্ত্ৰিক আদৰ্শৰ জ্ঞান থকা প্ৰয়োজনীয়। নিজৰ অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে এওঁলোকে সজাগ হ'ব লাগিব। ইয়াৰ বাবে প্ৰতিজন নাগৰিক শিক্ষিত হ'ব লাগিব। শিক্ষিত ব্যক্তিৰ ওপৰত গণতন্ত্ৰৰ সাফল্য নিৰ্ভৰ কৰে। গণতন্ত্ৰৰ নিজস্ব কিছুমান বৈশিষ্ট্য থকাৰ বাবে গণতান্ত্ৰিক ৰাষ্ট্ৰৰ শিক্ষা ব্যৱস্থা সেই বৈশিষ্ট্যবোৰৰ আধাৰত প্ৰস্তুত কৰা দৰকাৰ।

গণতন্ত্ৰ আৰু শিক্ষা সদায় সংলগ্ন। গণতন্ত্ৰই শিক্ষাক প্ৰভাৱিত কৰি আৰু শিক্ষাইও গণতন্ত্ৰক বিভিন্ন দিশত প্ৰভাৱিত কৰে। গণতান্ত্ৰিক নীতি আৰু মূল্যবোধ বৰ্তমান শিক্ষাৰ এক অপৰিহাৰ্য অংগ স্বৰূপ হৈ পৰিছে। এই ক্ষেত্ৰত আমেৰিকাৰ সমাজবাদী দাৰ্শনিক তথা শিক্ষাবিদ ছাৰ জন ডিউইৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ গণতন্ত্ৰৰ আদৰ্শসমূহ সদায় শিক্ষাৰ লগত জড়িত। বিখ্যাত গ্ৰন্থ 'Democracy and Education' ত জন ডিউইৰে এই বিষয়ে বৰ্ণনা আগবঢ়াইছে। শিক্ষা হৈছে গণতন্ত্ৰৰ এক অতি গুৰুত্বপূৰ্ণ আহিলা।

গণতন্ত্ৰত শিক্ষাৰ ধাৰণাই ব্যক্তিগত আৰু দলীয় জীৱনৰ আৰ্হিৰ অবিৰত পুনৰ সংগঠন, উন্নতি আৰু বিকাশত ব্যক্তিক অংশ গ্ৰহণৰ বাবে প্ৰস্তুত কৰে। শিক্ষাৰ অনুপস্থিতিত গণতন্ত্ৰৰ বিষয়ে জনাটো সম্ভৱপৰ নহয়। কিয়নো গণতন্ত্ৰ হ'ল শিক্ষাৰ ফল। বিশ্বৰ বিভিন্ন দেশৰ লগতে আমাৰ দেশৰ শিক্ষা ব্যৱস্থাতো গণতন্ত্ৰৰ নীতি আৰু আদৰ্শবোৰ অনুসৰণ কৰা হয়। ইয়াৰ ফলতেই আমাৰ দেশত 'জন শিক্ষা' (Mass Education) প্ৰচলিত হৈছে আৰু 'সকলোৰে বাবে শিক্ষা' ধাৰণা বাস্তৱায়িত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

গণতন্ত্ৰৰ নীতি আৰু আদৰ্শ অনুসৰণৰ ফলত যিবোৰ বৈশিষ্ট্য শিক্ষা ব্যৱস্থাত দেখিবলৈ পোৱা যায় সেইবোৰ তলত উল্লেখ কৰা হ'ল—

**১। সাৰ্বজনীন আৰু বাধ্যতামূলক শিক্ষা (Universal and Compulsory Education) ঃ** গণতান্ত্ৰিক দেশত শিক্ষা প্ৰত্যেকৰে বাবে সহজলভ্য, সাৰ্বজনীন প্ৰকৃতিৰ আৰু সকলোৰে বাবে বাধ্যতামূলক। এনে শিক্ষাই ব্যক্তিক নিজৰ দায়িত্ব, কৰ্তব্য আৰু অধিকাৰৰ প্ৰতি সচেতন কৰি তোলে।

২। **বিনামূলীয়া শিক্ষা (Free Education) ঃ** সাৰ্বজনীন আৰু বাধ্যতামূলক শিক্ষা নীতিৰ লগত বিনামূলীয়া শিক্ষা নীতিও সংযুক্ত হৈ আছে। এক নিৰ্দিষ্ট শ্ৰেণীলৈকে শিক্ষা বিনামূলীয়াকৈ প্ৰদান কৰিব লাগে। শিক্ষা হৈছে প্ৰত্যেক ব্যক্তিৰ জন্মস্বত্ব অধিকাৰ। যিসকল ব্যক্তি শাৰীৰিক আৰু মানসিকভাৱে বাধা গ্ৰস্থ সেইসকল ব্যক্তিকো বিশেষীকৃত শিক্ষা দিব লাগে। কোনো ধৰণৰ ভেদাভেদ নৰখাকৈ বিনামূলীয়া শিক্ষা সকলোকে প্ৰদান কৰিব লাগে।

৩। **শিশুকেন্দ্ৰিক (Child Centred) ঃ** গণতান্ত্ৰিক শিক্ষা শিশুকেন্দ্ৰিক। প্ৰত্যেক শিশুৱে গণতান্ত্ৰিক সমাজ ব্যৱস্থাত সমান গুৰুত্ব পায় আৰু তেওঁলোকৰ উপযুক্ত বৃদ্ধি আৰু বিকাশৰ বাবে সকলো ধৰণৰ সুবিধাও লাভ কৰে। শিশুৰ নিজস্ব সামৰ্থ আৰু দক্ষতাৰ ভিত্তিতে গণতন্ত্ৰত শিক্ষা প্ৰদান কৰা হয়।

৪। **সম্প্ৰদায় ভিত্তিক (Community Centred) ঃ** সম্প্ৰদায় হৈছে এক কেন্দ্ৰ যত সমগ্ৰ শিক্ষা প্ৰক্ৰিয়াই বিস্তাৰিত হৈ আছে। সেয়েহে গণতন্ত্ৰৰ শিক্ষাও সম্প্ৰদায়ৰ প্ৰয়োজনীয়তা আৰু অগ্ৰাধিকাৰৰ ভিত্তিত গঢ় লৈ উঠে। অৰ্থাৎ গণতান্ত্ৰিক শিক্ষা সম্প্ৰদায়ৰ সামাজিক পৰিৱেশৰ লগত জড়িত হৈ থাকে।

৫। **প্ৰাপ্ত বয়স্ক শিক্ষাৰ সুবিধা (Provision of Adult Education) ঃ** গণতান্ত্ৰিক শিক্ষাত প্ৰাপ্তবয়স্ক সকলক শিক্ষাৰ সুবিধাও প্ৰদান কৰা হয়। যিসকল প্ৰাপ্তবয়স্কই তেওঁলোকৰ উপযুক্ত বয়সত বিভিন্ন অসুবিধাৰ বাবে প্ৰাথমিক শিক্ষা লাভ কৰিব পৰা নাছিল গণতান্ত্ৰিক শিক্ষাই এনে প্ৰাপ্তবয়স্কসকলৰ বাবে অগতানুগতিক শিক্ষাৰ সুবিধা প্ৰদান কৰে।

৬। **সুনাগৰিকতা (Good Citizenship) ঃ** গণতান্ত্ৰিক শিক্ষাই সুনাগৰিক গঢ়ি তোলাত সহায় কৰে। এই শিক্ষাই ব্যক্তিক সমাজ আৰু দেশৰ প্ৰতি তেওঁলোকৰ দায়িত্ব, কৰ্তব্য আদিৰ ক্ষেত্ৰত জ্ঞান প্ৰদান কৰে।

৭। **বিকেন্দ্ৰীকৰণ (Decentralise) ঃ** গণতান্ত্ৰিক শিক্ষা প্ৰদান কৰোতে পৰিৱেশটো গণতান্ত্ৰিক প্ৰকৃতিৰ হ'ব লাগে। তাৰ বাবে প্ৰশাসনীয় ব্যৱস্থা কেন্দ্ৰীকৰণ কৰাৰ পৰিৱৰ্তে বিকেন্দ্ৰীকৰণ কৰাটো অতি প্ৰয়োজনীয়।

৮। **জাতীয় চেতনা (National Unity) ঃ** গণতান্ত্ৰিক শিক্ষাই প্ৰত্যেক দেশকে একতাৰ নীতিৰে বান্ধি ৰাখে। গণতান্ত্ৰিক দেশ এখনত বিভিন্ন ভাষা, ধৰ্ম, সংস্কৃতিৰ মানুহ থাকিব পাৰে। শিক্ষাৰ জৰিয়তে জাতীয় চেতনাৰ ভাব বিকশাই তুলি সকলোকে একতাৰ বান্ধোনেৰে বান্ধি ৰাখিব পাৰি।

৯। **আন্তৰ্জাতিক বুজাপৰা (International Understanding) ঃ** গণতান্ত্ৰিক প্ৰকৃতিৰ শিক্ষা বৰ্তমান সময়ত বিশ্বৰ সকলোৰে বাবে প্ৰয়োজনীয়। বৰ্তমান বিশ্বই ভ্ৰাতৃত্ববোধ, এখন বিশ্ব, এক

মানৱতাৰ মূল বুজি উঠিছে। গণতান্ত্রিক শিক্ষাই জীৱনৰ গণতান্ত্রিক মূল্যবোধৰ জৰিয়তে আন্তর্জাতিক বুজাপৰাত সহায় আগবঢ়ায়।

**১০। শিক্ষাৰ সকলো মাধ্যমৰ মাজত সহযোগিতা (Co-operation between All Agencies of Education) ঃ** গণতন্ত্রত শিশুৰ বিকাশৰ বাবে সকলোবোৰ মাধ্যমৰ মাজত সহযোগিতা স্থাপন কৰিব লাগে। সেয়েহে, গণতান্ত্রিক দেশৰ শিক্ষা ব্যৱস্থাত এনে ধৰণৰ আঁচনি প্রস্তুত কৰিব লাগে যাতে শিক্ষাৰ সকলোবোৰ মাধ্যম যেনে ঃ গৃহ, বিদ্যালয়, সম্প্রদায়, ৰাজ্য, গীর্জা আদিৰ মাজত সহযোগিতা স্থাপন হয়।

**১১। সামাজিক কার্যাবলী (Social Activities) ঃ** বর্তমান সময়ৰ বিদ্যালয়সমূহত কেৱল তাত্বিক আৰু পুথিগত বিদ্যা অর্জনতে প্রাধান্য দিয়া নহয়; সামাজিক, সাংস্কৃতিক আৰু সহ পাঠ্যক্রমিক কার্যসূচী সমূহতো অধিক গুৰুত্ব দিয়া হয়। ইয়াৰ যোগেদি শিশুৰ সর্বাত্মক বিকাশ সম্ভৱ হয় আৰু সামাজিক অভিজ্ঞতা আহৰণ কৰিব পাৰে।

**১২। শিক্ষকৰ ব্যক্তিত্বক সম্মান (Respect to Teacher's Personality) ঃ** গণতান্ত্রিক দর্শনে সামাজিক প্রগতিৰ বাবে, সমাজ পৰিৱর্তনৰ আহিলা হিচাপে শিক্ষকৰ ব্যক্তিত্বক সম্মান প্রদর্শন কৰে। সেয়েহে শিক্ষকসকলে বর্তমান নিজকে পাঠ্যক্রম প্রস্তুতকৰণ আৰু শৈক্ষিক পৰিকল্পনাত অধিক সক্রিয়তাৰে অংশ গ্রহণ কৰে। শিক্ষাদানৰ পদ্ধতি, কৌশল আদিৰ ক্ষেত্রতো শিক্ষকসকলে বিভিন্ন ধৰণৰ পৰীক্ষা-নিৰীক্ষা কৰিব পাৰে।

## গণতন্ত্র আৰু জনসাধাৰণৰ শিক্ষা (Democracy and the Education of Masses)

বর্তমান সময়ত প্রতিজন লোকৰ বাবেই শিক্ষা অপৰিহার্য হিচাপে বিবেচিত হৈ উঠিছে। সমাজৰ উচ্চ-নীচ, ধনী-দুখীয়া, ল'ৰা-বুঢ়া, পুৰুষ-মহিলা, স্বাক্ষৰ-নিৰক্ষৰ সকলো লোকৰ বাবেই শিক্ষাৰ প্রয়োজন। সেয়ে বর্তমান সমাজৰ সকলো লোকেই শিক্ষা সচেতন হৈ উঠি ইয়াৰ প্রয়োজন নিজ নিজ জীৱনত অনুভৱ কৰি উঠিছে। এখন দেশৰ সকলো জনসাধাৰণৰ স্কুল-কলেজ, বিশ্ববিদ্যালয় আৰু অন্যান্য শিক্ষা প্রতিষ্ঠান আদিয়ে দি অহা আনুষ্ঠানিক শিক্ষাৰ ব্যৱস্থাই সমাজৰ সকলো শ্রেণীৰ লোকক সামৰি ল'ব নোৱাৰে আৰু তেওঁলোকৰ শিক্ষাৰ প্রয়োজন পূৰণ কৰিব নোৱাৰে। সেয়েহে এখন দেশৰ সকলো জনসাধাৰণক শিক্ষা প্রদান কৰিবৰ বাবে অগতানুগতিক শিক্ষাৰো সহায় ল'ব লাগে।

গণতান্ত্রিক ব্যৱস্থাৰ প্রধান ভেঁটি হ'ল জনসাধাৰণৰ জ্ঞান, জিজ্ঞাসা আৰু দায়িত্ববোধ। এয়া লাভৰ একমাত্র উপায় হ'ল জনসাধাৰণৰ শিক্ষা। সেয়েহে গণতন্ত্রত শিক্ষাক উচ্চ আসন প্রদান কৰিব লাগে। শিক্ষা কেৱল শিশুৰ মাজতে সীমাবদ্ধ কৰি ৰাখিব নালাগে। বয়স্ক শিক্ষা ব্যৱস্থাকো গুৰুত্ব প্রদান

কৰিব লাগে। শিশুসকল হ'ল ভৱিষ্যতৰ নাগৰিক গতিকে দেশ সিহঁতৰ পৰা বৰগুণি ভৱিষ্যত সময়ত লাভ কৰিব। কিন্তু প্ৰাপ্তবয়স্ক সকলে দেশৰ প্ৰতিনিধি নিৰ্বাচন কৰে আৰু সেয়েহে তেওঁলোকক দায়িত্ব, বোধ আৰু নিৰ্দেশনাৰ প্ৰয়োজন। আকৌ প্ৰাপ্তবয়স্ক সকলৰ আচৰণে শিশু সকলৰ আচৰণক তাৎক্ষণিকভাৱে প্ৰভাৱিত কৰে। সেয়ে ভৱিষ্যত প্ৰজন্মৰ বাবেও প্ৰাপ্তবয়স্ক জনসাধাৰণক শিক্ষা প্ৰদান কৰা প্ৰয়োজন। পশ্চিমীয়া দেশবোৰত শিশুসকলৰ দৰে প্ৰাপ্তবয়স্কসকলৰ শিক্ষাতো সমানে গুৰুত্ব দিয়া হয় আৰু সেয়ে ৰাতিপুৱা আৰু সন্ধিয়া সময়ত প্ৰাপ্তবয়স্ক ব্যক্তিসকলক শিক্ষা প্ৰদান কৰা হয়।

অধ্যাপক হুমায়ুন কবীৰ (Humayan Kabir) ৰ মতে প্ৰাপ্তবয়স্ক শিক্ষা হৈছে ভেঁটিস্বৰূপ যি অকলেই ভাৰতবৰ্ষক এখন মুক্ত কল্যাণকামী ৰাষ্ট্ৰ হিচাপে গঢ় দিব পাৰে। এইটো সাৰ্বজনীনভাৱে গ্ৰহণযোগ্য যে গণতান্ত্ৰিক দেশ এখনৰ জাতীয় বিকাশত প্ৰাপ্তবয়স্ক শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। গণতান্ত্ৰিক দেশৰ অৰ্থনৈতিক আৰু সামাজিক বিকাশৰ বাবে প্ৰাপ্তবয়স্ক শিক্ষাক এক প্ৰধান স্থান প্ৰদান কৰিব লাগে। প্ৰাপ্তবয়স্ক শিক্ষাৰ সহায়ত গণতান্ত্ৰিক দেশ এখনৰ অৰ্থনৈতিক বিকাশৰ উপৰিও কৃষিৰ বিকাশ, ঔদ্যোগিক বিকাশ; সাংস্কৃতিক আৰু ৰাজনৈতিক বিকাশ সম্ভৱ কৰি তুলিব পাৰি। জনসংখ্যা নিয়ন্ত্ৰণ আৰু পৰিয়াল পৰিকল্পনাৰ দৰে ধাৰণাবোৰ গণতান্ত্ৰিক দেশৰ অগ্ৰজ জনসাধাৰণৰ মাজত প্ৰসাৰিত কৰিবৰ বাবেও প্ৰাপ্তবয়স্ক শিক্ষাৰ প্ৰয়োজন। ব্যক্তিগতভাৱে প্ৰাপ্তবয়স্ক লোকসকলৰ সৰ্বাত্মক বিকাশৰ বাবে আৰু সামাজিকভাৱে সমাজ আৰু গণতান্ত্ৰিক দেশৰ বিকাশৰ বাবে অশিক্ষিত আৰু অৰ্ধশিক্ষিত প্ৰাপ্তবয়স্ক লোকসকলক শিক্ষা প্ৰদান কৰা প্ৰয়োজন।

গণতান্ত্ৰিক দেশৰ বৃহত্তৰ জনসাধাৰণ প্ৰাপ্তবয়স্ক ব্যক্তিসকলক শিক্ষা প্ৰদানৰ বাবে আমাৰ দেশত বিভিন্ন ধৰণৰ শিক্ষা আঁচনিৰ ব্যৱস্থা স্বাধীনোত্তৰ কালত কৰা হৈছে। সেইবোৰ হ'ল—সামাজিক শিক্ষা, (Social education), গ্ৰাম শিক্ষণ মহিম (Gram Shikshan Mohim), কাৰ্যকৰী সাক্ষৰতা আঁচনি (Functional Literary Programme), কৃষকৰ কাৰ্যকৰী সাক্ষৰতা আঁচনি (Farmer's Functional Literacy Programme), প্ৰাপ্তবয়স্ক মহিলাৰ বাবে কাৰ্যকৰী সাক্ষৰতা (Functional Literacy for Adult Womern), ৰাষ্ট্ৰীয় প্ৰাপ্তবয়স্ক শিক্ষা আঁচনি (National Adult Education Programme), ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন (National Literacry Mission), পূৰ্ণ সাক্ষৰতা অভিযান (Total Literacy Campaign), উত্তৰ সাক্ষৰতা অভিযান (Post Literacy Programme), স্বাক্ষৰ ভাৰত মিছন (Soakshar Bharat Mission) আদি।

প্ৰাপ্তবয়স্ক জনসাধাৰণৰ শিক্ষাৰ বাহিৰেও গণতান্ত্ৰিক দেশ এখন সৰ্বাংগীন উন্নতিৰ বাবে শাৰিৰীকভাৱে বাধাগ্ৰস্ত, অন্ধ, অনগ্ৰসৰ শিশু, প্ৰতিভাশালী শিশুসকলৰ শিক্ষাৰ বাবেও বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বৰ্তমান সময়ত বহুলভাৱে উচ্চাৰিত 'অন্তৰ্ভুক্তিকৃত শিক্ষা' (Inclusive Education) ব্যৱস্থাৰ যোগেদি এইসকল জনসাধাৰণকো শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। আকৌ সামাজিকভাৱে

পিচপৰা যেনে ঃ অনুসূচীত জাতি, অনুসূচীত জনজাতি, সংখ্যালঘু, ছোৱালী, গ্ৰামাঞ্চল আৰু বস্তি অঞ্চলৰ শিশু, শিশু শ্ৰমিক, পথ শিশু, অনাথ শিশু সকলকো শিক্ষা প্ৰদান কৰি গণতান্ত্ৰিক দেশ এখন উন্নতিৰ জখলাত আগুবাই যাব পাৰে।

গণতন্ত্ৰত শিক্ষা মাথোন এক প্ৰয়োজনেই নহয়, ই এক জন্মস্বত্ব অধিকাৰো। সেয়েহে কোনো ধৰণৰ বিভেদ সকলো ধৰণৰ জনসাধাৰণক শিক্ষা প্ৰদান কৰিব বাবে গণতান্ত্ৰিক দেশবোৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

## গণতান্ত্ৰিক শিক্ষাত শিশু (The Child in Democracy Education)

গণতন্ত্ৰত শিশুৰ শিক্ষাৰ এক মৌলিক নীতি হ'ল শিশুৰ ব্যক্তিসত্বাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা। গণতান্ত্ৰিক শিক্ষাই শিশুৰ অন্তৰ্নিৰ্হিত আগ্ৰহ আৰু জন্মগত ক্ষমতাবোৰ বিকশাই তোলাৰ লগতে এই শক্তি-ক্ষমতাবোৰ যাতে কোনো কাৰণতে অৱদমিত নহয় তাৰ ওপৰত গুৰুত্ব দিব লাগে। ইয়াৰ বাবে শিক্ষা ব্যৱস্থাৰ পৰিকল্পনা কৰোঁতে বৈজ্ঞানিক আৰু মনোবৈজ্ঞানিক নীতি পদ্ধতিৰ ওপৰত সৰ্বাধিক মনোযোগ প্ৰদান কৰা প্ৰয়োজন। গণতান্ত্ৰিক শিক্ষাত শিশুৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ বেলিকা তলত উল্লেখ কৰা দিশকেইটা বিশেষ মনকৰিবলগীয়া।

(ক) শিশুকেন্দ্ৰিক শিক্ষাৰ বাবে গণতান্ত্ৰিক শিক্ষাত শিশুৰ গৃহ পৰিবেশ সুস্থ হোৱা প্ৰয়োজন। গৃহ পৰিবেশৰ উপযুক্ততা-অনুপযুক্তাই শিশুৰ শিক্ষাত বিশেষ প্ৰভাৱ বিস্তাৰ কৰে।

(খ) প্ৰত্যেক শিশুৱে এক নিৰ্দিষ্ট সাংস্কৃতিক পৰিৱেশত বসবাস কৰে। শিশুসকলক উপযুক্তভাৱে শিক্ষা প্ৰদানৰ বাবে শিশুৱে বসবাস কৰা পৰিৱেশৰ বাতাবৰণ সুস্থ হোৱা দৰকাৰ।

(গ) প্ৰত্যেক শিশুৰ মাজতে ব্যক্তিগত পাৰ্থক্য বিৰাজমান। সেইবাবে শিশুৰ মনোবৈজ্ঞানিক সংলক্ষণবোৰ বিবেচনা কৰি শিক্ষা প্ৰদান কৰা প্ৰয়োজন। ইয়াৰ অবিহনে গণতান্ত্ৰিক শিক্ষা অৰ্থহীন হৈ পৰিব।

(ঘ) গণতান্ত্ৰিক শিক্ষাত শিশুক শিক্ষা প্ৰদানৰ বেলিকা সিহঁতৰ বৌদ্ধিক দিশৰ পৰিমাপনৰ বাবে শিক্ষকসকলে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বুদ্ধাংকৰ ভিত্তিত শিশুসকলক শিক্ষা প্ৰদান কৰাত গণতান্ত্ৰিক শিক্ষাৰ এক অপৰিহাৰ্য দিশ।

(ঙ) শিশুসকলক উপযুক্ত শিক্ষা প্ৰদানৰ বাবে শিক্ষকসকলে নিজৰ পৰ্যবেক্ষণ তথা চিকিৎসকৰ তথ্যৰ সহায়ত শিশুসকলৰ স্বাস্থ্য আৰু দৈহিক অৱস্থাৰ বিষয়ে উমান ল'ব লাগে। কিয়নো সু-স্বাস্থ্য অবিহনে শিশুৰ শিক্ষা সম্ভৱ হ'ব নোৱাৰে।

শিশুৰ শিক্ষাত পাঠ্যক্ৰম, বিদ্যালয়, শিক্ষক শিক্ষাদানৰ পদ্ধতি আৰু অনুশাসন ব্যৱস্থাইও বিশেষ ভূমিকা গ্ৰহণ কৰে। এই বিষয়ে তলত আলোচনা কৰা হ'ল—

১। গণতান্ত্রিক শিক্ষাত পাঠ্যক্রম প্রস্তুত কৰাৰ বেলিকা শিশুৰ স্বভাৱ বা শিশু প্রকৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। এনে পাঠ্যক্রম প্রস্তুত কৰিবৰ বাবে শিশু মনোবিজ্ঞান আৰু শিক্ষা মনোবিজ্ঞানৰ জ্ঞানৰ প্রয়োজন। শিশুক বিশেষভাৱে প্রাধান্য দি প্রস্তুত কৰা গণতান্ত্রিক শিক্ষাৰ পাঠ্যক্রমৰ মূল বৈশিষ্ট্যকেইটা হ'ল—

→ শিশুকেন্দ্রিক পাঠ্যক্রমৰ শিক্ষাৰ মূল মাধ্যম হ'ল খেলা। কিয়নো স্বভাৱজাতভাৱে শিশু খেলপ্ৰৱণ। সেইবাবে খেলাৰ মাধ্যমেৰে শিশুক শিক্ষাদান আৰু অভিজ্ঞতা প্রদান কৰাত গুৰুত্ব দিব লাগে।

→ শিশুৰ অন্তৰ্নিহিত যোগ্যতা আৰু প্রতিভাসমূহ প্রকাশ লাভ কৰিবৰ বাবে পাঠ্যক্রমত স্বাধীনতাৰ প্রয়োজন। স্বাধীনতা হৈছে শিশুকেন্দ্রিক পাঠ্যক্রমৰ এক প্রাথমিক চৰ্ত যাৰ যোগেদি পাঠ্যক্রমখন প্রতিভাৰ অন্বেষণকাৰী আৰু উদ্ভাৱনকাৰী কৰি তোলাৰ চেষ্টা কৰা হয়।

→ গণতান্ত্রিক শিক্ষাৰ শিশুকেন্দ্রিক পাঠ্যক্রমৰ আন এক বৈশিষ্ট্য হ'ল ক্রিয়াৰ যোগেদি শিক্ষা। শিশুৱে নিজ ক্রিয়া প্রচেষ্টাৰ যোগেদি আত্মশিক্ষা লাভ কৰি উঠাত গণতান্ত্রিক শিক্ষাত সর্বাধিক গুৰুত্ব আৰোপ কৰা হয়। এইক্ষেত্ৰত শিক্ষকজন হ'ল নির্দেশক আৰু পথ প্রদর্শক।

এই বৈশিষ্ট্যবোৰৰ ভিত্তিত গণতান্ত্রিক শিক্ষাৰ পাঠ্যক্রমত বিষয়বস্তু অন্তর্ভুক্ত কৰা দৰকাৰ। আমাৰ দেশৰ পাঠ্যক্রম প্রস্তুতিৰ বেলিকা সংস্কৃতি, ভাষা, ধর্ম, পৰম্পৰা, প্ৰথা আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰা দেখা যায়।

২। গণতান্ত্রিক শিক্ষাত শিশুক শিক্ষা প্রদানৰ বেলিকা বিদ্যালয় ব্যৱস্থাইও বিশেষ ভূমিকা গ্ৰহণ কৰে। ব্যক্তিগত স্বাধীনতা, প্রকাশৰ স্বাধীনতা আৰু কৰ্মৰ স্বাধীনতা হ'ল গণতান্ত্রিক ব্যৱস্থাৰ প্রধান স্তম্ভ। বিদ্যালয় ব্যৱস্থাত স্বাধীনতা অতি প্রয়োজনীয়। শ্রেণীকোঠাৰ কার্য আৰু সৃজনাত্মক অনুষ্ঠানবোৰত শিক্ষক আৰু ছাত্র-ছাত্রীসকলক সম্পূর্ণ স্বাধীনতা প্রদান কৰা হয়। এইক্ষেত্ৰত ব্যৱস্থাপক বা পৰিদর্শকৰ ভূমিকা সহযোগিতামূলক আৰু উদাৰ হ'ব লাগে। বিদ্যালয় ব্যৱস্থাৰ যোগেদি শিশুৱে নিজ প্রতিভাৰ বিকাশ সাধন কৰিব পাৰে, সজ অভ্যাস গঠন কৰিব পাৰে, সুনাগৰিকতাৰ শিক্ষা লাভ কৰিব পাৰে, নৈতিক বিকাশ সাধন কৰিব পাৰে তথা আত্ম নির্ভৰশীল হৈ উঠিব পাৰে।

৩। শিক্ষাক্ষেত্ৰত শিক্ষকজন অতি গুৰুত্বপূর্ণ ব্যক্তি। শিক্ষা ব্যৱস্থাৰ সংগঠন তেওঁৰ ওপৰতে নির্ভৰশীল। তেওঁৰ বিদগ্ধতা, আচৰণ, নীতি আদিয়ে স্থায়ীভাৱে শিশুসকলক প্রভাৱিত কৰে, কিয়নো শিশুসকলে শিক্ষকক অনুকৰণ কৰে। কন কন শিশুসকলৰ বাবে শিক্ষকজন আদর্শ ব্যক্তি। সেয়েহে শিক্ষকজনে নিজক গণতান্ত্রিক নীতি আদর্শৰে আগুৱাই নিব লাগে আৰু সকলো শিশুকে সমানভাৱে গণ্য কৰিব লাগে। গণতান্ত্রিক শিক্ষাত শিক্ষকজন শিশুসকলৰ বাবে বন্ধু, দার্শনিক আৰু পথ প্রদর্শক।

৪। গণতান্ত্ৰিক শিক্ষা ব্যৱস্থাত শিক্ষাদান পদ্ধতিৰ ক্ষেত্ৰত শিশুৰ ওপৰত প্ৰাধান্য দিয়া হয়। যাৰ ফলত শিশুসকলে মুক্তভাৱে প্ৰশ্ন সুধিব পাৰে, যুক্তি প্ৰদৰ্শন কৰিব পাৰে, কৌতুহল প্ৰকাশ কৰিব পাৰে আৰু মন্তব্য প্ৰদান কৰিব পাৰে। গণতন্ত্ৰত শিক্ষকে বিষয়বস্তু নিজে সাধাৰণীকৰণ কৰাৰ পৰিৱৰ্তে এনেদৰে বিষয়বস্তু উপস্থাপন কৰিব লাগে যাতে শিশুসকলে নিজে সিদ্ধান্তত উপনীত হ'ব পাৰে। 'চামুচেৰে খোৱাই দিয়া'টো শিক্ষকৰ কাৰ্য নহয়। তেওঁৰ প্ৰধান দায়িত্ব হ'ল নিৰ্দেশনা প্ৰদান কৰা। গণতান্ত্ৰিক শিক্ষা ব্যৱস্থাই বহুতো আধুনিক শিক্ষাদান পদ্ধতিক সমৰ্থন কৰে। তাৰ ভিতৰত মণ্টেছৰী পদ্ধতি, ডাল্টন আঁচনি, হিউৰিষ্টিক পদ্ধতি আদি বিশেষভাৱে উল্লেখযোগ্য।

৫। প্ৰকৃত গণতান্ত্ৰিক শিক্ষা ব্যৱস্থাত অনুশাসনৰ কোনো সমস্যা নাথাকে আৰু কেতিয়াবা থাকিলেও ই অতি সহজে সমাধান কৰিব পাৰি। ইয়াৰ কাৰণ হ'ল ইয়াত কোনো কাৰ্য ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত জাপি দিয়া নহয়। শিশুসকলে ইচ্ছাকৃতভাৱে ইয়াত কাৰ্য সম্পাদন কৰে। শিশুসকলে বিদ্যালয়ৰ বিভিন্ন অনুষ্ঠান যেনে ঃ বিদ্যালয়ৰ সভা, সংগঠন বা ক্লাব আদিত অংশ গ্ৰহণ কৰে আৰু এই অনুষ্ঠানবোৰৰ নীতি-নিয়মবোৰ অনুসৰণ কৰি নিজকে বিদ্যালয় আৰু সমাজৰ দায়িত্বশীল সদস্যৰূপে গঢ়ি তুলিব বিচাৰে। প্ৰয়োজন অনুসৰি সিহঁতক শিক্ষকে আত্ম-নিয়ন্ত্ৰণৰ উদাহৰণ প্ৰদান কৰিব লাগে।

গতিকে ক'ব পাৰি যে গণতন্ত্ৰত শিক্ষা ব্যৱস্থাত শিশুৱে প্ৰধান আৰু শিশুক কেন্দ্ৰ কৰিয়ে সমগ্ৰ শিক্ষা ব্যৱস্থা গঢ় লৈ উঠা দেখা যায়।

## গণতন্ত্ৰ আৰু শিক্ষক (Democracy and Teacher)

গণতান্ত্ৰিক দেশ এখনত শিক্ষকজন হ'ল ছাত্ৰ-ছাত্ৰীৰ বাবে বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক। শিক্ষকজনেই হ'ল সমগ্ৰ শিক্ষা প্ৰক্ৰিয়াৰ মূল কেন্দ্ৰবিন্দু। প্ৰত্যেকজন শিক্ষকে নিজৰ বিষয়ৰ ক্ষেত্ৰত পাণ্ডিত্য লাভ কৰা ব্যক্তি আৰু বৃত্তিগত ভাৱেও তেওঁলোক উপযুক্ত। গণতান্ত্ৰিক দেশৰ শিক্ষকসকলৰ তলত উল্লেখ কৰা গুণবোৰ থাকিব লাগে।

১। শিক্ষকজনে নিজৰ কৰ্মৰ প্ৰতি দায়বদ্ধ আৰু তেওঁ গণতান্ত্ৰিক আদৰ্শসমূহো বজাই ৰাখিবলৈ চেষ্টা কৰে। তেওঁ শিশুৰ সুস্থ, অন্তৰ্নিহিত দক্ষতা আৰু ক্ষমতাসমূহ পৰিৱেশৰ উপযোগীকৈ বিকশাই তোলাৰ ক্ষেত্ৰতো গুৰু দায়িত্ব পালন কৰে।

২। গণতান্ত্ৰিক দেশত শিক্ষকজনে সম্প্ৰদায়ৰ সদস্য, অভিভাৱক আৰু বিভিন্ন সামাজিক দলসমূহৰ লগত সহযোগিতা স্থাপন কৰি কৰ্ম সম্পাদন কৰে। ইয়াৰ প্ৰধান কাৰণ হ'ল যে শিশুৱে নিজকে এজন সু-নাগৰিক, সামাজিক আৰু সমাজৰ এজন গতিশীল সদস্য স্বৰূপে পৰিচয় দিব পাৰে।

৩। শিক্ষকজন হ'ল ছাত্র-ছাত্রীসকলৰ বাবে আদৰ্শস্বৰূপ আৰু তেওঁ শিক্ষাৰ্থীসকলৰ মাজত গণতান্ত্ৰিক মনোভাব বিতৰণ কৰে।

৪। শিশুসকলক শিক্ষকে সমাজৰ এক সম্পদস্বৰূপে বিবেচনা কৰিব লাগে। ব্যক্তি পাৰ্থক্য নীতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰি শিশুৰ আগ্ৰহ, অভিৰুচী, দক্ষতা, অন্তৰ্নিহিত সামৰ্থৰ ভিত্তিত শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

৫। গণতান্ত্ৰিক দেশত শিক্ষকসকলে বংশগতিতকৈ পৰিৱেশীয় কাৰকৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিব লাগে। শিক্ষকে শিশুৰ সৰ্বাংগীন বিকাশৰ বাবে এক সুস্থ পৰিৱেশ সৃষ্টি কৰিব লাগে।

৬। শিক্ষক অভিভাৱক সন্মিলন স্থাপন আৰু পৰিচালনাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব লাগে।

৭। শিক্ষানুষ্ঠানত স্থানীয় সম্পদসমূহ যথোচিত ভাৱে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত শিক্ষকসকলে গুৰু দায়িত্ব পালন কৰিব লাগে।

৮। সমাজ তথা সম্প্ৰদায়ক শিক্ষানুষ্ঠানৰ বিভিন্ন কাৰ্যত অংশ গ্ৰহণ কৰিবলৈ দিয়াৰ ক্ষেত্ৰতো শিক্ষকসকলে ভূমিকা গ্ৰহণ কৰে।

## গণতন্ত্ৰ আৰু প্ৰশাসক (Democracy and Administrator)

গণতান্ত্ৰিক শিক্ষাৰ প্ৰশাসন প্ৰধানত বিদ্যালয়ৰ নীতি গঠন কৰাৰ ক্ষেত্ৰত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰা সুযোগৰ ওপৰত নিৰ্ভৰ কৰে। গণতান্ত্ৰিক শিক্ষা ব্যৱস্থাত প্ৰশাসকজন উদাৰ মনোভাৱৰ হ'ব লাগে আৰু গণতান্ত্ৰিক নীতি আৰু মূল্যবোধেৰে উদ্বুদ্ধ হ'ব লাগে। গণতান্ত্ৰিক প্ৰশাসকে শিশুসকলক দক্ষ আৰু দায়িত্বশীল নাগৰিকৰূপে গঢ়ি তোলাৰ লগতে ভৱিষ্যতৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত নেতা কৰি গঢ়ি তুলিবৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰিব লাগে।

শিক্ষানুষ্ঠানত ব্যৱস্থাপনা কাৰ্য সুচাৰুৰূপে সম্পাদন কৰিবৰ বাবে বিদ্যালয়ৰ প্ৰশাসকে তলত দিয়া নীতিবোৰ মানি চলিব লাগে।

**১। সহযোগিতাৰ নীতি (Principle of Co-operation) :** গণতান্ত্ৰিক শিক্ষা ব্যৱস্থাপনাত শিক্ষক, অভিভাৱক আৰু শিক্ষা কৰ্তৃপক্ষ সকলো লোকৰে মাজত সহযোগিতাৰ প্ৰয়োজন। সহযোগিতাৰ যোগেদিহে সমগ্ৰ শিক্ষা ব্যৱস্থাটো বাস্তৱায়িত কৰি তুলিব পৰা যায়। সহযোগিতা নীতিটো প্ৰকৃততে গণতান্ত্ৰিক প্ৰশাসনৰ ওপৰত নিৰ্ভৰশীল। ইয়াত নিয়ন্ত্ৰক আৰু সকলো স্তৰৰ ব্যক্তিৰ মাজত সম্পূৰ্ণ বুজা পৰা সুস্থ সম্পৰ্ক বজাই ৰখা হয়।

**২। সমতাৰ নীতি (Principle of Equality) :** গণতন্ত্ৰত সকলোৰে বাবে সমান সুযোগ সুবিধাত

বিশ্বাস কৰা হয়। গণতান্ত্রিক দেশৰ শিক্ষা ব্যৱস্থাপনাৰ মুৰব্বীয়ে নিজক আনতকৈ পৃথক বুলি নাভাবে। তেওঁ নিজকে সকলোৰে মাজৰ এজন বুলি অনুভৱ কৰে। সেয়েহে তেওঁ প্ৰত্যেকজন সহকৰ্মীকে সমান চকুৰে চায়।

**৩। নেতৃত্বৰ নীতি (Principle of Leadership) :** গণতান্ত্রিক শৈক্ষিক ব্যৱস্থাপনাত নেতৃত্বৰ নীতিৰ জৰিয়তে দেশৰ জনসাধাৰণৰ নেতৃত্বশীলতাৰ গুণসমূহৰ বিকাশ সাধন কৰিব পাৰি। নেতৃত্বৰ গুণে যুৱক-যুৱতীসকলক সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, শিক্ষা, বিজ্ঞান আদি প্ৰতিটো দিশতে উপযুক্ত ৰূপত বিকশাই তুলিব লাগে। গণতান্ত্রিক শৈক্ষিক ব্যৱস্থাপনাই নেতৃত্বৰ গুণসমূহ বিকশাই তোলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

**৪। চিন্তা আৰু ক্ৰিয়াৰ স্বাধীনতা নীতি (Principle of Freedom of Thought and Action) :** গণতান্ত্রিক ব্যৱস্থাপনাৰ আন এক প্ৰধান নীতি হ'ল নাগৰিক সকলে মুক্ত আৰু স্বাধীনভাৱে দেশৰ শিক্ষাক্ষেত্ৰত বিভিন্ন সমস্যাৰ ওপৰত ভিত্তি কৰি শিক্ষা ব্যৱস্থাপনা কৰে। কোনো ধৰণৰ প্ৰভাৱ, প্ৰভুত্ব আৰু ভীতি প্ৰদৰ্শন কৰি এই স্বাধীনতা খৰ্ব কৰিব নালাগে। ইয়াৰ বাবে গণতান্ত্রিক শিক্ষা ব্যৱস্থাপনাই প্ৰতিজন ব্যক্তিক নিজ চিন্তা আৰু ক্ৰিয়াৰ প্ৰয়োজনীয় সাহস আৰু আত্মবিশ্বাসৰ ভাব গঢ়ি তুলিব পৰাকৈ প্ৰস্তুত কৰি তুলিব লাগে।

**৫। সংহতিৰ নীতি (Principle of Integration) :** গণতান্ত্রিক শিক্ষা ব্যৱস্থাপনাত দেশৰ শিক্ষা ব্যৱস্থাপনাৰ সংহতি বজাই ৰখাত গুৰুত্ব প্ৰদান কৰিব লাগে। জাতীয় বিকাশৰ বাবে দেশৰ বিভিন্ন জনগোষ্ঠীৰ লোকৰ মাজত বৈষম্য আৰু ভুল বুজাপৰা ভাৱৰ সৃষ্টি হৈ ঐক্য সংহতিৰ ভাৱ যাতে ক্ষতিগ্ৰস্ত হ'ব নোৱাৰে তাৰ বাবে শিক্ষা ব্যৱস্থাপনাত সংহতি নীতি মানি চলিব লাগে।

**৬। ন্যায়ৰ নীতি (Principle of Justice) :** গণতান্ত্রিক ব্যৱস্থাপনাত সকলোৰে বাবে সম্পূৰ্ণ ন্যায়ত বিশ্বাস ৰখা হয়। কোনো ধৰণৰ পক্ষপাতমূলক মনোভাৱ ইয়াত প্ৰদৰ্শন কৰা নহয়। প্ৰকৃততে ব্যৱস্থাপক এজনৰ সুস্থ বিচাৰ বিবেচনা আৰু সকলোৰে প্ৰতি ন্যায় মনোভাৱ সম্পূৰ্ণ ব্যৱস্থাপনা প্ৰক্ৰিয়াটো সফল কৰি তোলে। ন্যায়হীনতাই ব্যক্তিৰ নিৰাশা আনে আৰু ফলত ব্যক্তিৰ কৰ্মস্পৃহা কমি ব্যৱস্থাপনাত ন্যায়ৰ নীতি গ্ৰহণ কৰিব লাগে।

**৭। গণতান্ত্রিক সুনাগৰিকতাৰ নীতি (Principle of Democratic Citizenship) :** এই প্ৰকাৰৰ ব্যৱস্থাপনাই সুনাগৰিকতাৰ প্ৰয়োজনীয় গুণসমূহ ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বত বিকশাই তুলিব লাগে। ছাত্ৰ-ছাত্ৰীসকলৰ মনত মুক্ত আৰু সুস্থ চিন্তা, যুক্তি, বিচাৰ আৰু নতুন ভাবধাৰা গ্ৰহণ ক্ষমতা বিকশাই তোলাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**৮। চৰিত্ৰ গঠনৰ নীতি (Principle of Formation of Character) :** দেশৰ সকলো দিশত হোৱা বিকাশৰ স্থায়িত্ব আৰু গাম্ভীৰ্য নিৰ্ভৰ কৰে মানুহৰ চৰিত্ৰ গঠনৰ ওপৰত। সেয়ে চৰিত্ৰগঠন

গণতান্ত্রিক শিক্ষা ব্যৱস্থাপনাৰ প্রধান নীতি হিচাপে বিবেচিত হৈছে। শিক্ষা আৰু সভ্যতাই মানুহৰ চৰিত্র বিকাশৰ গুণৰাজি বিকশাই তুলিব লাগে। তেওঁলোকৰ নৈতিক আৰু আধ্যাত্মিক জীৱনৰ মানদণ্ড গণতান্ত্রিক শিক্ষা ব্যৱস্থাপনাই উন্নত কৰি তুলিব লাগে।

**৯। স্থানীয় প্রয়োজন পূৰণৰ নীতি (Principle of Fulfilling Local Needs) :** গণতান্ত্রিক শিক্ষা ব্যৱস্থাপনাত স্থানীয় প্রয়োজনসমূহৰ ওপৰতো গুৰুত্ব প্রদান কৰিব লাগে। স্থানীয় ঐতিহ্য আৰু কীর্তি আদিৰ ওপৰত ভিত্তি কৰি শিক্ষা প্রদানৰ ব্যৱস্থা গ্রহণ কৰিব লাগে। শিক্ষা ব্যৱস্থাপনাই স্থানীয় সম্পদসমূহৰ পূর্ণ উপযোগ কৰিব লাগে।

## গণতন্ত্রত শিক্ষাদান পদ্ধতি (Methods of Teaching in Democracy)

গণতান্ত্রিক আদর্শ আৰু মূল্যবোধে শিক্ষাদান পদ্ধতিৰ ওপৰতো প্রভাৱ বিস্তাৰ কৰে। এই মতাদর্শই আওপুৰণি, প্রাণহীন আৰু দৃঢ় পাঠদানৰ পদ্ধতি সমর্থন নকৰে। গণতান্ত্রিক শিক্ষাদান পদ্ধতিসমূহ মূলতঃ শিশুকেন্দ্রিক। শিশুৰ মাজত থকা বিভিন্নতাৰ পৰিপ্রেক্ষিতত কোনো এটা নির্ধাৰিত পদ্ধতিৰে সকলো শিশুকে পাঠদান কৰিব পৰা নাযায়।

গণতান্ত্রিক শিক্ষাদান পদ্ধতিৰ লগত জড়িত কেতবোৰ বিশেষ গুৰুত্বপূর্ণ দিশ আমি তলত দিয়া ধৰণেৰে আলোচনা কৰিব পাৰো।

১। গণতন্ত্রৰ মৌলিক নীতি হ'ল কর্ম আৰু প্রগতি। সেয়েহে, পুৰণি, পৰম্পৰাগত আৰু নিষ্ক্রীয় শিক্ষাদান পদ্ধতিসমূহ পৰিত্যাগ কৰিব লাগে আৰু নতুন, গতিশীল আৰু সক্রিয় শিক্ষাদানৰ পদ্ধতি শিক্ষাৰ সকলো স্তৰতে প্রয়োগ কৰিব লাগে।

২। স্বাধীনতা হ'ল গণতন্ত্রৰ আত্মাস্বৰূপ। সেয়েহে সকলোবোৰ শিক্ষাদানৰ পদ্ধতিয়ে শিশুসকলক নিজৰ প্রচেষ্টা, পৰীক্ষণ আৰু অভিজ্ঞতাৰে শিকাত সহায় কৰিব লাগে। মণ্টেশ্বৰী পদ্ধতি, ডেল্টন আঁচনি, প্রয়োগশালা আঁচনি আৰু পৰীক্ষণমূলক পদ্ধতি সমগ্র বিশ্বৰ গণতান্ত্রিক দেশবোৰতে বহুলভাৱে প্রয়োগ কৰা হয়। এই পদ্ধতিসমূহত শিক্ষকৰ ভূমিকা বন্ধু, দার্শনিক আৰু পথ প্রদর্শকৰ দৰে।

৩। গণতান্ত্রিক শিক্ষাদান পদ্ধতিসমূহে শিশুসকলৰ বৌদ্ধিক দিশৰ সম্পূর্ণ বিকাশ সম্ভৱ কৰি তুলিব পাৰে। শিশুসকলক শিক্ষকে ক্রমাগতভাৱে জটিল কেতবোৰ সমস্যা প্রদান কৰিব আৰু নিজৰ চিন্তাশক্তি আৰু দক্ষতাৰ শিশুসকলে সেইসমূহ সমাধান কৰিব। এই ধৰণৰ ক্রমাগত বিকাশে শিশুসকলক আত্ম নির্ভৰশীল, আত্মা বিশ্বাসী আৰু অন্তর্দর্শনমুখী কৰি গঢ়ি তুলিব। পৰৱর্তী জীৱনত এই ক্ষমতাই শিশুসকলক জীৱনৰ বিভিন্ন সমস্যা সমাধান কৰাৰ লগতে জাতীয় আৰু আন্তর্জাতীয় সমস্যা সমাধানতো সহায় কৰিব।

গণতান্ত্রিক মতাদর্শত বিশ্বাসী ব্যক্তিসকলৰ মতে শিক্ষাদানৰ কেতবোৰ পদ্ধতি তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি।

**(ক) মণ্টেশ্বৰী পদ্ধতি (Montessori Method) :** মেৰিয়া মণ্টেশ্বৰীয়ে উদ্ভাৱন কৰা মণ্টেশ্বৰী পদ্ধতি গণতান্ত্ৰিক শিক্ষা প্ৰদানৰ এক গুৰুত্বপূৰ্ণ পদ্ধতি। এই পদ্ধতিৰ সহায়ত ইন্দ্ৰিয় শিক্ষা, ব্যৱহাৰিক জীৱনৰ শিক্ষা, সঞ্চালনমূলক ক্ৰিয়াৰ শিক্ষা আৰু ভাষা আৰু সংখ্যা জ্ঞানৰ শিক্ষা প্ৰদান কৰা হয়। শিক্ষা প্ৰদান কৰোতে বিকাশৰ নীতি, ব্যক্তিকেন্দ্ৰিকতাৰ নীতি, আত্ম-শিক্ষা নীতি, স্বাধীনতাৰ নীতি, ইন্দ্ৰিয় শিক্ষাৰ নীতি, বাস্তৱ অভিজ্ঞতাদানৰ নীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

**(খ) ডাল্টন আঁচনি (Dalton Plan) :** এই শিক্ষা আঁচনিৰ উদ্ভাৱক হ'ল আমেৰিকা যুক্তৰাষ্ট্ৰৰ মিছ হেলেন পাৰ্খৰ্ষ্ট। এই পদ্ধতিৰ প্ৰধান দিশ কেইটা হ'ল ব্যক্তিগত কাম, স্বাধীনতা, ব্যক্তিগত প্ৰচেষ্টা, দলীয় আদান-প্ৰদান আৰু দৃষ্টিভংগীৰ মনস্তাত্বিক দিশ। তেওঁ মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এই পদ্ধতি প্ৰস্তুত কৰি উলিয়াইছে যি গণতান্ত্ৰিক দেশৰ বাবে প্ৰয়োজন।

**(গ) প্ৰকল্প পদ্ধতি (Project Method) :** দাৰ্শনিক জন ডিউইৰ শিক্ষা দৰ্শন আৰু নীতিৰদ্বাৰা বিশেষভাৱে প্ৰভাৱিত প্ৰকল্প পদ্ধতি গণতান্ত্ৰিক শিক্ষাৰ আন এক গুৰুত্বপূৰ্ণ পদ্ধতি। এই আঁচনিত ছাত্ৰক অধিক স্বাধীনতা আৰু নিজ কৰ্তব্যবোধ ভাব মনত জগাই তুলিবলৈ বিচৰা হৈছে আৰু নিজ ক্ৰিয়াৰ যোগেদি শিক্ষা নীতি কাৰ্যকৰী কৰি তুলিবলৈ চেষ্টা কৰা হৈছে।

**(ঘ) হিউৰিষ্টিক পদ্ধতি (Heuristic Method) :** আৰ্মষ্ট্ৰং নামৰ এজন বিজ্ঞান শিক্ষকে এই পদ্ধতিৰ প্ৰথম প্ৰয়োগ কৰে। Heuristic শব্দটো গ্ৰীক ভাষাৰ 'Heurisco' ৰ পৰা উদ্ভৱ হৈছে যাৰ অৰ্থ হ'ল 'I discover' বা 'I find our' অৰ্থাৎ মই উদ্ভাৱন কৰো। গণতান্ত্ৰিক দেশত এই পদ্ধতিৰদ্বাৰা শিশুৰ মনত স্বাধীন চিন্তা, বিজ্ঞানসন্মত দৃষ্টিভংগী আৰু ব্যক্তিগত প্ৰচেষ্টাৰ ভাৱ বিকশাই তোলা হয়।

**(ঙ) কৰ্মৰ জৰিয়তে শিক্ষা পদ্ধতি (Learning by Doing Method) :** গণতান্ত্ৰিক দেশত কৰ্মৰ জৰিয়তে শিক্ষা এক গুৰুত্বপূৰ্ণ পদ্ধতি। আমাৰ দেশত মহাত্মা গান্ধীয়ে শিশুকেন্দ্ৰিক শিক্ষা ব্যৱস্থাত এই পদ্ধতিৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছিল। এই শিক্ষণ পদ্ধতি মতে শিক্ষণীয় বিষয়সমূহ হাতে কামে কৰি শিকিলে তাৰ প্ৰভাৱ দীৰ্ঘ স্থায়ী হয়।

**(চ) পৰীক্ষণ পদ্ধতি (Experimental Method) :** মানুহৰ আচৰণ অধিক বিজ্ঞানসন্মত আৰু প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰিবৰ বাবে গণতান্ত্ৰিক দেশসমূহত এই পদ্ধতি প্ৰয়োগ কৰা হয়। পৰীক্ষণৰ সংজ্ঞা দি ক'ব পাৰি যে ই হৈছে আচৰণৰ এক নিৰীক্ষণ পদ্ধতি যাক নিয়ন্ত্ৰিত পৰিৱেশত সম্পাদন কৰিব পাৰি।

**(ছ) সমাজমিতি পদ্ধতি (Sociometric Method) :** ছাত্ৰ-ছাত্ৰীৰ তথ্য সংগ্ৰহত শিক্ষকক সহায়

কৰিব পৰা এটা পদ্ধতি হৈছে সমাজমিতি পদ্ধতি। এই পদ্ধতি প্ৰয়োগ কৰি শিক্ষকে শ্ৰেণীকক্ষৰ ছাত্ৰ-ছাত্ৰীৰ মাজত থকা সামাজিক গাঁথনি সম্বন্ধে জানি উঠিব পাৰি যি গণতান্ত্ৰিক দেশৰ বাবে অতি গুৰুত্বপূৰ্ণ।

## গণতন্ত্ৰ আৰু পাঠ্যক্ৰম (Democracy and Curriculum)

গণতান্ত্ৰিক দেশৰ শিক্ষাৰ পাঠ্যক্ৰম প্ৰস্তুতকৰণৰ সময়ত গণতান্ত্ৰিক মূল্যবোধৰ অনুধাৱনত গুৰুত্ব প্ৰদান কৰা হয়। সেয়েহে পাঠ্যক্ৰমত কেৱল সেইসমূহ বিষয়হে অন্তৰ্ভুক্ত কৰা হ'ব যিবোৰ শিশুৰ মনত সুস্থ মনোভাব, গতিশীল অভ্যাস আৰু বোধ ক্ষমতা আদি বিকশাই তুলিব পাৰে। গণতান্ত্ৰিক দেশৰ পাঠ্যক্ৰম তলত দিয়া দিশসমূহৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে।

১। **বিভিন্নতা (Diversified) :** গণতান্ত্ৰিক পাঠ্যক্ৰমত বিভিন্নতাৰ নীতি জড়িত হৈ থাকে যাৰ সহায়ত ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ, অভিক্ষমতা আদিক গুৰুত্ব প্ৰদান কৰা হয়। ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন প্ৰয়োজনৰ ওপৰত ভিত্তি কৰিয়ে শ্ৰেণীকোঠাৰ কৰ্মসূচী, খেল-ধেমালি, সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলী আদিৰ ব্যৱস্থা কৰা হয়।

২। **সামাজিক লক্ষ্য আৰু মূল্যবোধ (Social Aims and Values) :** গণতান্ত্ৰিক দেশৰ পাঠ্যক্ৰম প্ৰস্তুতকৰণৰ সময়ত সামাজিক লক্ষ্য আৰু মূল্যবোধৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। অন্য অৰ্থত ক'বলৈ হ'লে শিশুৰ সামাজিক সচেতনতাৰ বিকাশক পাঠ্যক্ৰমত প্ৰাধান্য দিয়া হয়। সেই বাবে ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন কৰ্ম, সহযোগিতামূলক দলীয় কৰ্ম আদিক পাঠ্যক্ৰমত স্থান দিয়া হয়।

৩। **গতিশীলতা (Flexibility) :** গণতান্ত্ৰিক শিক্ষাৰ পাঠ্যক্ৰম নমনীয় আৰু গতিশীল তথা ই ব্যক্তিৰ প্ৰয়োজন আৰু আগ্ৰহৰ ওপৰত প্ৰতিষ্ঠিত। ই সমাজৰ প্ৰয়োজন পূৰণৰো চেষ্টা কৰে। এনে প্ৰকাৰৰ পাঠ্যক্ৰম স্থবিৰ হ'ব নোবাৰে। সময় আৰু পৰিস্থিতিৰ পৰিৱৰ্তনৰ লগে লগে পাঠ্যক্ৰমৰ কেতবোৰ বিষয় সলনি কৰা হয়।

৪। **স্থানীয় প্ৰয়োজনক গুৰুত্ব প্ৰদান (Emphasis of Local Needs) :** স্থানীয় প্ৰয়োজন আৰু সম্পদৰ প্ৰাচুৰ্যতাৰ ওপৰত ভিত্তি কৰি গণতান্ত্ৰিক পাঠ্যক্ৰম প্ৰস্তুত কৰা হয়। সময়, স্থান আৰু স্থানীয় পৰিস্থিতিৰ প্ৰয়োজনত পাঠ্যক্ৰম সলনি কৰা হয়।

৫। **ব্যাপক পাঠ্যক্ৰম (Broad Curriculum) :** শিশুৱে লাভ কৰা জীৱনৰ সমগ্ৰ অভিজ্ঞতা পাঠ্যক্ৰমত সন্নিবিষ্ট কৰা হয় যিয়ে ছাত্ৰ-ছাত্ৰীক শ্ৰেণীকোঠাৰ ভিতৰত থকা বাহিৰত গণতন্ত্ৰৰ জ্ঞান দিয়ে। গণতান্ত্ৰিক পাঠ্যক্ৰম কেৱল বিষয়কেন্দ্ৰিক নহয়।

৬। **বৃত্তীয় প্ৰয়োজনৰ ব্যৱস্থা (Provision of Vocational Needs) :** সমগ্ৰ দেশৰে বা কোনো এক বিশেষ অঞ্চলৰ বৃত্তীয় আৰু অৰ্থনৈতিক প্ৰয়োজনবোৰ গণতান্ত্ৰিক পাঠ্যক্ৰমে পূৰণ কৰে। ইয়ে

এখন দেশক অৰ্থনৈতিক দিশেৰে বিকশাই তোলে।

**৭। শিশুৰ জীৱন, প্ৰয়োজন আৰু আকাংক্ষাৰ লগত জড়িত (Related ot life, needs and aspiration of the child) :** গণতান্ত্ৰিক দেশৰ পাঠ্যক্ৰম ব্যক্তিৰ বাস্তৱ জীৱন, প্ৰয়োজন আৰু আকাংক্ষাৰ লগত জড়িত।

**৮। সংহতিপূৰ্ণ পাঠ্যক্ৰম (Integrated Curriculum) :** গণতান্ত্ৰিক পাঠ্যক্ৰম সংহতিৰ নীতিৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হয়। এই পাঠ্যক্ৰম এক সমতাপূৰ্ণ পাঠ্যক্ৰম য'ত বিভিন্ন বিষয়, অভিজ্ঞতা আৰু কাৰ্যসূচীসমূহ সন্নিবিষ্ট কৰা হয়।

**৯। কৰ্মত গুৰুত্ব প্ৰদান (Emphasis on Activity) :** গণতান্ত্ৰিক পাঠ্যক্ৰম কৰ্মৰ জৰিয়তে শিক্ষানীতিৰ ভিত্তিত প্ৰস্তুত কৰা হয়। কৰ্মৰ জৰিয়তে শিশুসকলৰ মানসিক আৰু বৌদ্ধিক দিশৰ বিকাশ সম্ভৱ হয়।

**১০। আজিৰ সময়ৰ কাৰ্যৰ স্থান (Place of Leisure Hour Activities) :** গণতান্ত্ৰিক পাঠ্যক্ৰমে আজৰি সময়ত সম্পাদন কৰিবৰ বাবেও কেতবোৰ সৃষ্টিশীল কৰ্মৰ বিষয়ে পৰামৰ্শ দিয়ে। ইয়াৰ জৰিয়তে ব্যক্তিৰ সমগ্ৰ ব্যক্তিত্বৰ বিকাশ সম্ভৱ হয়।

ইয়াৰ উপৰিও গণতান্ত্ৰিক পাঠ্যক্ৰম জীৱনকেন্দ্ৰিক আৰু শিশুকেন্দ্ৰিক বুলিও ব্যাখ্যা কৰিব পাৰি। এই দিশসমূহৰ ওপৰত ভিত্তি কৰি গণতান্ত্ৰিক দেশৰ পাঠ্যক্ৰমত শিশুৰ বাবে বিভিন্ন বিষয় অন্তৰ্ভুক্ত কৰা হয় যিবোৰ শিশুৰ সৰ্বাংগীন বিকাশত সহায় কৰে।

## গণতন্ত্ৰ আৰু অনুশাসন (Democracy and Discipline)

শিক্ষাৰ্থীৰ মাজত অনুশাসন বজাই ৰখাৰ ক্ষেত্ৰত গণতান্ত্ৰিক শিক্ষাই এক নতুন দৃষ্টিভংগী গ্ৰহণ কৰিছে। ই সকলো ধৰণৰ আৰোপিত অনুশাসনৰ বিৰোধিতা কৰি শিশুৰ আগ্ৰহ, কাৰ্য আৰু দায়িত্ববোধৰ ভিত্তিত গঢ়ি উঠা অনুশাসনত বিশ্বাসী। গণতান্ত্ৰিক দেশৰ শিক্ষা ব্যৱস্থাত থকা অনুশাসন সম্বন্ধে কেতবোৰ ধাৰণা তলত উল্লেখ কৰা হ'ল—

১। গণতান্ত্ৰিক অনুশাসন হ'ল আত্মকেন্দ্ৰিক বা আত্মভিত্তিক। ই কোনো বাধ্যবাধকতাৰ ওপৰত প্ৰতিষ্ঠিত নহয়। ব্যক্তিয়ে বহল জীৱনত লাভ কৰা বহল অভিজ্ঞতাৰ ফলত তেওঁলোকৰ মনত আত্ম অনুশাসনৰ ভাৱ গঢ়ি উঠে।

২। গণতান্ত্ৰিক দেশৰ বিদ্যালয়ত প্ৰধান শিক্ষক, শিক্ষক আৰু প্ৰশাসকসকল শাসনকৰ্তা নহয়। ইয়াৰ পৰিবৰ্তে তেওঁলোক হ'ল বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক। তেওঁলোকৰ বন্ধুত্বসুলভ আচৰণেৰে শিশুসকলৰ আচৰণো গঢ়ি তুলিব পৰা যায়।

৩। গণতান্ত্ৰিক দেশৰ বিদ্যালয়ৰ প্ৰশাসনিক কাৰ্যকলাপত শিশুসকলক অংশগ্ৰহণৰ সুবিধা প্ৰদান

কৰিব লাগে, সমস্যা আলোচনা আৰু সমাধানৰ উপায় প্ৰদান কৰিবলৈ উৎসাহিত কৰিব লাগে। ইয়ে শিশুসকলক বিদ্যালয়ৰ লগত গভীৰভাৱে জড়িত কৰি ৰাখিব আৰু আত্ম অনুশাসনৰ ভাব বিকশাই তুলিব।

৪। গণতান্ত্ৰিক অনুশাসন হ'ল মুক্ত অনুশাসন। এই অনুশাসন মৰম, ভালপোৱা, সহযোগিতা, দায়িত্ব আৰু মানৱ সম্পদৰ ওপৰত প্ৰতিষ্ঠিত। মুক্ত অনুশাসনত কোনো ধৰণৰ বাধ্য বাধকতা নাথাকে। ইয়াত শিশুৱে সম্পূৰ্ণ স্বাধীনভাৱে কাম কৰিব পাৰে। মুক্ত অনুশাসনৰ ক্ষেত্ৰত শিক্ষকসকলে এই দিশটোৰ ওপৰত গুৰুত্ব দিব লাগে যে ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত কোনো ধৰণৰ বাধ্যবাধকতা নাথাকিলেও তেওঁলোকক নিয়ন্ত্ৰিত কৰি ৰাখিব লাগে।

৫। গণতান্ত্ৰিক দেশৰ বিদ্যালয়ত ছাত্ৰ একতা সভা, ছাত্ৰ সংসদ আৰু সকলো ধৰণৰ ছাত্ৰ সংগঠনকে উৎসাহিত কৰিব লাগে। এইসমূহৰ জৰিয়তে শিশুসকলে সহযোগিতা, সম সহানুভূতি আৰু অন্যান্য মানবীয় গুণসমূহৰ জ্ঞান লাভ কৰিব পাৰিব যিয়ে আত্ম প্ৰশাসন আৰু নেতৃত্বত বৰঙণি আগবঢ়াব।

৬। গণতান্ত্ৰিক অনুশাসন হ'ল সামাজিক অনুশাসন। এই অনুশাসনে শিশুৰ সামাজিক মনোভাব, অভ্যাসৰ আদৰ্শসমূহ বিদ্যালয়ৰ কাৰ্যসূচীৰ জৰিয়তে বিকশাই তোলে। এই ক্ষেত্ৰত বিদ্যালয়ে সম্প্ৰদায়ৰ এক কেন্দ্ৰস্বৰূপে ভূমিকা পালন কৰে। শিক্ষাৰ্থীয়ে সমাজসেৱা, ছাত্ৰ সংগঠন আৰু সামাজিক সচেতনতাৰ জৰিয়তে আত্ম অনুশাসনৰ জ্ঞান লাভ কৰে। বিদ্যালয়ত সদায় এক উদ্দেশ্যধৰ্মী আৰু অনুকূল পৰিবেশ সৃষ্টি কৰিব লাগে যাতে শিশুৰ মনত সামাজিক দায়বদ্ধতাৰ ভাব জাগি উঠে আৰু প্ৰকৃতাৰ্থত এক দায়িত্বশীল নাগৰিকত্বৰূপে নিজক গঢ় দি তুলিব পাৰে।

গণতান্ত্ৰিক অনুশাসনে কোনো ধৰণৰ বাধ্যবাধকতাত বিশ্বাস নকৰে। আত্ম অনুশাসন হ'ল গণতান্ত্ৰিক অনুশাসনৰ মূল ভেঁটি।

গণতান্ত্ৰিক দেশ এখনৰ সফলতা সেই দেশৰ শিক্ষাৰ লগত জড়িত হৈ থাকে। দেশৰ নাগৰিকসকলক গণতান্ত্ৰিক ভাৱধাৰাৰ শিক্ষা প্ৰদান কৰিব পাৰিলে সেই দেশখনে বিকাশৰ পথত অগ্ৰসৰ লাভ কৰিব। শিক্ষাই নাগৰিকসকলক শিক্ষিত কৰি দেশৰ বিকাশৰ বাবে কাৰ্য সম্পাদন কৰিবলৈ প্ৰস্তুত কৰি তোলে। গণতান্ত্ৰিক শিক্ষাৰ ক্ষেত্ৰত ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগ এইদৰে মত পোষণ কৰিছিল যে, "We have to cultivate a spirit of large-hearted tolerance, of murual give and take, of the appreciation of ways in which people differ from one another. This is a very exciting experiment in living that we have launched upon and no education will be worth while if the educated mind is unable to respond to this situation with intelligence and imagination."।

## II. ৰাজনৈতিক সজাগতা বা সক্ৰিয়তাৰ সৃষ্টিত শিক্ষাৰ ভূমিকা (Role of Education in Creating Political Awareness) :

শিক্ষাই মানুহক জ্ঞানৰ পোহৰ দিয়ে। মানুহৰ জৈৱিক প্ৰবৃত্তিক পৰিশোধন কৰি বিবেকশীল, সামাজিক আৰু ক্ৰমবিকাশশীল জীৱনত পৰিণত কৰে।

পূৰ্বপুৰুষসকলে কৰা চিন্তা আৰু ক্ৰিয়াৰ বিষয়ে অৱগত হোৱা, তাক আয়ত্ব কৰা আৰু ভৱিষ্যতৰ বাবে সংৰক্ষণ কৰা কাৰ্যই হৈছে শিক্ষা। ই সমাজৰ নতুন পুৰুষসকললৈ প্ৰয়োজনীয় উপাদানসমূহ কঢ়িয়াই লৈ যায় আৰু তাৰ অপ্ৰয়োজনীয় অংশ পৰিহাৰ কৰাত সহায় কৰে। সমাজৰ প্ৰতিভাবান আৰু সৃষ্টিশীল ক্ষমতা থকা লোকসকলক বিকাশত সহায় কৰে আৰু নতুন সৃষ্টি আৰু উদ্ভাৱন সম্ভৱ কৰি তোলে।

এখন দেশ বা সমাজৰ সামূহিক বিকাশত শিক্ষাৰ লক্ষ্যৰ প্ৰয়োজন। দেশৰ ৰাজনৈতিক আদৰ্শ, অৰ্থনৈতিক পৰিস্থিতি আৰু ধৰ্মীয় অনুভূতি আদিৰ ওপৰত ভিত্তি কৰি শিক্ষাৰ সামূহিক লক্ষ্য নিৰ্ধাৰণ কৰা হয়। বিভিন্ন দেশত চলি থকা ৰাজতন্ত্ৰবাদ, ধনতন্ত্ৰবাদ, সমাজবাদ, সাম্যবাদ আদি ৰাজনৈতিক আদৰ্শবোৰে সেই দেশৰ শিক্ষাৰ আদৰ্শ গঢ় দি তোলে। উদাহৰণ স্বৰূপে ক'ব পাৰি যে পুৰণি গ্ৰীচ দেশৰ স্পাৰ্টা নগৰীত ৰাজনৈতিক দৃষ্টিভংগী চৰম সমাজবাদী হোৱা হেতুকে ই শিক্ষাৰ লক্ষ্যও নিৰ্ধাৰণ কৰিছিল। প্ৰতিজন যুৱক যুৱতীয়ে নিজ দেশৰ ৰক্ষাৰ বাবে ৰণকৌশলৰ শিক্ষা লাভ কৰিছিল। দেশৰ শিক্ষা ব্যৱস্থাই যুৱক যুৱতীসকলক নিজ দেশৰ প্ৰতি আনুগত্য, শ্ৰম আৰু আত্মত্যাগৰ বাবে সাজু কৰি তুলিছিল। কৰ্তৃত্বশীল মহলে শিক্ষাৰ সকলো ব্যৱস্থা দেশৰক্ষাৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি প্ৰস্তুত কৰিছিল।

## ছাত্ৰৰ ৰাজনৈতিক সচেতনতা সৃষ্টিত আনুষ্ঠানিক, অনানুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাৰ প্ৰভাৱ (Impact of Formal, Informal and Non formal Education in Creating Poli tical Awarness among Students) :

**(ক) আনুষ্ঠানিক শিক্ষাৰ প্ৰভাৱ (Impact of Formal Education) :** শিক্ষা এবিধ সচেতন আৰু উদ্দেশ্যপ্ৰণোদিতভাৱে নিয়ন্ত্ৰণ আৰু পৰিচালিত কৰা কাৰ্য বিশেষ। এনে কাৰ্য পৰিচালনাৰ বাবে নিৰ্ধাৰিত নীতি-নিয়ম, ব্যক্তি পৰিস্থিতিৰ আৰু পদ্ধতিৰ প্ৰয়োজন হয়। এনে শিক্ষা প্ৰদানৰ বাবে কোনো এক বিশেষ ব্যক্তি বা সুসংগঠিত আৰু প্ৰণালীবদ্ধ শিক্ষানুষ্ঠান একোটাৰ প্ৰয়োজন হয়। বৰ্তমান বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় আদি অনুষ্ঠানসমূহক বিধিগত বা সুসংগঠিত অনুষ্ঠান বুলি কোৱা হয় য'ত অভিজ্ঞ প্ৰশিক্ষণপ্ৰাপ্ত একোজন শিক্ষক থকাৰ উপৰিও নিৰ্দিষ্ট স্থান, পাঠ্যক্ৰম, পঠন সামগ্ৰী, শিক্ষণ পদ্ধতি, মূল্যায়ন আৰু অনুশাসন ব্যৱস্থা আদি থাকে। এনে অনুষ্ঠানৰ জৰিয়তে শিক্ষা পোৱা ব্যক্তি সামাজিকভাৱেও স্বীকৃতিপ্ৰাপ্ত হয়। আনুষ্ঠানিকভাৱে লাক্ষ কৰা এনে শিক্ষা ব্যৱস্থাকে আনুষ্ঠানিক শিক্ষা বোলা হয়।

দুবছৰৰ পৰা পাঁচ বছৰ বয়সলৈ শিশুক প্ৰাক্ প্ৰাথমিক বিদ্যালয়ত মুক্ত পৰিবেশত খেলা-ধূলাৰ যোগেদি অংগ সঞ্চালন ক্ষমতাৰ বিকাশ সাধন কৰিবলৈ দিয়া হয়। কল্পনাপ্ৰিয় শিশুক খেলা ধূলা, নৃত্য-গীত, গল্প, চিত্ৰাংকন আদি যোগেদি কাল্পনিক আনন্দ দিয়া হয়, আবেগিক বিকাশত সহায় কৰা হয়। শিশুৰ পাঁচ বছৰ বয়সৰ পৰা এঘাৰ বছৰ বয়সলৈ নিয়মিত শিক্ষাদানৰ দায়িত্ব গ্ৰহণ কৰা অনুষ্ঠানখনেই হৈছে প্ৰাথমিক বিদ্যালয়। লিখা, পঢ়া, সংখ্যাজ্ঞানৰ উপৰিও ভাষা, প্ৰাথমিক ভূগোল, বুৰঞ্জী, সাধাৰণ জ্ঞান, স্বাস্থ্যৰক্ষাৰ জ্ঞান, প্ৰকৃতি পাঠ আদি বিষয়সমূহ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হয়। এই পৰ্যায়তে স্বাধীনতা দিৱস, গণৰাজ্য দিৱ আদি উদ্‌যাপন কৰা হয় আৰু বিদ্যালয়ত চিত্ৰাংকণ, নৃত্য-গীত, নাট্যাভিনয় আদিৰ মাধ্যমেৰে দিৱসসমূহ উদ্‌যাপনৰ তাৎপৰ্য বুজোৱা হয়। সাধাৰণ জ্ঞান বিষয়ত কেন্দ্ৰ, ৰাজ্য চৰকাৰৰ বিষয়ে অৱগত কৰাৰ উপৰিও বিভিন্ন মন্ত্ৰীৰ, বিষয়াৰ নাম স্মৰণ কৰিবলৈ দিয়া হয়। অৰ্থাৎ শিশুৰ মনত দায়িত্ববোধ ভাব আৰু অনুশাসনৰ মনোভাৱো জগাই তুলিবলৈ চেষ্টা কৰা হয়।

নৈতিক শিক্ষাৰ জৰিয়তে শিশুক বৰ্তমান আৰু ভৱিষ্যৎ জীৱনৰ বাবে নীতি শিক্ষা দিয়া হয়। প্ৰাৰ্থনা বুলবুলিৰ (স্কাউট নিম্ন স্তৰত) মাধ্যমেৰে ব্যায়াম, দেশভক্তিৰ সংগীত আদিৰ শিক্ষা দি নিজৰ দেশখনক ভাল পাবলৈ, জাতীয়তাবোধৰ শিপা দিবলৈ বিচাৰ হয়। বুনিয়াদী শিক্ষা ব্যৱস্থাত বিদ্যালয় পৰিস্কাৰ কৰা, শিক্ষকৰ বাবে দুপৰীয়াৰ লঘু আহাৰ বিদ্যালয়তে তৈয়াৰ কৰিবলৈ দি ছাত্ৰ-ছাত্ৰীক নেতৃত্বৰ, দায়িত্ববোধৰ জ্ঞান দিয়া। ৰাষ্ট্ৰীয় সংগীত, জাতীয় সংগীতৰ মাধ্যমেৰে নিজৰ দেশক ভাল পাবলৈ শিকোৱা হয়। শিক্ষাৰ্থীৰ ১১ বছৰ বয়সৰ পৰা ১৮ বছৰ বয়সলৈকে সাধাৰণতে মাধ্যমিক শিক্ষাৰ সময় বুলি ধৰা হয়। মজলীয়া বিদ্যালয় (নিম্ন মাধ্যমিক), উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক স্তৰ এই পৰ্যায়ত অন্তৰ্ভুক্ত। কৈশোৰ কালত হোৱা দৈহিক, মানসিক, আবেগিক আৰু সামাজিক জীৱনৰ প্ৰতি লক্ষ্য ৰাখি এই পৰ্যায়ৰ কাৰ্যসূচী যুগুত কৰা হয়। ছাত্ৰ-ছাত্ৰীক বিভিন্ন বিষয়ৰ লগত পৰিচয় কৰাই দি জ্ঞানৰ প্ৰতি আগ্ৰহ জন্মোৱা হয়। এই পৰ্যায়ত শিক্ষা বিশেষীকৰণ নকৰি প্ৰতিভাৰ অন্বেষণকাৰী ৰূপে গঢ় দি তুলিব বিচৰা হয়।

ছাত্ৰ-ছাত্ৰীক শ্ৰেণীকোঠাত বিভিন্ন দায়িত্ব অৰ্পণ কৰা হয়। নেতৃত্ব প্ৰদানৰ দায়িত্বৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক দায়িত্ব বোধৰ আৰু সুশৃংখল জীৱন যাপনৰ আভাস দিয়া হয়।

সমাজ অধ্যয়নৰ দ্বাৰা বিভিন্ন দেশৰ ভৌগোলিক অৱস্থিতিৰ লগতে ৰাজনৈতিক পৰম্পৰা আৰু বৰ্তমানৰ স্থিতি সম্পৰ্কে জনা যায়। পৰিবৰ্তনশীল সমাজৰ লগত খাপ খুৱাই যুগুত কৰা পাঠ্যক্ৰমে একোখন দেশৰ লগতে বিভিন্ন দেশৰ ৰাজনৈতিক, পাৰম্পৰিক সম্পৰ্কৰো আভাস দিয়ে। পাঠ্যক্ৰমত যুগুত কৰা পাঠ্যবিষয় সমূহে ভৱিষ্যত জীৱন গঢ়াৰ আভাস দিয়ে।

ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকণ, তৰ্ক, কবিতা আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিও ৰাজনৈতিক সচেতনতা সৃষ্টি কৰিব পাৰি।

ভাৰতবৰ্ষৰ দৰে দেশত থকা সক্ৰিয় ৰাজনীতিৰ পৰিবেশে ছাত্ৰসকলক ৰাজনীতিত অন্তভুক্তি কৰাৰ উৎসাহ যোগায়।

স্নাতক পৰ্যায়ৰ পৰা আৰম্ভ হোৱা উচ্চ শিক্ষা ব্যৱস্থাই আৰু লগতে শিক্ষা প্ৰদান কৰা শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিৱেশ, পাঠ্যক্ৰম, অনুশাসন আদিয়ে শিক্ষাৰ্থীসকলক ৰাজনৈতিকভাৱে সচেতন হৈ পৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। পৰম্পৰাগত শিক্ষাদান প্ৰক্ৰিয়া, প্ৰশাসনীয় দক্ষতা, শিক্ষণ-শিকণ প্ৰক্ৰিয়া, শৈক্ষিক মানদণ্ডৰ আশা আৰু ফলাফল প্ৰাপ্তি, শিক্ষানুষ্ঠানত থলুৱা সাংস্কৃতিৰ প্ৰভাব আদিয়ে শৈক্ষিক পৰিৱেশ গঢ় লৈ উঠাত সহায় কৰে। প্ৰকৃত অৰ্থত উচ্চ শিক্ষা প্ৰদান কৰা শিক্ষানুষ্ঠানখনে বাস্তৱক উপলব্ধি কৰিব পাৰিব লাগিব আৰু সমাজেহে অনুষ্ঠানখনৰ মূল্যয়ন কৰিব। ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান আহৰণৰ বাবে নতুনত্ব বিচাৰি হাবাথুৰি খাই ফুৰে আৰু নতুনত্বৰ সন্ধানত ব্যৰ্থ হ'লে ৰাজনৈতিকভাৱে সক্ৰিয় হৈ আত্ম প্ৰকাশ কৰিবলৈ লয়।

যদিও অধিক সংখ্যক মহাবিদ্যালয় তথা বিশ্ববিদ্যালয় স্বায়ত্বশাসিত, যেতিয়াই এনে শিক্ষানুষ্ঠানসমূহে প্ৰয়োজনীয় মানদণ্ড বজাই ৰাখিব নোৱাৰে, প্ৰশাসনে নিৰ্লিপ্ততা প্ৰকাশ কৰে, উপযুক্তভাৱে পাঠদান কৰা নহয়, প্ৰয়োজনীয় পাঠ্যসূচী যোগান ধৰিব নোৱাৰে, মূল্যায়ন ব্যৱস্থাও উপযুক্ত মানদণ্ডৰ নহয়, তেতিয়াই ছাত্ৰসমাজৰ মাজত ৰাজনৈতিক চিন্তাৰ উথান হয়। ছাত্ৰ-ছাত্ৰীসকলে, বিশেষকৈ সমাজবিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলে (শিক্ষানুষ্ঠানৰ পৰা আহৰণ কৰিবলগীয়া দিশসমূহ ভালদৰে আয়ত্ব কৰিব নোৱাৰিলে) প্ৰয়োজন অনুসাৰে চাহিদা পূৰণৰ বাবে ৰাজনৈতিক সচেতনতা প্ৰকাশ কৰা দেখা যায়।

বিশ্ববিদ্যালয়সমূহে নিজৰ ইতিহাস, সংস্কৃতি লৈ ব্যস্ত হৈ থকাটোৱেও ছাত্ৰক ৰাজনৈতিকভাৱে সক্ৰিয় কৰি তুলিব পাৰে। পৰিবৰ্তনশীল সমাজত গতিশীলতাৰ নীতি পৰিহাৰ কৰিলে ছাত্ৰসমাজ নিজকে সমাযোজন কৰাত বাধাগ্ৰস্ত হয় আৰু শিক্ষানুষ্ঠানৰ প্ৰতি বিৰোধী হৈ পৰা দেখা যায়।

কেতিয়াবা বিশ্ববিদ্যালয়ে 'মেধা'ৰ ওপৰত বিশেষ গুৰুত্ব দি ছাত্ৰ-ছাত্ৰীৰ পৰিয়াল, জাতি, জনজাতি, গোষ্ঠী, পৰম্পৰা আদি মূল্যবোধৰ ওপৰত একেবাৰে গুৰুত্ব নিদিয়ে। মেধাভিত্তিক আদৰ্শ শিক্ষাগত মূল্যবোধৰ এক অংশ যি প্ৰায়ে পৰম্পৰাগত নীতি-নিয়মৰ বিৰোধিতা কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ এনে আদৰ্শৰ প্ৰতি সক্ৰিয় হৈ পৰাও দেখা যায়।

"সমাজ" হিচাপে বিশ্ববিদ্যালয়ৰ কৰণীয় বহুত। একোখন বিশ্ববিদ্যালয়ত বিভিন্ন অঞ্চলৰ, জাতি, জনজাতিৰ ছাত্ৰ-সমাগত হোৱা দেখা যায়। বিশ্ববিদ্যালয়ৰ প্ৰশাসক তথা শিক্ষক সমাজ বৌদ্ধিক দিশৰ লগত বেছি জড়িত হোৱা দেখা যায়। শ্ৰেণীকোঠাত বা অন্যক্ষেত্ৰত তেওঁলোকে প্ৰচলিত ৰাজনীতিৰ

সমালোচনা কৰাহে দেখা যায় আৰু কেতিয়াবা ছাত্ৰসমাজক বিভিন্ন দিশৰ প্ৰশ্নবানেৰে ব্যতিগ্ৰস্তও কৰি তোলে। সহজ অৰ্থত বিশ্ববিদ্যালয়ৰ বৌদ্ধিক সমাজে আভ্যন্তৰীণ পাৰিপাৰ্শ্বিক অৱস্থা বা "সমাজৰ" উন্নয়নৰ ওপৰত গুৰুত্ব নিদিলে ছাত্ৰসমাজ ৰাজনৈতিকভাৱে সচেতন হৈ পৰা দেখা যায়।

বিশ্ববিদ্যালয়ত ছাত্ৰ-ছাত্ৰীয়ে এনে সুস্থ সুন্দৰ পৰিৱেশ পায় য'ত স্বাধীন মনেৰে উদাত্ত কণ্ঠেৰে নিজস্ব মতামত ব্যক্ত কৰিব পাৰে। অন্যঅৰ্থত বিশ্ববিদ্যালয়খন হৈছে এনে এখন মঞ্চ য'ত ছাত্ৰ-ছাত্ৰীয়ে বাক্ স্বাধীনতা লাভ কৰে। বাক্ স্বাধীনতা নথকা দেশসমূহত ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয় চৌহদতে স্বাধীনতা উপভোগ কৰিব পাৰে। শিক্ষণ-শিকণ প্ৰক্ৰিয়া, গৱেষণা কাৰ্যৰ সুস্থ পৰিৱেশ ইয়াতেই গঢ়ি উঠে। ৰাজনৈতিক শক্তিয়ে এনে স্বাধীনতাক সক্ৰিয় হ'বলৈ দিব নিবিচাৰে। এনে শক্তিয়ে কেতিয়াবা বিশ্ববিদ্যালয়ৰ ভিতৰুৱা কাৰ্যসূচীত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীৰ পৰা সঁহাৰি বিচৰা দেখা যায়। সুস্থ পৰিৱেশত অনৈতিক আচৰণেৰে অশান্ত পৰিৱেশ সৃষ্টি কৰাত এনে শক্তিসমূহে উদগনি যোগায় আৰু ৰাজনৈতিক তুঁহজুইকুৰা জ্বলি থকাত সহায় কৰে। ৰাজনৈতিক শক্তিয়ে বিশ্ববিদ্যালয়ৰ স্বাধীনতাক সক্ৰিয় হ'বলৈ দিব নিবিচাৰে — ৰাজনৈতিক মতাদৰ্শ মানি চলাটো তেওঁলোকৰ কাম্য। এনে আদৰ্শ মানি চলিবলৈ বিশ্ববিদ্যালয়ে নিবিচাৰে আৰু তেতিয়াই বদ্ধ সংশয়ৰ পৰিৱেশত ছাত্ৰ ৰাজনৈতিকভাৱে সক্ৰিয় হৈ উঠে।

বাহিৰা শক্তিৰ প্ৰভাৱ, শিক্ষানুষ্ঠানৰ গুণগত মানদণ্ডৰ অৱনতি, শিক্ষানুষ্ঠানৰ অন্তৰ্নিহিত সমস্যা যেনে পৰীক্ষা সংক্ৰান্তিয় সমস্যা, প্ৰশাসন অথবা অধ্যাপকৰ বিৰুদ্ধাচৰণ, ছাত্ৰাবাসৰ দুৰৱস্থা, আদি বিষয়সমূহে ছাত্ৰক ৰাজনৈতিকভাৱে সক্ৰিয় হৈ পৰাত সহায় কৰে। কোনো কোনো সময়ত ছাত্ৰসমাজে পঢ়াশুনাতকৈ ৰাজনীতিত ব্যস্ত হৈ পৰা দেখা যায়। অধিক সংখ্যক বিশ্ববিদ্যালয় ৰাজধানীত স্থাপিত হোৱা বাবে ক্ষমতাত থকা ৰাজনৈতিক দলৰ লগত ঘনিষ্ঠ সম্পৰ্ক হোৱাৰ সম্ভাৱনা থাকে। এনে দৃষ্টান্তসমূহৰ লগত সংগতি ৰাখি ক'ব পাৰি যে জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত ছাত্ৰ-ৰাজনীতি সক্ৰিয় হৈ পৰা বাবেই কেবাবাৰো পাঠদান কাৰ্যসূচী কৰ্তৃপক্ষই বন্ধ কৰিবলগীয়া হৈছিল।

ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিবলৈ বিশ্ববিদ্যালয়ে কিছু পদক্ষেপ ল'ব পাৰে। ছাত্ৰই যুগুত কৰি উলিওৱা বাতৰি কাকতত বিভিন্ন বিষয় সন্নিবিষ্ট কৰিব পাৰে। বাতৰি কাকতৰ লিখনিৰ জৰিয়তে ছাত্ৰক ৰাজনীতিত অংশ ল'বলৈ উৎসাহিত কৰিব পাৰি। তৰ্ক প্ৰতিযোগিতা, বক্তৃতা আদিৰ আয়োজন কৰি ছাত্ৰ-ছাত্ৰীসকলক ৰাজনৈতিকভাৱে সচেতন কৰিব পাৰি। পৰীক্ষাকেন্দ্ৰীক শিক্ষা ব্যৱস্থাত বিশ্ববিদ্যালয়সমূহত পাঠদান কাৰ্যসূচী আৰু পৰীক্ষা সূচীৰ মাজত যথেষ্ট ব্যৱধান হোৱা দেখা যায়। অৱশ্যে বৰ্তমানৰ চেমিষ্টাৰ পদ্ধতিয়ে সময়ৰ ব্যৱধান কমাই আনিছে। এনে সময়ত পঢ়াশুনাৰ প্ৰতি আগ্ৰহ নথকা ছাত্ৰ-ছাত্ৰীসকলে ৰাজনীতিৰ বিষয়ে জানিবলৈ আগ্ৰহী হৈ পৰে। আমেৰিকাৰ শিক্ষা ব্যৱস্থা (credit system অত) সদায় পৰীক্ষা অনুষ্ঠিত হোৱা বাবে আৰু assignment বোৰ দিয়া

বাবে ছাত্র-ছাত্রীসকল দায়িত্বশীল হৈ পৰে যিটো আমাৰ পৰম্পৰাগত শিক্ষা ব্যৱস্থাত খুব কম। সমাজে মূল্যায়ন কৰা বিশ্ববিদ্যালয়খনৰ ছাত্র-ছাত্রীয়ে কি বৰঙণি আগবঢ়াব সেয়াহে লক্ষণীয়।

**(খ) অনানুষ্ঠানিক শিক্ষাৰ প্রভাব (Impact of Informal Education) :** আনুষ্ঠানিক শিক্ষাৰ দৰে অনানুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাইও এক ৰাজনৈতিকভাৱে সচেতন কৰা দেখা যায়। আনুষ্ঠানিক নীতি নিয়ম বৰ্জিতভাৱে বহল সামাজিক পৰিৱেশৰ পৰা পোৱা প্রাসংগিক আৰু ক্ষেত্রভিত্তিক শিক্ষাই হৈছে অনানুষ্ঠানিক শিক্ষা। ইয়াত কোনো নিৰ্ধাৰিত সময়সীমা, পাঠ্যক্রম, শিক্ষাদান পদ্ধতি আৰু মানদণ্ড আদি নাথাকে। পৰিয়াল ধৰ্মীয় অনুষ্ঠান, সম্প্রদায়, পুথিভঁৰাল, সংগ্ৰহালয় আৰু কলা ভৱন, সংঘ, স্কাউট আৰু গাইড আদিয়ে ছাত্র-ছাত্রীক ৰাজনৈতিকভাৱে সচেতন কৰাত সহায় কৰে।

**(গ) অগতানুগতিক শিক্ষাৰ প্রভাব (Impact of Nonformal Education) :** আনুষ্ঠানিক শিক্ষাৰ বাহিৰত সু-সংগঠিত আৰু প্রণালীবদ্ধভাৱে কেতবোৰ নিৰ্বাচিত বিষয়ত অধিক স্বাধীনতা, মিতব্যয়িতা আৰু গতিশীলতাৰ নীতি ৰক্ষা কৰি দিয়া শিক্ষাই হৈছে অগতানুগতিক শিক্ষা। শিক্ষকৰ প্রত্যক্ষ শিক্ষাদানৰ পৰিবৰ্তে জনসংযোগ মাধ্যমৰ যোগে ইয়াত পৰোক্ষভাৱেহি শিক্ষা দিয়া হয়। এই শিক্ষাই ব্যক্তি স্বাধীনতা আৰু আত্ম অনুশাসন নীতি বিশ্বাস কৰে। মুক্ত বিশ্ববিদ্যালয়, যোগাযোগ পাঠ্যক্রম, চেটেলাইট নিৰ্দেশনামূলক টেলিভিছন অনুষ্ঠান আদিয়ে শিক্ষাৰ্থীক ৰাজনৈতিকভাৱে সক্রিয় হৈ পৰাত সহায় কৰিব পাৰে।

শিক্ষাৰ্থীসকলক ৰাজনৈতিকভাৱে সচেতন কৰাৰ লগতে মানৱতাৰ সকলো সমস্যা সমাধানৰ পথ প্রশস্ত কৰিবলৈ আনুষ্ঠানিক, অনানুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাৰ অতি প্রয়োজন।

## III. ছাত্রৰ ৰাজনীতি (Politics among the Students)

ছাত্রৰ ৰাজনীতি হৈছে আদৰ্শবাদৰ ৰাজনীতি। কিছুমান আশা আৰু আকাংক্ষাৰে ৰাজনীতিত জড়িত ছাত্রসকলে নৈতিক, সুদূৰপ্ৰসাৰী আৰু সামঞ্জস্যপূৰ্ণ সামাজিক সমস্যাৰ সমাধান বিচাৰে। তেওঁলোক আদৰ্শবাদী চিন্তাধাৰাৰ প্রতি অতি আগ্রহী কিয়নো আদৰ্শবাদে যিকোনো সমস্যাৰ সামগ্রিক সমাধান কৰিবলৈ যত্ন কৰে। সমাজৰ উন্নতিৰ হকে চিন্তা কৰা ছাত্র-সমাজে ৰাজনৈতিক (বা ধৰ্মীয়) আদৰ্শকো আঁকোৱালি ল'ব যদিহে ইয়াৰ যোগেদি সমাজ লাভবান হয়। মাৰ্ক্সিজিম্‌ৰ (Marxism) ৰ প্রভাৱ পূৰ্বতে ছাত্রসমাজৰ মাজত যথেষ্ট দেখা গৈছিল যদিও ছোভিয়েট ইউনিয়ন আৰু চীনদেশত পোৱা অসুবিধাৰ বাবে এই আদৰ্শবাদৰ জনপ্রিয়তা সকলো দেশতে ক্রমান্বয়ে হ্রাস পোৱা দেখা যায়। কিছু সংখ্যক ছাত্রই ন্যায় আৰু সামাজিক সাম্যবাদক বিশ্বস কৰা দেখা যায়। ছাত্র-সমাজৰ মাজত দুই এজন উচ্চ মৰ্যদাসম্পন্ন ছাত্র থাকিলেও ছাত্রৰ ৰাজনীতিত বৈষম্যৰাজৰ চিন্তা কৰা নহয় আৰু নেতৃত্বৰ

অধীনত ৰাজনীতি অগ্ৰসৰ হোৱা দেখা যায়। সাধাৰণ ভাষাত সমাজৰ উন্নতিৰ হকে আদৰ্শবাদী চিন্তাধাৰে যিকোনো সমস্যাৰ সমাধান কৰিব বিচৰা ৰাজনীতিয়েই হৈছে ছাত্ৰৰাজনীতি।

## উন্নত আৰু উন্নয়নশীল দেশত ছাত্ৰ-ৰাজনীতি (Student Politics in Developed and Developping Country) :

উন্নত দেশসমূহত প্ৰতিষ্ঠিত ৰাজনৈতিক সংগঠন থাকে যিটো উন্নয়নশী বা তৃতীয় বিশ্বৰ দেশসমূহত দেখা নাযায়। সংগঠনৰ অভাব হোৱা হেতুকে এই দেশসমূহত ছাত্ৰসমাজ সহজে ৰাজনীতিত অংশগ্ৰহণ কৰা দেখা যায়।

শক্তিশালী পৰম্পৰাগত ছাত্ৰ-ৰাজনীতি উন্নয়নশীল দেশসমূহত ছাত্ৰসমাজক ৰাজনীতিত অংশগ্ৰহণৰ প্ৰতি অভিৰোচিত কৰে। উন্নত দেশত ছাত্ৰৰ ৰাজনীতিত প্ৰৱেশ অবৈধ বুলি গণ্য কৰাৰ বিপৰীতে উন্নয়নশীল দেশত এনে প্ৰৱেশ স্বাভাৱিক বুলি গণ্য কৰা হয়।

তৃতীয় বিশ্বৰ বা উন্নয়নশীল দেশত অভিজাত শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল উচ্চ সামাজিক অৱস্থান লৈ সচেতন হৈ পৰা দেখা যায়। সংখ্যাত নগণ্য উচ্চশিক্ষা গ্ৰহণ কৰা প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীয়েই প্ৰশাসনীয় সাধাৰণ ৰাইজৰ লগত সহজে খাপ খাব নোৱাৰা এনে ছাত্ৰ উন্নত দেশত পোৱা নাযায়। অধিক সংখ্যক উন্নয়নশীল দেশতেই উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহ চহৰ অঞ্চলত স্থাপিত হয়। এনে অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে সহজে ৰাজনৈতিক দলৰ লগত সম্পৰ্ক স্থাপন কৰিব পাৰে। ভৌগোলিক স্থিতিৰ বাবে ছাত্ৰসমাজে সহজে আন্দোলন অথবা ধৰ্মঘট কৰিব পাৰে আৰু ৰাজনৈতিক শক্তিৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা হয়।

ভাৰতবৰ্ষৰ দৰে গণতান্ত্ৰিক দেশ এখনত যদি শিক্ষিতৰ হাৰ কম হয় আৰু চৰকাৰ আৰু ৰাইজৰ মাজত সম্পৰ্ক স্থাপনৰ বাবে ব্যৱস্থা নাথাকে, ছাত্ৰসমাজে ৰাইজৰ হৈ সঘনাই মাত মাতে। সীমিত সংখ্যক মানুহ লৈও তেওঁলোকে আন্দোলনত অংশ লয় আৰু প্ৰশাসনৰ দৃষ্টিগোচৰ হয়। অন্য অৰ্থত তৃতীয় বিশ্বৰ দেশত ছাত্ৰ সমাজে "বিবেকৰ" প্ৰদৰ্শন কৰি সমাজৰ উন্নতিৰ হকে চেষ্টা কৰে।

## শিক্ষানুষ্ঠান আৰু ছাত্ৰ ৰাজনীতি (Educational Institute and Student Politics)

উন্নয়নশীল দেশসমূহত বিশেষকৈ ভাৰতবৰ্ষত শিক্ষানুষ্ঠানত ছাত্ৰৰ ৰাজনীতিৰ প্ৰভাৱ যথেষ্ট পৰা দেখা যায়। ৰাজনৈতিক বিষয়ত সতৰ্ক হৈ থকা ছাত্ৰ-সমাজে কেতিয়াবা সমাজত ৰাজনৈতিক অস্থিৰতা বাহাল ৰখাত সক্ৰিয় ভূমিকা পালন কৰা দেখা যায়। উচ্চ শিক্ষানুষ্ঠান আৰু চৰকাৰৰ বাবে ছাত্ৰ ৰাজনীতি এটা ডাঙৰ সমস্যা হৈ পৰা দেখা যায়।

শিক্ষানুষ্ঠানৰ মুৰব্বীয়ে ছাত্ৰৰাজনীতিক 'বেয়া' বুলি গণ্য কৰে আৰু ছাত্ৰ সমাজক ৰাজনীতিৰ পৰা আঁতৰত ৰখাৰ অহোপুৰুষাৰ্থ চেষ্টা কৰে। কোনো কোনো সময়ত এই ৰাজনীতিয়ে সমস্যাৰ সৃষ্টি

কৰিলেও ছাত্ৰৰাজনীতিক অনবৰতে ঋণাত্মক দৃষ্টিৰে চালে নহ'ব। এই ৰাজনীতিক ভালদৰে অনুধাৱন কৰিব লাগিব।

এখন দেশৰ সামাজিক আৰু ৰাজনৈতিক পৰিবৰ্তন জনাত ছাত্ৰৰাজনীতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিক্ষানুষ্ঠানৰ স্থিতি, পৰিৱেশ, ছাত্ৰবাস আদি সমস্যাৎ ছাত্ৰসমাজ সক্ৰিয় হৈ পৰা দেখা যায়। এনে সক্ৰিয়তাত যেতিয়া ৰাজনৈতিক আৰু সামাজিক শক্তিৰ প্ৰেৰণা পোৱা যায় তেতিয়াই আন্দোলনে শিক্ষানুষ্ঠানৰ পৰিসীমা অতিক্ৰম কৰে। সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থাবিশেষে ছাত্ৰ ৰাজনীতিত অংশগ্ৰহণৰ বৈষম্য ঘটা দেখা যায়। সাধাৰণতে কলা শাখাৰ ছাত্ৰসমাজ বিজ্ঞান বা বাণিজ্য শাখাতকৈ বেছি ৰাজনৈতিক কাম-কাজত জড়িত হৈ পৰা দেখা যায়।

ৰাজনৈতিক শক্তিসমূহে ছাত্ৰসমাজক ৰাজনীতিত অংশগ্ৰহণ কৰিবলৈ অনুপ্ৰেৰণা যোগায়। গৰিষ্ঠ সংখ্যক শিক্ষিত মধ্যবিত্ত, দুৰ্বল জনসংযোগ মাধ্যম, উচ্চ শিক্ষা গ্ৰহণৰ বাবে ছাত্ৰ-ছাত্ৰীৰ সঘনাই স্থানৰ পৰিবৰ্তন, শিক্ষানুষ্ঠান ৰাজধানীত থকা বাবে ৰাজনৈতিক দলৰ লগত সম্পৰ্ক, নিবনুৱা সমস্যা, চৰকাৰী চাকৰিৰ আশা, ইত্যাদিয়ে ছাত্ৰ-ৰাজনীতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

চিন্তাবিদসকলে মত পোষণ কৰে যে ছাত্ৰ-ৰাজনীতিৰ কাম-কাজ বামপন্থী আৰু লক্ষ্য জাতীয়তাবাদী (Philip G Attbach : Student Pllitics in the Third World)) যি আদৰ্শৰ প্ৰতিয়েই তেওঁলোক দৃঢ় বিশ্বাসী নহওক কিয় তেওঁলোকক প্ৰতিষ্ঠান বিৰোধী বুলিয়েই ভবা হয়। এনে প্ৰতিষ্ঠান বিৰোধী ধাৰণাক সাধাৰণীকৰণ কৰা হৈছে 1960 চনতেই উত্তৰ আমেৰিকা আৰু পশ্চিম ইউৰোপত সংঘটিত হোৱা ঘটনাক্ৰমৰ পৰা, যি সমগ্ৰ বিশ্বতে আলোড়নৰ সৃষ্টি কৰিছিল। বামপন্থী চিন্তাধাৰাই ছাত্ৰৰ ৰাজনীতিত সদায় বিৰাজমান বুলি ক'ব নোৱাৰি, ইয়াৰ ব্যতিক্ৰমো হোৱা দেখা যা। (Edward Shilds) এডৱাৰ্ড ছিলচৰ মতে ছাত্ৰসকলৰ (বুদ্ধিজীৱিও) প্ৰশাসনত যি লোকেই নাথাকক প্ৰতিষ্ঠান বিৰোধী হোৱা দেখা যায়। যদিও এনে কাৰ্যক সাধাৰণীকৰণ কৰিব নোৱাৰি অৱশেষত শাসকগোষ্ঠীৰ বিৰোধিতা কৰাত ছাত্ৰ-সকলৰ অভিৰোচিত হোৱাও দেখা যায়।

উন্নয়নশীল দেশসমূহত বিশেষকৈ ছাত্ৰৰ ৰাজনীতিৰ পৰিৱেশ পূৰ্বতেও অতিবাহিত হৈ আছিল, বৰ্তমানেও আছে আৰু ভৱিষ্যতেও থাকিব। উন্নত দেশত কেৱল একোটা পৰিস্থিতিতহে ছাত্ৰ-সকলে ৰাজনীতিত লিপ্ত হোৱা দেখা যায়। ভৱিষ্যতলৈ ৰাজনীতি প্ৰচলিত হ'ব বুলি ক'ব নোৱাৰি। পৰিবৰ্তনশীল সমাজত বৰ্তমানৰ ছাত্ৰৰ ৰাজনীতিয়ে ভৱিষ্যৎ ৰাজনীতিত প্ৰভাৱ পেলাব নে নাই ক'ব নোৱাৰি। বামপন্থী আন্দোলন হয়তো ক্ৰমাগতভাৱে নোহোৱা হৈ পৰম্পৰাগত আদৰ্শৰ উত্থান হ'ব। ৰাজনীতিত ছাত্ৰৰ অংশগ্ৰহণে ইয়াক নুবুজায় যে সকলো দেশতে সকলো সময়তে ছাত্ৰই ৰাজনীতিত সক্ৰিয় হৈ থাকিব।

## IV. ছাত্ৰ সংগঠনৰ গুৰুত্ব (Importance of Students Union)

ৰাজনীতিক মানৱ জীৱনৰ অবিচ্ছেদ্য অংগ বুলি কোৱা হয়। সমাজ এখনৰ লক্ষ্যত উপনীত হ'বৰ বাবে ৰাজনীতি অপৰিহাৰ্য। কোৱা হয়, "If politics decides your future then decide what your politics should be." "যদি ৰাজনীতিয়ে তোমাৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰে, তেতিয়াহ'লে তুমি সিদ্ধান্ত লোৱা তোমাৰ ৰাজনীতি কি হ'ব।" ভাৰতবৰ্ষৰ দৰে এখন গণতান্ত্ৰিক দেশত নাগৰিকৰ ভৱিষ্যৎ ৰাজনীতিয়েই নিৰ্দ্ধাৰণ কৰা দেখা যায়।

ছাত্ৰ-সমাজ হৈছে সমাজৰ অবিচ্ছেদ্য অংগ যি সমাজে প্ৰধানকৈ শিক্ষাখণ্ডৰ লগত জড়িত হৈ থাকে। প্ৰাক স্বাধীনতা কালৰ পৰা স্বাধীনতাৰ পৰৱৰ্তী পৰ্যায়লৈ ৰাজনীতিত ছাত্ৰসমাজ ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰা দেখা গৈছে। যিকোনো অনুষ্ঠানৰ চাহিদা অনুযায়ী ছাত্ৰসমাজ সংগঠনৰ লগত জড়িত হ'ব পাৰে, সমাজত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে তথা সমাজৰ উন্নতিৰ হকে যিকোনো সিদ্ধান্ত গ্ৰহণত মুখ্য ভূমিকা পালন কৰিব পাৰে। বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় তথা উচ্চ শিক্ষাৰ অধিক সংখ্যক শিক্ষানুষ্ঠানতে ছাত্ৰ সংগঠন বিদ্যমান। এই সংগঠনসমূহে ছাত্ৰসমাজৰ শৈক্ষিক বিকাশত সহায় কৰাৰ লগতে শিক্ষানুষ্ঠানখনক সমাজত উপস্থাপন কৰাত সহায় কৰে। শিক্ষানুষ্ঠানৰ আভ্যন্তৰীণ বিকাশত সহায় কৰাৰ লগতে বিভিন্ন সেৱাৰ মাধ্যমেৰে সমাজৰ বিকাশত অৰিহণা যোগোৱা দেখা যায়। এই সংগঠন সমূহেই প্ৰয়োজন সাপেক্ষে আঞ্চলিক, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় সমস্যাসমূহ লৈ সৰৱ হৈ উঠা দেখা যায় আৰু সমস্যাৰ সমাধানৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰে।

বিভিন্ন ধৰণৰ ছাত্ৰ সংগঠন সমূহ হ'ল — Indian National Students ORganization, Students Federation of India, Na tional Students Union of India, Bharatiya Janata Yuva Morcha, Students Federation of India, Sunni Students Federation, Akhil Bharatiya Vidyarthi Parishad, All India Students Association, All India Students Federation, Muslim Students Federation ইত্যাদি।

## লিংডো কমিটিৰ প্ৰতিবেদন (Report of Lyngdoh Committee) :

ছাত্ৰ সংগঠনৰ ভোট সম্পৰ্কে কেৰালা উচ্চ ন্যায়ালয়ত এটা গোচৰ ৰুজু কৰা হয় আৰু ন্যায়ালয়ে ৰায় প্ৰদান কৰে। ন্যায়ালয়ৰ ৰায়ৰ বিৰোধিতা কৰি কেৰালা বিশ্ববিদ্যালয়ে উচ্চতম ন্যায়ালয়ত গোচৰ ৰুজু কৰে আৰু অৱশেষত উচ্চতম ন্যায়ালয়ে ২০০৫ চনত ৰাষ্ট্ৰীয় মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ক (Ministry of Human Resource Development) এখন কমিটি গঠন কৰাৰ বাবে আহ্বান জনায় যি কমিটিয়ে ছাত্ৰ সংগঠনৰ ভোটদান প্ৰক্ৰিয়া অধ্যয়ন কৰিব আৰু ভোটদানৰ চৰ্ত্তাৱলী নিৰ্ধাৰণ কৰিব।

মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ে পূৰ্বৰ নিৰ্বাচনী আয়ুক্ত J. M. Lyngdohৰ নেতৃত্বত এখন কমিটি গঠন কৰি দিয়ে আৰু কমিটিয়ে ২০০৬ চনৰ ২৩ মে'ত চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰে।

প্ৰতিবেদনত উল্লেখ কৰা গৰুত্বপূৰ্ণ পৰামৰ্শসমূহ হ'ল—

১. শিক্ষানুষ্ঠানৰ ভোটদান প্ৰক্ৰিয়াত অত্যাধিক ৫০০০/- টকা খৰছ কৰিব পাৰিব।

২. ছপা মাধ্যমত পোষ্টাৰ, পুস্তিকা আদি নিৰ্বাচনৰ অভিযানত (Campaign) প্ৰকাশ কৰিব নোৱাৰিব।

৩. নিৰ্বাচনৰ প্ৰতিযোগীৰ শৈক্ষিক বকায়া (Academic arrear) থাকিব লাগিব।

৪. নিৰ্বাচনৰ অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীত উপস্থিতিৰ হাৰ ৭৫% থাকিব লাগিব।

৫. নিৰ্বাচনৰ প্ৰতিযোগীৰ অধিক বয়স ২৮ বছৰ (গৱেষক ছাত্ৰ-ছাত্ৰীৰ বাবে) হ'ব লাগিব।

## শিক্ষানুষ্ঠানত ছাত্ৰসংগঠনৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা (Importance and Need of Students Union in Educational Institutions) :

ভাৰতবৰ্ষৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমূহত ছাত্ৰ সংগঠনৰ স্থিতি বা ছাত্ৰ-ৰাজনীতি লিংডো কমিটিয়ে নস্যাৎ কৰা নাই, বৰঞ্চ ছাত্ৰসংগঠনৰ প্ৰয়োজনীয়তাৰ কথাহে উল্লেখ কৰিছে।

কমিটিয়ে মতামত ডাঙি ধৰি কয় যে সমগ্ৰ দেশতে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমূহে জনপ্ৰতিনিধি হিচাপে ছাত্ৰক নিযুক্তি দিবলৈ নিৰ্বাচন অনুষ্ঠিত কৰিবই লাগিব। শিক্ষানুষ্ঠানৰ স্থিতি সবল কৰিবলৈ আৰু গুণগত মানদণ্ডৰে অনুষ্ঠিত কৰিবলৈ লিংডো কমিটিৰ পৰামৰ্শসমূহ মানি লোৱা প্ৰয়োজন। কোৱা হয় যে কোনো শিক্ষানুষ্ঠানত পাৰিপাৰ্শ্বিক স্থিতিৰ কাৰণে যদি নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা নাযায়, সেই শিক্ষানুষ্ঠানত জনপ্ৰতিনিধি হিচাপে ছাত্ৰক বাচনি কৰিব লাগিব।

শিক্ষানুষ্ঠানত ছাত্ৰ সংগঠনৰ প্ৰয়োজনীয়তাসমূহ তলত উল্লেখ কৰা হ'ল —

১। শিক্ষানুষ্ঠান এখনৰ প্ৰশাসন আৰু ছাত্ৰসমাজৰ মাজ ছাত্ৰ সংগঠনে মধ্যস্থতাকাৰীৰ কাম কৰা দেখা যায়। ছাত্ৰসমাজে সন্মুখীন হোৱা যিকোনো সমস্যা মহাবিদ্যালয়ৰ বা বিশ্ববিদ্যালয়ৰ মুৰব্বীজনক অৱগত কৰাবলৈ ছাত্ৰসংগঠনৰ সহায় লোৱা হয়। ছাত্ৰসংগঠনে প্ৰশাসকৰ লগত আলোচনা কৰি আলোচনাৰ সিদ্ধান্ত ছাত্ৰসমাজক অৱগত কৰায়।

২। প্ৰশাসনৰ আনুষ্ঠানিক সিদ্ধান্তৰ ক্ষেত্ৰত ছাত্ৰ সংগঠনৰ বিষয়ববীয়াক অন্তৰ্ভুক্ত কৰা হয়। প্ৰত্যেকখন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ IQAC (Internal Quality Assurance Cell) ছাত্ৰ প্ৰতিনিধি অন্তৰ্ভুক্ত কৰা হয় আৰু তেওঁলোকৰ মতামতসমূহ গুৰুত্ব সহকাৰে বিবেচনা কৰা হয়।

৩। ছাত্ৰ সংগঠনে ছাত্ৰসমাজৰ কল্যাণৰ হকে যৎপৰোনাস্তি চেষ্টা কৰা দেখা যায়। মহাবিদ্যালয়

বা বিশ্ববিদ্যালয়ত নতুন ছাত্ৰৰ আগমনৰ সময়ত সংগঠনে যথেষ্ট সহায় কৰে, Form fillup, dress আদিৰ উপৰিও কোঠাসমূহ, NSS/NCC canteen unit সমূহ চিনাকি কৰাই দিয়াত সহায় কৰা দেখা যায়। বৰ্তমানৰ মহাবিদ্যালয়/বিশ্ববিদ্যালয় সমূহত থকা Antiragging Cellএ ছাত্ৰসংগঠনৰ সহায়ত শিক্ষানুষ্ঠানৰ পৰিৱেশ যাতে সুস্থ হৈ থাকে, তাৰ বাবে চেষ্টা কৰে। ছাত্ৰই কোনো সমস্যাত ভুগিলে ছাত্ৰসংগঠনে যথেষ্ট সহায় কৰে আৰু সমস্যা সমাধানৰ চেষ্টা কৰে।

৪। ছাত্ৰসংগঠনৰ সহায়ত জনপ্ৰতিনিধি সকলে ছাত্ৰৰ মাজত অন্তৰ্নিহিত হৈ থকা সুপ্ত প্ৰতিভা সমূহ চিনাক্ত কৰাত আৰু প্ৰতিভাৰ বিকাশত সহায় কৰিব পাৰে। বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি ছাত্ৰক নিজস্ব দক্ষতা বিকাশত সহায় কৰিব পাৰে। উদাহৰণ স্বৰূপে মাদ্ৰাজ খ্ৰীষ্টিয়ান কলেজ ছাত্ৰ সংগঠনে কেৱল ছাত্ৰৰ কল্যাণৰ হকেই কাম নকৰে বৰঞ্চ ছাত্ৰৰ প্ৰতিভা বিকাশত যথেষ্ট অৰিহণা যোগোৱা দেখা যায়। প্লাষ্টিক বটলবোৰৰ (recycling) উপনৰ উপযোগী কৰি তোলা, পেলাবলগীয়া সামগ্ৰীসমূহৰ পুনৰ উপযোগীকৰণ (Waste management) ছাত্ৰ-ছাত্ৰীক বৃত্তি প্ৰদানৰ ব্যৱস্থা কৰা, দুখীয়া প্ৰয়োজনীয় ছাত্ৰসকলৰ শিক্ষাগ্ৰহণৰ মাচুল ৰেহাই দিয়া ইত্যাদি।

৫। ছাত্ৰ সংগঠনে শিক্ষিত নেতৃত্বৰ প্ৰয়োজন পূৰণ কৰাও দেখা যায়।

বৰ্তমানৰ দেশৰ ৰাজনীতিত অশিক্ষিত আৰু অৰ্ধশিক্ষিত মানুহৰ সমাগম হোৱা দেখা যায় যাৰ পৰিণতি কেৱল বিশৃংখলতা। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক বিশৃংখলতাই এখন দেশৰ বিকাশত কেতিয়াও সহায় কৰিব নোৱাৰে।

উন্নত মানৰ শিক্ষা প্ৰদানেৰে এই শিক্ষানুষ্ঠানসমূহে ভৱিষ্যৎ প্ৰজন্মক গঢ় দি দেশখন গঢ়ি উঠাত সহায় কৰে।

ছাত্ৰসংগঠন সমূহ হৈছে এখন সুন্দৰ মঞ্চ য'ত শিক্ষিত তথা উপযুক্ত নেতৃত্ব গঢ় লৈ উঠে। ছাত্ৰাৱস্থাতেই নেতৃত্ব প্ৰদানৰ বেছিভাগ গুণ আহৰণ কৰা হয়। এনে নেতৃত্বৰ প্ৰয়োজনীয়তা পূৰণ কৰাত ছাত্ৰসংগঠনে মুখ্য ভুমিকা পালন কৰিব পাৰে।

৬। ছাত্ৰসংগঠন জনসেৱা আৰু আন্দোলন ছাত্ৰসংগঠন সমূহে প্ৰয়োজন অনুসাৰে জনসাধাৰণৰ সেৱাত ব্ৰতী হোৱা দেখা যায়। ১৮৪৮ চনত সৰ্বপ্ৰথমে ছাত্ৰ-ৰাজনীতিৰ ভাবধাৰা উদ্ভাৱন কৰা দাদাভাই নৱৌজিয়ে ছাত্ৰসকলৰ সহায়ত কিদৰে জনসাধাৰণৰ সেৱা আগবঢ়াব পাৰি তাকেই দৃষ্টান্ত দাঙি ধৰিছিল। লাহোৰত King Edward Medical Collegeঅত ইংৰাজ আৰু ভাৰতীয় ছাত্ৰৰ শিক্ষা গ্ৰহণৰ ব্যৱস্থাৰ বৈষম্যতা প্ৰশাসনে আনিছিল আৰু ছাত্ৰসমাজে আন্দোলনৰ মাধ্যমেৰে বৈষম্যভাৱ আঁতৰাবলৈ সক্ষম হৈছিল। প্ৰাক্ স্বাধীনতা কালৰ পৰা একৈশ শতিকালৈ বিভিন্ন সংগঠনে জনসাধাৰণৰ হিতাৰ্থে আন্দোলন কৰা দেখা যায়। (২০১৪ চনত যাজবপুৰ

বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ আৱাসত এগৰাকী ছাত্ৰীক বলাৎকাৰ কৰা হৈছিল, আৰু "Hokkolorob" নামাকৰণে আন্দোলনত ছাত্ৰসমাজ লিপ্ত হৈছিল। ছাত্ৰসমাজে সংগঠনৰ নেতৃত্বত শ্ৰেণী বৰ্জন, অনশন আদি কৰাৰ পৰিপ্ৰেক্ষিতত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অভিজিৎ চক্ৰৱৰ্তীয়ে চাকৰিৰ পৰা অব্যাহতি ল'বলৈ বাধ্য হৈছিল।)

হায়দৰাবাদৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ ছাত্ৰ ৰোহিত ভাৰ্মুলাই আত্মহত্যা কৰা বাবে প্ৰশাসনে ৰোহিত্বৰ বন্ধু কেবাজনকো আটক কৰাই বৰ্খাস্ত কৰিব বিচাৰিছিল। ছাত্ৰ-সংগঠনৰ নেতৃত্বত ছাত্ৰসকলে বৰ্খাস্তকৰণৰ বিৰোধিতা কৰিছিল, শ্ৰেণী বৰ্জন, অনশন আদি পন্থাসমূহ লৈছিল আৰু অৱশেষত প্ৰশাসনে বৰ্খাস্তকৰণৰ সিদ্ধান্ত বালিত কৰিবলগীয়া হৈছিল।

## ছাত্ৰ সংগঠন আৰু ৰাজনীতি (Students Organization and Politics) :

আফতাব্ আলম আৰু মহম্মদ ইচ্টাফ আলিয়ে "Student union in institutions of Higher Education of India : A cri tical study of needs, significance and roles" ত উল্লেখ কৰিছে যে ছাত্ৰসংগঠনৰ শিক্ষানুষ্ঠানত থকা প্ৰয়োজন যিহেতু প্ৰশাসন আৰু ছাত্ৰসমাজৰ মাজত সংগঠনে মধ্যস্থতা কৰে, যিকোনো অনুষ্ঠান কৰাত সাহয় কৰে, শিক্ষানুষ্ঠানত দেখা দিয়া আসোঁৱাহসমূহ দূৰ কৰিবলৈ বিচাৰে। কিন্তু সংগঠনে সাধাৰণ ছাত্ৰ-ছাত্ৰীসকলক ৰাজনীতিৰ নামত বিপথে পৰিচালিত কৰিব নালাগে, উৎপীড়ন কৰিব নালাগে।

অধিক সংখ্যক লোকেই শিক্ষানুষ্ঠানত ৰাজনীতি অন্তৰ্ভুক্তিকৰণৰ পৰিপন্থী। মধ্যবিত্ত শ্ৰেণীৰ লোকসকলে সন্তানে ৰাজনীতিৰ পৰা আঁতৰত থাকি ভালদৰে পঢ়াশুনা কৰি নিজৰ ভৱিষ্যৎ গঢ়ি তোলাৰ ওপৰত তথা স্বাৱলম্বী হোৱাৰ ওপৰত গুৰুত্ব দিয়ে। কোৱা হয় যে বহুত সংঘাতৰ মূল কাৰণেই হৈছে ছাত্ৰৰ ৰাজনীতিত অংশগ্ৰহণ।

ভাৰতবৰ্ষৰ দৰে গণতান্ত্ৰিক দেশ এখনৰ সকলোৰে মত বিনিময়, আলোচনা আদিৰ ভিত্তিত পৰিচালিত হয়। ছাত্ৰ সংগঠনেও মতামত দাঙি ধৰাৰ ক্ষেত্ৰত বা বিমুখ বিষয় উপস্থাপন কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব পাৰে। প্ৰতিপক্ষৰ মতামত সমূহ সন্মানসহকাৰে বিশ্লেষণ কৰি ব্যৱস্থা গ্ৰহণ কৰাই হৈছে গণতন্ত্ৰৰ প্ৰকৃত স্বৰূপ — (প্ৰতিপক্ষৰ কথা অৱজ্ঞা কৰা নহয়)। শিক্ষানুষ্ঠানত গণতান্ত্ৰিক ভাৱধাৰা আনিবলৈ শিক্ষানুষ্ঠানখন স্বায়ত্ত্ব শাসিত হ'ব লাগিব।

সামূহিক স্বাৰ্থত ছাত্ৰ সংগঠনে গণতন্ত্ৰত নিজস্ব মতামত প্ৰকাশ কৰিব পাৰে, ৰাইজৰ মতাদৰ্শ চৰকাৰক অৱগত কৰাব পাৰে, চৰকাৰী নীতি সকলোৰে গ্ৰহণযোগ্য নহ'লে বিৰোধিতা কৰিব পাৰে, সিদ্ধান্ত গ্ৰহণকাৰী সংস্থা সমূহক ছাত্ৰসংগঠনে নিজস্ব বৌদ্ধিক চিন্তাধাৰা অৱগত কৰাব পাৰে। বিভিন্ন ধৰণৰ তৰ্কপ্ৰতিযোগীতা, আলোচনা আদি আয়োজন কৰি চৰকাৰ বা বিশ্ববিদ্যালয়ক পৰামৰ্শ মানিবলৈ অনুৰোধ কৰিব পাৰে। সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক সমস্যাসমূহ বিশ্লেষণ কৰিব পাৰে। সাধাৰণ অৰ্থত ছাত্ৰ-সংগঠনে শিক্ষাৰ নীতি

প্ৰস্তুত কৰাৰ লগতে বিভিন্ন আঁচনি প্ৰস্তুতকৰণত প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে নিজস্ব ভূমিকা পালন কৰিব পাৰে।

## সামৰণি (Conclusion) :

সামৰণিত ক'ব পাৰি আন আন বিকাশৰ ক্ষেত্ৰবোৰৰ দৰে ৰাজনৈতিক সজাগতাৰ বিকাশৰ বাবে শিক্ষা তথা শিক্ষানুষ্ঠানৰ ভূমিকা তাৎপৰ্যপূৰ্ণ। উপযুক্ত ৰাজনৈতিক সজাগতা সৰ্বসাধাৰণৰ মাজত নাথাকিলে দেশ এখনে সৰ্বাত্মক বিকাশ লাভ কৰিব নোৱাৰে।

## প্ৰশ্নাৱলী

### (I) অতি চমু উত্তৰৰ প্ৰশ্ন (Questions of Very Short Answer)

১। গণতন্ত্ৰৰ ব্যুৎপত্তিগত অৰ্থ লিখা।
Write the derivative meaning of democracy.

২। গণতন্ত্ৰ মানে কি?
What is democracy.

৩। গণতান্ত্ৰিক শিক্ষা কি?
What is democratic education?

৪। গণতান্ত্ৰিক শিক্ষাৰ এটা বৈশিষ্ট্য লিখা।
Write one characteristics of democratic education.

৫। জনশিক্ষা কি?
What is mass education?

৬। হিউৰিষ্টিক শব্দৰ অৰ্থ কি?
What is the meaning of the term 'Heuristic'?

৭। ডাল্টন আঁচনিৰ সৃষ্টিকৰ্তা কোন?
Who is the creator of Dalton Plan?

৮। সংহতিপূৰ্ণ পাঠ্যক্ৰম কি?
What is integrated curriculum?

৯। আত্ম-অনুশাসন কি?
What is self–discipline?

১০। শিশুকেন্দ্ৰিক পাঠ্যক্ৰমৰ মূল মাধ্যম কি?
What is the main agency of curriculum in child centred education?

১১। ছাত্ৰৰ ৰাজনীতি মানে কি?
What is meant by students politics?

১২। ছাত্ৰৰ ৰাজনীতিৰ এটা কাৰণ উল্লেখ কৰা।
Mention any one cause of students politics.

১৩। এজন আদৰ্শবাদী ৰাজনীতিৰ এটা গুণ উল্লেখ কৰা।
Mention any one quality of ideal politics.

১৪। কোনখন দেশে ছাত্ৰ ৰাজনীতিক বেআইনী বুলি বিবেচনা কৰে?
In which country students politics is considered illegal?

১৫। অসমৰ যিকোনো এটা ছাত্ৰ-সংগঠনৰ নাম লিখা।
Write an any one students unions of Assam.

১৬। ছাত্ৰ সংগঠন মানে কি?
What is meant by students union?

১৭। অসমত ছাত্ৰ-ৰাজনীতি কেতিয়া আৰম্ভ কৰা হৈছিল?
In which year students politics started in Assam?

১৮। ছাত্ৰ ৰাজনীতিৰ ধাৰণাটোৰ গুৰিধৰোতা কোন?
Who was the pioneer of the comcept of students politics.

১৯। Lyngdoh কমিটি কেতিয়া গঠন হৈছিল?
In which year Lyngdoh committed formed?

২০। Lyngdoh কমিটিৰ এটা পৰামৰ্শ আগবঢ়োৱা।
Mention any one recommendation of Lyngdoh committee.

২১। শিক্ষানুষ্ঠানত ছাত্ৰ সংগঠনৰ এটা প্ৰয়োজনীয়তা উল্লেখ কৰা।
Mention any one importance of students Union in Educa tion.

২২। ছাত্ৰ সংগঠন আৰু ৰাজনীতিৰ মাজত এটা সম্বন্ধ উল্লেখ কৰা।
Mention any one relation between students union and politics.

২৩। শিক্ষাৰ দিশত থকা এটা ৰাজনৈতিক সচেতনতাৰ নাম লিখা।
Write an any one political awareness from Education.

**(II) চমুটোকা লিখা (Write Short Notes on)**

১। ৰাজনৈতিক সচেতনতাৰ সৃষ্টিৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা।
Role education in creat ing political awareness.

২। ৰাজনৈতিক সচেতনতাৰ ক্ষেত্ৰত আনুষ্ঠানিক শিক্ষাৰ ভূমিকা।
Role of Formal education in creating political awarness

৩। ৰাজনৈতিক সচেতনতাৰ ক্ষেত্ৰত উচ্চ শিক্ষাৰ ভূমিকা।
Role of Higher education in creating political awarness.

৪। ৰাজনৈতিক সচেতনতা আৰু বিশ্ববিদ্যালয়।
Political awarness and University.

৫। ৰাজনৈতিক সচেতনতা আৰু অনানুষ্ঠানিক শিক্ষা।
Political awarness and informal education.

৬। ৰাজনৈতিক সচেতনতা আৰু অগতানুগতিক শিক্ষা।
Political awarness and Nonformal education.

৭। ছাত্ৰৰ মাজৰ ৰাজনীতি
Politics among the students.

৮। উন্নত আৰু উন্নয়নশীল দেশত ছাত্ৰ-ৰাজনীতি।
Students Union for develop and developing countries.

৯। শিক্ষানুষ্ঠান আৰু ছাত্ৰ-ৰাজনীতি।
Educational institution and students politics.

১০। ছাত্ৰ-সংগঠনৰ গুৰুত্ব।
Importances of students union.

১১। লিংডো কমিটিৰ প্ৰতিবেদন।
Recommendation of Lyngdhoh committee.

১২। শিক্ষানুষ্ঠানত ছাত্ৰ-সংগঠনৰ গুৰুত্ব।
Importance of Students Union in Educational Institution.

১৩। ছাত্ৰ সংগঠন আৰু ৰাজনীতি।
Students Union and Politics.

১৪। ভাৰতবৰ্ষ আৰু ছাত্ৰসংগঠন ক্ষমতা।
India and Students Unions Powers.

১৫। শিক্ষাত গণতন্ত্ৰৰ ধাৰণা।
Concept of Education in democracy.

১৬। মন্টেশ্বৰী পদ্ধতি।
Montessori Method.

১৭। গণতান্ত্ৰিক শিক্ষাত শিক্ষকৰ ভূমিকা।
Role of teacher in democratic education.

১৮। গণতান্ত্ৰিক শিক্ষাৰ বিদ্যালয়।
School of democratic education.

**(II) দীঘল উত্তৰৰ প্ৰশ্ন (Questions of Long answers)**

১। ৰাজনৈতিক সচেতনতা মানে কি? ৰাজনৈতিক সচেতনতা বা সক্ৰিয়তা সৃষ্টিৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা লিখা।

What is meant by political awareness? Write briefly the role of education in creating political awareness.

২। ৰাজনৈতিক সচেতনতাৰ ক্ষেত্ৰত মাধ্যমিক শিক্ষাৰ ভূমিকা উল্লেখ কৰা।

Mention the political awareness of secondary education.

৩। উচ্চ শিক্ষা আৰু ৰাজনৈতিক সক্ৰিয়তাৰ সম্পৰ্কৰ বিষয়ে চমুকৈ লিখা।

Write briefly the relation between Higher education and Political awareness.

৪। ছাত্ৰৰ ৰাজনীতিৰ বিষয়ে বহলাই আলোচনা কৰা।

Descuss about students politics.

৫। ছাত্ৰ ৰাজনীতি আৰু শৈক্ষিক অনুষ্ঠানৰ মাজৰ সম্পৰ্কৰ বিষয়ে বহলাই লিখা।

Explain the relation between student politics and educational institutions.

৬। উন্নত আৰু উন্নয়নশীল দেশত ছাত্ৰ ৰাজনীতিৰ পাৰ্থক্য উল্লেখ কৰা।

Mention the difference between developed and developing country.

৭। এখন দেশত ৰাজনৈতিক-সামাজিক পৰিবৰ্তনত ছাত্ৰৰ ৰাজনীতিৰ ভূমিকা লিখা।

Illustrate the role of students politics in changing the socio political system of a country.

৮। ছাত্ৰ সংগঠন বুলিলে কি বুজা যায়। শিক্ষানুষ্ঠানত ছাত্ৰ সংগঠনৰ প্ৰয়োজনীয়তা সমূহ উল্লেখ কৰা।

What do you mean by students union. Mention the importance of student union.

৯। গণতন্ত্ৰৰ প্ৰধান নীতিবোৰ আলোচনা কৰা।

Discuss about the main principles of democracy.

১০। গণতান্ত্ৰিক শিক্ষাৰ বৈশিষ্ট্যবোৰ আলোচনা কৰা।

Discuss the characteristics of democratic education.

১১। গণতন্ত্ৰ আৰু জনসাধাৰণৰ শিক্ষাৰ বিষয়ে ৰচনা লিখা।

Write essay about democracy and education of masses.

১২। গণতান্ত্ৰিক শিক্ষাত শিশুৰ বিষয়ে লিখা।

Write about the child in democratic education.

১৩। গণতন্ত্ৰত শিক্ষক আৰু প্ৰশাসকৰ ভূমিকা বৰ্ণনা কৰা।

Explain the role of teachers and administrators of democracy.

১৪। গণতন্ত্ৰৰ শিক্ষাদান পদ্ধতি বৰ্ণনা কৰা।

Explain the teaching method of democracy.

১৫। গণতান্ত্ৰিক শিক্ষাৰ পাঠ্যক্ৰমৰ বিষয়ে আলোচনা কৰা।

Discuss about the curriculum of democratic education.

●●●

shanti prakashan

ISBN : 978-93-84466-65-7

9 789384 466657